# Assam Legislative Assembly Debates

## OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOL. I
NO. 24

**The 27th April, 1988**

Price—24·50

# CONTENTS

BUDGET SESSION

Volume—1 No.—24

Dated, the 27th April 1988


| | | Page |
|---|---|---|
| 1. | Questions & Answers | ... 1 |
| 2. | Voting on Demands for Grants | ... 49 |
| 3. | Adjournment | ... 98 |
| 4. | Annexure I | ... 99 |
| 5. | „ II | ... 109 |
| 6. | „ III (A) | ... 118 |
| 7. | „ III (B) | ... 119 |
| 8. | „ III (IV) | ... 128 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1988

Wednes day. April 27, 1988

The House met at 9 A. M. in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED

## QUESTIONS & ANSWERS
( To which oral answers were given )

**বিষয়ঃ দিল্লী নৈৰ শিল মহলৰ শিল তোলাৰ অনুজ্ঞাপত্ৰ।**

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) য়ে সুধিছে ঃ

*৪২১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নাহৰকটীয়া আৰু সোনাৰি সমষ্টিৰ অন্তৰ্গত দিল্লী নৈৰ শিল মহলৰ পৰা কেইজন আবেদনকাৰীক পোনপতীয়াভাবে শিল তুলিবৰ বাবে অনুজ্ঞাপত্ৰ দিছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৫ (পাঁচ) জনক অনুজ্ঞাপত্ৰ দিছে।

**Re: Repairing on the S. M. D. and K. P. Road.**

Shri Digendra Purkayastha, asked :

*422. Will the Minister P. W. D. be pleased to State :

(a) How many bridges on the S. M. D. and K. P. road are under repairs or reconstruction ?

(b) When all these works are expected to be completed

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) শিলচৰ মতিনগৰ দিদাকোচ পথৰ ৪ খন কাঠৰ দলং মেৰামতিৰ কাৰণে ইতিমধ্যে হাতত লোৱা হৈছে। কাবুগঞ্জ পালেংঘাট পথত বেয়া অৱস্থাৰ দলং নাই।

(খ) চলিত বিত্তীয় বছৰতেই সম্পূৰ্ণ হৈ উঠিব।

Shri Digendra Purkayastha : Sir, I am glad to come to know that the Hon'ble Minister P. W. D. has taken steps for the repair of the bridges, but is the Hon'ble Minister aware of the fact that the entire Motinagar-Didarkoch remains suspended for three to four months every year during the rainy season ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ভালেকেইখন দলং মেৰামতি কৰাৰ পিচত পুনৰ গাড়ী চলিছে, অৱশ্যে কিছু দিন বন্ধ হৈ থকাটো সঁচা।

Shri Digendra Purkayastha : Sir, the fact is that the road remains suspended for a number of months every year due to non-repair of these bridges on this Motinagar-Didarkoch road. Will the Hon'ble Minister take urgent steps for reconstruction of all the bridges before the coming rainy season so that the roads will not have to be suspended for another 3-4 months ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তা বন্ধ হৈ নাথাকে, বতৰ বেচি বেয়া হলে বা বেচি বৰষুণ হলে বন্ধ হৈ থাকে। অহা বছৰ ভাল হৈ থাকিবনে নেথাকে সেইটো নিৰ্ভৰ কৰে বতৰৰ ওপৰত। যদি সাংঘাতিক বতৰ বেয়া হৈ থাকে তেতিয়াহলে আৰু উপায় নাই। এনেয়ে কিন্তু বন্ধ হৈ নেথাকে সেইটো মই জানো।

**Re : Chargula Firming Corporation.**

Shri Abdul Muqtadir Choudhury asked :

*423 : Will the Minister, Agriculture be pleased to state :

(a) What is the present position of Chargula Firming

Corporation in Karimganj district ?

(b) Amount senctioned by Government for the dovelopment of the said Firming Corporation ?

Shri Chandra Mohan Patowary (Minister of Agriculture) replied :

(a) Chargula Agricultural Firming Corporation is not functioning now as the land of the firming corporation is under encroachment.

(b) A sum of Rs. 2.93 Lakh was sanctioned for the development of the said Agricultural Firming Corporation. As the firm is not functioning, the amount could not be utilised.

Shri Abdul Muqtadir Choudhury : Sir, what the Government propose to do with this Firming Corporation ? will it function like other 11 number of Firming Corporations in Assam or will it be abandoned ?

Shri Chandra Mohan Patowary (Minister) : Sir, 754 bighas of land probably was acquired during that time by the District Revenue Authority, but the land could not be handed over because of encroachment. There is a Court case proceeding, and as such, the matter subjudice. Until the Court case is settled, we cannot give any assurance as desired by the Hon'ble Member.

Shri Ramendra De : Sir, in which year the land has been handed over by the civil authorities of Karimganj for the Firming Corporation ?

Shri Chandra Mohan Patowary (Minister) : So far as our information goes, probably it was in 1975 when it was so

decided, and it was in 1982 when the money was sanctioned, and it was in 1983 when the money was deposited.

Shri Abdul Muqtadir Choudhury : Sir, will the Hon'ble Minister kindly inform whether the Court case is related to the entire land or part of it ?

Shri Chandra Mohan Patowary (Minister) : Sir, the Court case is related to the whole matter of the Firming Corporation. So I think it related to the whole land.

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে অসমত 'এগ্ৰিকালচাৰ ফ্ৰামিং' কেইখন আছে, আৰু সেইকেইখন চলি আছেনে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনৰ এইটো বেলেগে প্ৰশ্ন উৎথাপন কৰিলে ভাল হয়।

**বিষয় : বেছিমাৰী দৈপান ৰাস্তাৰ দলং প্ৰতিৰোধৰ কামৰ বাবে টকা মঞ্জুৰী।**

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে :

* ৪২৪ / মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মঙ্গলদৈ শাখা গড়কাপ্তানী বিভাগৰ (পথ) অন্তৰ্গত দলগাওঁ উপ-শাখাৰ অধীনৰ "বেছিমাৰী দৈপান ৰাস্তাৰ $\frac{৩}{৪}$ নং দলং প্ৰতিৰোধৰ কামৰ বাবে (১৯৮৫-৮৬ চনৰ কামৰ) ১৫ (পোন্ধৰ) লাখ টকা মঞ্জুৰী দিয়া কথাতো সত্যনে ?

(খ) যদি সত্য বেছিমাৰী দৈপান ৰাস্তাৰ $\frac{৩}{৪}$ নং দলং প্ৰতিৰোধৰ কামটো কৰা হৈছেনে ?

(গ) উক্ত দলং প্ৰতিৰোধৰ কাৰণে কি শিতানৰ (বিভাগৰ) পৰা টকা দিয়া হব ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) সত্য নহয়।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰত সত্য নহয় বুলি কৈছে। কিন্তু কথা হৈছে যে মই জনাত যোৱা ২৪ তাৰিখে এই টকা হোৱা বুলি অভিযোগ পাইছো। আনহাতে এই দলংখন কৰা হৈছিল ১৯৮৫-৮৬ চনত। কিন্তু 'প্ৰটেকচন'ৰ কাম এতিয়ালৈকে হোৱা নাই। এই যিটো টকা ধৰা হৈছে সেইটো 'এফ-ডি,আৰ'ৰ টকা নেকি ?

শ্ৰীঅতুল বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৫-৮৬ চনৰ দলংৰ বাবে ২ লাখ ৮ হেজাৰ ৮ শ টকা খৰচ কৰা হৈছিল। মাননীয় সদস্যজনে যিটো কথা কৈছে সেইটো সত্য নহয়।

**Re: Logs seized by Special protection Force.**

Shri A.F. Golam Osmani, asked:

* 425 Will the Chief Minister, be pleased to state:

(a) Whether it is a fact that recently 300 logs in severed condition have been seized by special protection staff of Conservator of Forests, Southern Assam Circle in Jirighat Range of Silchar Forest Division ?

(b) Whether it is also a fact that the special protection staff also seized 500 stamps of severed trees in the same Range ?

(c) Whether any actions has been taken to identify the miscreants ?

(d) The extent of damage caused in terms of money due to this illegal extraction ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়, ২৭৩ টা কাঠৰ কুণ্ডা জব্দ কৰা হৈছে।

(খ) হয়, ৫২৩ টা গছৰ মূঢ়া জব্দ কৰা হৈছে।

(গ) হয়. জিৰিমুখ খণ্ড বিষয়াক ইতিমধ্যে নিলম্বিত কৰা হৈছে। আৰু আন আন জড়িত ব্যক্তিক বিচাৰি উলিওৱাবলৈ তদন্ত কৰি থকা হৈছে।

(ঘ) জব্দ কৰা কাঠৰ টুকুৰা সমূহৰ চৰকাৰী মূল্য ৬৮,৬২৬·৩৯ আৰু চোৰে লৈ যোৱা কাঠৰ চৰকাৰী মূল্য ২,১৩,৭৬৯·৩৫ ।

Shri A. F. Golam Osmani : Sir, at appears that answers coming from Silchar Forest Division is always incomplete and naturally it makes the chief Minister give, at least to our understanding, misleading answers. In my question put on 30.3.88 it was stated that in Silchar Division altogether 1669 Nos. of logs were illegally operated but now the answer that is given in today's answers the total comes down 1557 logs and 165 blocks altogether taking into account both the Ranges of jiribane and Girimukh. Whether the chief Minister will enquire into it ?

Inspite of the firm policy both before and after the announcement of the Forest policy by the Government that no extraction will be made from Assam Forests things are continuing as before. Whether the chief Minister is aware of it ?

Whether the chief Minister really believes that by taking action against the subordinate officials like Forest Guards or Beat officers or even Rangers the things will be set right unless exemplary punishments are meted out to the departmental heads in whose jurisdiction this type of illegality is taking place ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনৰ প্ৰশ্নটো আছিল শিলচৰ বন সংমণ্ডলৰ জিৰিঘাট ৰেঞ্জৰ বিষয়ে। তাত যিখিনি কাঠ জব্দ কৰা হৈছে তাত গোটেই বনাঞ্চলৰ কথাই জড়িত হৈ আছে। ইতিমধ্যে এই বিষয়টো তদন্ত কৰিবলৈ দিয়া হৈছে আৰু প্ৰাথমিক পৰ্য্যায়তে

খণ্ড উন্নয়ণ বিষয়াক নিলম্বিত কৰা হৈছে। ইয়াৰ পিছত কোনোবা বিষয়া আৰু দোষী ওলালে তেওঁলোকৰ বিৰোদ্ধে ব্যৱস্থা লোৱা হব।

Shri A. F. Golam Osmani : Sir, whether the chief Minister is aware that in many developmental works involving buildings etc. which were constructed by the Government, specially the Rural Development Department, the specification of wood that has to be used is non-Sal trees but in reality 3rd class quality wood are used. Hence after two/three years it will be found that all these buildings have become completely useless. Can the Government make some arrangement to channelise the seized logs for use in those buildings as to make them more durable ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কথাটো অপ্ৰিয় হলেও সঁচা যে, আগৰ চৰকাৰ বিলাকেই এই বন বিভাগটো ধ্বংস কৰি গৈছে। এতিয়া আমি অৰ্গেনাইজ কৰিবলগীয়া হৈছে। ফলত আমি বিভিন্ন সমস্যাৰ সম্মুখীন হৈছো। বিভিন্ন বিভাগক শাল কাঠ লাগে বুলিয়েই আমি গছ কাটিবলৈ দিব নোৱাৰো। সেইকাৰণেই গছ কটা বন্ধ ৰখা হৈছে। ইতিমধ্যে 'চিজ' কৰা কাঠ বিলাক বিক্ৰী কৰিবৰ কাৰণে একোখন কমিটি কৰি দিছে। সেই কমিটিত জিলাৰ ডেপুটি কমিশ্যনাৰ, আৰক্ষী অধীক্ষক আৰু জিলা বন বিষয়া থাকিব। কোনো বিভাগে কাঠ কিনিব খুজিলে ইয়াৰ পৰা কিনিব পাৰিব।

Shri A. F. Golam Osmani : Sir, may I request the chief Minister to see to the other aspect of the thing, i. e., by allowing this type of auction to remain open to the public us will deprive some departments to use this wood for a better purpose. As for example, the Public works department for want of Sal trees, in many cases, are not in a position to construct bridges and there may be other department is requiring Sal trees. That would be easier if a proper departmental coordination is maintained than selling them in public

auction. So, may I request the chief Minister to see that the Public works Department as well as the Rural Development Department be asked to take the logs on departmental basis on payment of proper royalty ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে বিভাগে যি বিলাক কাঠ 'চিজ' কৰিছে সেই বিলাক কাঠ বিক্ৰী কৰাত বাধা নাই । কিন্তু সেই বুলি আমি গছ কাটিবলৈ দিব নোৱাৰো ।

**Re : Dilapidate condition of Road from Nandeswar to Darranguri.**

Shri Moziruddin Ahmed asked :

*126. Will the Minister, P. W. D. be pleased to state :

(a) Whather the Government is aware that road from Nandeswar to Darrangiri is very much indilapidated condition ?

(b) Will the Government take immediate measure to improve the condition of the road ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নহয়, কিন্তু তিনিখন কাঠৰ দলঙৰ দুৰ্বল অৱস্থাৰ কাৰণে এই পথটো যানবাহন চলাচলৰ বাবে বন্ধ ৰখা হৈছে ।

(খ) তিনিখন দলঙৰ দুখনৰ মেৰামতি সম্পূৰ্ণ হৈছে আৰু তৃতীয়খনৰ মেৰামতি সম্পূৰ্ণ হোৱাৰ পথত । সম্পূৰ্ণহলেই পথটো যানবাহনৰ বাবে মুকলি হব ।

শ্ৰীমচিৰুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, নন্দেশ্বৰৰ পৰা দৰংগিৰিলৈকে এই ৰাস্তাটো বেয়া নহয় বুলি কৈছে । কিন্তু আমি জনামতে এই ৰাস্তাটো চলাচল কৰাৰ বাবে যোগ্য নহয় । গতিকে মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি এই ৰাস্তাটো চলিত বছৰতে মেৰামতি কৰি যাতায়ত কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল চন্দ্ৰ বৰা (গড়কাপ্তানী মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ৰাস্তাৰ অৱস্থা সামান্য বেয়া হলেও যানবাহন আদি যাব পাৰে । কিন্তু দলং বেয়া হলে যানবাহন যোৱাৰ প্ৰশ্নই নুঠে । তাতে আকৌ এই ৰাস্তাত তিনিখন দলং বেয়া হৈ আছে । দলং কেইখন ভাল হলে যানবাহন আদি তাত চলাচল কৰিব পাৰিব । ৰাস্তাটোৰ অৱস্থাটোও যাতে ভাল হয় তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হব ।

বিষয়ঃ চোৰাং চিকাৰীৰ দ্বাৰা গড় নিধনৰ সংখ্যা।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছেঃ

*৪১৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ১৯৮৬-৮৭ আৰু ১৯৮৮ চনৰ ১ মাৰ্চলৈ অসমত কিমান সংখ্যক গড় চিকাৰীয়ে নিধন কৰিলে ?

(খ) এই গড় নিধন কৰা কিমান চিকাৰীক চৰকাৰে গ্ৰেপ্তাৰ আৰু গোচৰ তৰিব পাৰিছে ?

(গ) গড় নিধন বন্ধ কৰিবলৈ বৰ্তমান চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) ১৯৮৬ চনত ৫০ টা, ১৯৮৭ চনত ৪১ টা আৰু ১৯৮৮ চনৰ ১ মাৰ্চলৈ অসমত ৫ টা মুঠতে ৯৬ টা গড় চোৰাং চিকাৰীৰ হাতত নিধন হয়।

(খ) মুঠ ১৭৪ জন চোৰাং চিকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ৬২ জনৰ বিৰুদ্ধে বিভিন্ন আৰক্ষী চকীত গোচৰ তৰা হৈছে।

(গ) চোৰাং চিকাৰীৰ প্ৰত্যাহ্বান জনাবৰ বাবে বিভাগীয় ব্যৱস্থাৱলীৰ ভিতৰত বিভাগীয় সশস্ত্ৰ প্ৰহৰী দলৰ উপৰিও গৃহৰক্ষী বাহিনী নিয়োগ, হাতী আৰু চোৰাং চিকাৰীক আগতীয়াকৈ বা যথা সময়ত প্ৰতিৰোধ কৰিবলৈ বেতাৰ কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা কৰা হৈছে। বৰ্তমান অধিক ফলপ্ৰসুভাৱে অসমত গড় নিধন বন্ধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সৌজন্যত এক বিশেষ আঁচনি (অসম গড় সংৰক্ষণ) ৰূপায়ণৰ কাম হাতত লোৱা হৈছে। এই আঁচনিৰ জৰিয়তে সশস্ত্ৰ প্ৰহৰীদল, বন্দুক বাৰুদ, বেতাৰ যন্ত্ৰ, টঙীঘৰ, ইঞ্জিন চালিত নাওঁ, সাধাৰণ নাওঁ আদিৰ সংখ্যা বৃদ্ধি কৰা হৈছে। তাৰোপৰি গড় সংৰক্ষণ কৰাৰ কাৰণে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিসৰ বৃদ্ধি কৰিবলৈ ৬ টা সংযোজনৰ যাৱতীয় প্ৰস্তাৱ হাতত লোৱা হৈছে। আনকি আৰক্ষী বিভাগৰ লগত যোগাযোগ ৰাখি আৰু তেওঁলোকৰ সহায়ত চোৰাং চিকাৰীৰ মোকাবিলা কৰিবৰ কাৰণেও ব্যৱস্থা হাতত লোৱা হৈছে।

শ্ৰীদেবেশ্বৰ বৰাঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰীয়ে কৈছে যে, মুঠ ১৭৪ জন চোৰাং চিকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ৬২ জনৰ বিৰুদ্ধে বিভিন্ন আৰক্ষী চকীত গোচৰ তৰা হৈছে। ৬২ জনৰ বিৰুদ্ধে যে গোচৰ তৰা

হৈছে তেওঁলোককো গ্ৰেপ্তাৰ কৰা নহল কিয়? তাৰোপৰি, এইসকলৰ ভিতৰত ৰাজ্যৰ বাহিৰৰ লোকো জড়িত আছেনে নাই?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বাহিৰৰ লোকৰ বিৰুদ্ধেও গোচৰ তৰা হৈছে। গোটেই কথাটোৱেই হৈছে, আইনৰ কিছুমান সুৰুঙা থাকি যায়। সেই কাৰণেই যিথন ফৰেষ্ট আইন আছে সেইবিলাক সংশোধনৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিকেইটা সংযোজনৰ ব্যৱস্থা কৰা হৈছে বুলি কৈছে সেই কেইটা কোন কোন অনুগ্ৰহ কৰি নাম কেইটা কবনে আৰু গড় সংৰক্ষণৰ কাৰণে কিমান টকা ধাৰ্য্য কৰা হৈছে জনাবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, কিমান টকা ধাৰ্য্য কৰা হৈছে সেই হিচাবটো এতিয়া মোৰ হাতত নাই।

## বিষয়: গড়কাপ্তানী ৰাষ্টাৰ Blacktopping.

শ্ৰীগোপীনাথ দাসে সুধিছে:

*৪২৮/ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ১৯৮৮-৮৯ চনৰ বিত্তীয় বছৰত কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত (১) হেক্ৰা নগৰবেৰা ৰাস্তা (২) শিংৰা-হেক্ৰা ৰাস্তা (৩) নগৰবেৰা শিমলীতোলা ৰাস্তা (৪) মন্দিৰা নিছলামাৰী ৰাস্তা আৰু (৫) বকো ছমৰীয়া ৰাস্তা কেইটা Blacktopping কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবনে?

(খ) যদি নকৰে তেন্তে ইয়াৰ কাৰণটো অনুগ্ৰহ কৰি জনাবনে?

(গ) যদি ব্যৱস্থা গ্ৰহন কৰে তেন্তে কেতিয়া কৰিব জনাবনে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) এই বিষয়ে এতিয়াও চিন্তা কৰা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীগোপীনাথ দাস: মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত জনাইছে

ৰাষ্টা ব্লেক টপিং কৰাৰ কথাটো চিন্তা কৰা নাই। মই পুনৰ অনুৰোধ জনাইছো এই বছৰত ব্লেক টপিং কৰাৰ কাৰণে চিন্তা কৰিব নেকি ?

শ্রীঅতুল বৰা (গড়কাপ্তানী মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে আমাক পৰিকল্পনা আৰু উন্নয়ন বিভাগে পুৰণা ৰাষ্টাৰ কাৰণে কিমান টকা আৰু নতুন ৰাষ্টাৰ কাৰণে কিমান টকা এনেকৈ ভাগ কৰি নিদিয়ে। মুঠতে পৰিকল্পনা আৰু উন্নয়ন বিভাগে ৰাষ্টাৰ কাৰণে ২৫ কোটি ২ লাখ টকা অনুমোদন জনাইছে। আনহাতে মাননীয় সদস্য শ্রীগোপীনাথ দাসে ৫ টা ৰাষ্টাৰ কাৰণে ব্যৱস্থা লবলৈ লিখিছে। মই অলপতে হাহিমলৈ যাওতে ৰাইজে মোক আপত্তি জনাইছে যে মাননীয় সদস্য গৰাকীয়ে যিবোৰ অঞ্চলত ইউ, এম, এফৰ সমৰ্থক আছে সেইবোৰ অঞ্চলৰ ৰাষ্টা লবলৈহে চেষ্টা কৰিছে বাকীবোৰ অঞ্চলত কৰা নাই। সদস্য গৰাকীয়ে সকলো অঞ্চলৰ কথা ভাবিব লাগে। যা হওক এই বিষয়টো অহা বছৰত চোৱা হব।

**Re; List of Scheduled Tribes**

Shri Amrit Lal Basumatary asked :

*429. Will the Minister, WPT & BC be pleased to state :

(a) Which section of people of Assam have demanded to include them in the list of Scheduled Tribe ?

(b) Whether their demands are under consideration of Government ?

(c) Whether any demand has been accepted ?

(d) Whether any demand has been rejecetd ?

Shri Thaneswar Boro (Minister, Welfare of Plains Tribes etc ) replied :

(a) (1) Tea Garden Labourers of Assam.

(2) Garos represented by Garo National Council.

(3) The Mizo Tribes represented by Mizoram Paite organisation:

(4) The Saranias represented by All Assam Sarania Association.

(5) The Karbis represented by Asaam Plains (Karbi).

(6) The Madahis represented by All Assam Madahi Sanmilan.

(7) The Chutias represented by Chutia Jati Sanmilan.

(8) The Koch Rajbangshis reprseented by All Assam Koch Rajbangshi Sanmilan.

(9) The Halams representcd by Halam Tribes Sanmilan.

(10) Matak, Tai-Asom, Asom Buddhists-siam, Fakial, Chowdung etc.

(b) Yes.

(c) Not yet.

(d) Not yet.

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই শুনিবলৈ পাইছো মেমোৰেণ্ডামৰ ভিত্তিত চৰকাৰে এই বিষয়টো বিবেচনা কৰি আছে । কোন কোন জনগোষ্ঠীৰ কাৰণে কেবিনেট চাব কমিটীয়ে বিবেচনা কৰিছে জনাবনেকি ? কিয়নো ইতিমধ্যে একাংশ লোকৰ মাজত এই বিষয়টো লৈ উত্তেজনাৰ সৃষ্টি হব ধৰিছে। সেয়ে অসম চৰকাৰে অতি সোনকালে কেন্দ্ৰীয় চৰকাৰলৈ ৰাজ্য চৰকাৰৰ অনুমোদন পঠোৱাৰ ব্যৱস্থা কৰিবলৈ মই অনুৰোধ জনালো ।

শ্ৰীথানেশ্বৰ বড়ো, (ৰাজহ ও ভৈয়াম জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কেবিনেট চাব কমিটি গঠন কৰি দিয়া হৈছে আৰু কমিটিয়ে ইতিমধ্যে পৰামৰ্শ সহ প্ৰতিবেদন দাখিল কৰিছে । কিন্তু বিধান সভা চলি থকাৰ কাৰণে উক্ত প্ৰতিবেদনৰ ওপৰত আলোচনা বিলোচনা কৰি পুংখানুপুংখ ৰূপে চোৱাৰ কাৰণে সময় কৰিব পৰা নাই । অতি সোনকালেই এই প্ৰতিবেদন পৰীক্ষা কৰাহব আৰু ইয়াৰ ওপৰত এটা সিদ্ধান্ত লব পৰা হব বুলি আশা কৰিছো ।

শ্ৰীদিলেশ্বৰ তাঁতি : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ চাহ মজদুৰ জনগোষ্ঠীক জনজাতীয় লোকৰ তালিকাত অন্তৰ্ভূক্তি কৰিবৰ কাৰণে বহু বছৰৰ পৰা দাবী

জনাই অহা হৈছে, আগৰ চৰকাৰে এই জনগোষ্ঠীৰ দাবীৰ সহানুভূতি দেখুৱাই কেবিনেট চাব কমিটিয়ে বিষয়টো বিবেচনা কৰিছিল, কিন্তু আজিৰ তালিকাত এই গোষ্ঠীৰ কথা উল্লেখ নকৰাৰ কাৰণে, এই বিষয়টো কি পৰ্য্যায়ত আছে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ।

শ্ৰীথানেশ্বৰ বড়ো, (মন্ত্ৰী ভৈয়াম জনজাতি কল্যাণ বিভাগ) : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৩-৭-৭৭ তাৰিখে অসমৰ ৮টা চাহ মজদুৰ সম্প্ৰদায়ৰ জনগোষ্ঠীৰ দাবীৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদনৰ কাৰণে অসম চৰকাৰে ৰিকমেণ্ড কৰি পঠাইছিল । কিন্তু কেন্দ্ৰীয় চৰকাৰে এইটো এতিয়াও গ্ৰহণ কৰা নাই । কিন্তু ইতিমধ্যে অসমৰ প্ৰায় ১০০ টা জনগোষ্ঠীয়ে জনজাতীয় তালিকাত অন্তৰ্ভূ‌ক্ত হবলৈ দাবী জনাই আহিছে । এই সম্পৰ্কে এতিয়াও সিদ্ধান্ত লব পৰা নাই । পৰ্য্যায় ক্ৰমে এইবোৰ লব পাৰিনেকি আলোচনা কৰি থকা হৈছে ।

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ইতিমধ্যে জনাইছে যে কেবিনেট চাব কমিটিয়ে বিষয়টো পৰীক্ষা কৰি এক প্ৰতিবেদন দাখিল কৰিছে । এই প্ৰতিবেদনত কোচ ৰাজবংশী আৰু চুতীয়া সম্প্ৰদায়ৰ নাম আছে নেকি ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী ভৈয়াম জনজাতি কল্যাণ বিভাগ) : অধ্যক্ষ মহোদয়, এইটো এতিয়াই প্ৰকাশ কৰিব পৰা নহব । ইয়াৰ ওপৰত আলোচনা কৰি এতিয়াও স্থিৰ সিদ্ধান্ত লোৱা হোৱা নাই ।

শ্ৰীচিলৰিউচ কন্দপান : অধ্যক্ষ মহোদয়, কেবিনেট চাব কমিটিয়ে পৰামৰ্শ তথা প্ৰতিবেদন কোন তাৰিখে দাখিল কৰিছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী ভৈয়াম জনজাতি কল্যাণ বিভাগ) : অধ্যক্ষ মহোদয়, কেবিনেট চাব কমিটিয়ে যোৱা ১২-৭-৮৭ তাৰিখে এই প্ৰতিবেদন দাখিল কৰিছে ।

Starred Questions No 430 was not called for. However written Answers deemed to have been baid on the Table as follows :

**বিষয় : গাৰো জনজাতিসকলৈ সা-সুবিধা**

শ্ৰীঅকন চন্দ্ৰ ৰাভাই সুধিছে :

* ৪৩০ । মাননীয় জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত বাস কৰা গাৰো জনগোষ্ঠী অৰ্থনৈতিক ভাবে দুৰ্বল হেতুকে জনজাতি সকলে পাই থকা সুবিধাখিনিৰ দৰে সুবিধা দিয়া কথাষাৰ সত্য নে ?

(খ) ৰাজনৈতিক সুবিধাৰে জনজাতি হিচাপে উক্ত জনগোষ্ঠীক তালিকাভুক্ত কৰাত কিবা ব্যৱস্থা লৈছে নেকি ?

(গ) যদি লৈছে কেনেকুৱা ব্যৱস্থা লৈছে ?

শ্ৰীথানেশ্বৰ বড়ো, (অসম ভৈয়াম জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) আংশিক ভাবে সত্য । অসমত বাসকৰা গাৰো জনগোষ্ঠী লোক সকলক জনজাতি সকলে পাই থকা সুবিধাখিনিৰ ভিতৰত আৰ্থিক, শৈক্ষিক আৰু নিয়োগৰ ক্ষেত্ৰত থকা সুবিধাখিনি দি থকা হৈছে ।

(খ) বৰ্ত্তমান বিবেচনাধীন হৈ আছে ।

(গ) প্ৰশ্ন নুঠে ।

## বিষয় : জাপেৱা গাওঁ পঞ্চায়তত গড়কাপ্তানী পথ।

শ্ৰীমকবুল হুচেইনে সুধিছে :

* ৪৩১ । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত জাপেৱা গাওঁ পঞ্চায়তত কিমান কিলোমিটাৰ গড়কাপ্তানী বিভাগৰ ৰাস্তা আছে ?

(খ) অসমত গড়কাপ্তানী ৰাস্তা নথকা গাওঁ পঞ্চায়ত আছে নে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নাই ।

(খ) গাওঁ পঞ্চায়ত ভিত্তিত এই বিভাগত পথৰ হিচাব ৰখা নহয় ।

শ্ৰীমকবুল হুছেইন : মাননীয় অধ্যক্ষ মহোদয়, প্ৰত্যেক গাও পঞ্চায়ত এলেকাত কমেও এটা নহয় এটা গড়কাপ্তানি বিভাগৰ ৰাষ্টা আছে কিন্তু সমষ্টিৰ উক্ত গাও পঞ্চায়ত এলেকাত আধাকিলোমিটাৰো গড়কাপ্তানি ৰাষ্টা নাই । মন্ত্ৰী মহোদয়ে এই চলিত বিত্তীয় বছৰত তাত এটা গড়কাপ্তানি ৰাষ্টা কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানি মন্ত্ৰী) অধ্যক্ষ মহোদয়, প্ৰত্যেক গাওকে গড়কাপ্তানি ৰাষ্টাৰে সংযোগ কৰাৰ কথা আছে । ১৯৭১ চনৰ পিয়ল মতে অসমত ২০৫৬৯ খন গাও আছে । ১৯৮৭-৮৮ চনলৈকে ১২৫৫৬ খন গাও গড়কাপ্তানি ৰাষ্টাৰে সামৰা হৈছে । বাকী খিনি গাও পৰ্য্যায়ক্ৰমে কৰা হব । প্ৰত্যেক গাও পঞ্চায়ত

এলেকাতে একো একোটা গড়কাপ্তানি ৰাষ্টা আছেই, কিছুমানত ৰাষ্ট্ৰীয় পথেৰেও সংযোগ হৈছে। কিন্তু মাননীয় সদস্য জনৰ দুৰ্ভাগ্য যে তেখেতৰ এই ভিতকুৱা গাও পঞ্চায়ত খনত গড়কাপ্তানি ৰাষ্টাৰে ঢুকি পোৱা নাই। তেখেত নিজে মহকুমা পৰিকল্পনা বোৰ্ডত আছে, সেয়ে ৰাষ্টাটো তেখেতে তাৰ পৰাই কৰি লব পাৰিব। মহকুমা পৰিকল্পনা বোৰ্ডত সমষ্টি ভিত্তিত ৰাষ্টা দিয়া হয়।

শ্ৰীৰত্নেশ্বৰ সৰকাৰ : অধ্যক্ষ মহোদয়, এম, এন, পিৰ যোগেদি ৰাষ্টা লোৱা হব ৰাকু কিন্তু দলঙৰ কথাটো কি হব ? দলঙৰ কাৰণে মন্ত্ৰী মহোদয়ে টকা দিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানি মন্ত্ৰী) : অধ্যক্ষ মহোদয়, গাৱৰ ৰাষ্টাৰ গুৰুত্ব বুজি দিব পৰা হব। সদস্য জনে পঞ্চায়ত এলেকাত গড়কাপ্তানি ৰাষ্টা আছেনে নাই সেইটোহে বিচাৰিছে। গুৰুত্ব বুজি অহাবাৰ এই বিষয়টো পৰীক্ষা কৰি চাব পৰা যাব।

Stared question No 439 was deffered.

## বিষয় : মৈৰাবাৰীত P. W. D. Rest Houseৰ কাৰণে টকা মঞ্জুৰী।

শ্ৰীশ্বহীদুল ইছলামে সুধিছে :

৪৩৩ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মৈৰাবাৰীত এটা P. W. D. Rest House নিৰ্ম্মান কৰিবৰ কাৰণে টকা মঞ্জুৰ হোৱাৰ কথা চৰকাৰে জানেনে ?

(খ) উক্ত P. W. D. Rest Houseৰ কাৰণে মাটি অধিগ্ৰহণ কৰা কথাও জানেনে ?

(গ) যদি জানে উক্ত P. W. D. Rest Houseৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) ১৯৮৫ চনত মৈৰাবাৰীত P. W. D. Rest House ৰ কাৰণে ৰাজহ বিভাগে দিয়া মাটিৰ ওপৰত স্থানীয় ৰাইজৰ মতানৈক্য হোৱাত মঞ্জুৰী উঠাই লোৱা হয়। এতিয়া ৪।৪।৮৮ তাৰিখে উক্ত Rest House ৰ কাৰণে ৰাজহ বিভাগৰ পৰা নতুনকৈ মাটি পোৱা হৈছে।

(গ) প্ৰাক্কলন অনুমোদন দিয়াৰ পিছতে কাম আৰম্ভ কৰা হব ।

শ্ৰীশ্বহিদুল ইচলাম : অধ্যক্ষ মহোদয়, ইতিমধ্যে গড়কাপ্তানি মন্ত্ৰী মহোদয় আৰু গড়কাপ্তানি বিষয়া সকলে এই বিষয়টোত যি খিনি তত্পৰতা দেখুৱাইছে তাৰ কাৰণে মই আন্তৰিক ধন্যবাদ জনাইছো ।

**Re : Special programme of Government to increase Production.**

Shri Ramendra De asked :

*434 : Will the Minister of Agriculture be pleased to state :

(a) Considering the flood and drought situation of the State whether the present Government has taken special programme to increase the production and productivity of paddy ?

(b) If so, what is the Special programme ?

(c) Whether such programme has been taken in the karimganj District ?

Shri Chandra Mohan Patowary (Minister Agriculture) replied :

(a) & (b) Various schemes for increasing production and productivity have been taken by Government. The Schemes include Special Rice production programme, augmentation of use of fertilizer & H.Y.V. seeds and sinking of Shallow Tube well for providing irrigation water.

(c) All such schemes are under operation in Karimganj District.

Undisposed starred qustions No. 435 & 436 (To which oral answers were not called for want of time. However, written answers deemed to have been laid on the table as follors

Shri Ramendra De : How many shallow tube wells on

agricultural land have been placed in different blocks of the State ?

Shri Chandra Mohan Patowary (Minister) : I think if one separate question is asked, it will be easy for me to give information.

Shri Ramendra De : what is the number in the District of Karimganj ?

Shri Chandra Mohan Patowary (Minister) : This information is not with me now ; I will be able to provide it later on.

শ্ৰীজয়নাথ শৰ্ম্মা : ৰাইচ বা ধানৰ যি স্পেচিয়েল প্ৰদাক্চন প্ৰগ্ৰেম আছে বা আঁচনি আছে সেই আঁচনিখন কেনেকুৱা আঁচনি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (কৃষি মন্ত্ৰী) : অধ্যক্ষ মহোদয়, স্পেচিয়েল ৰাইচ প্ৰদাক্চন প্ৰগ্ৰেমৰ যিটো আঁচনি সেই আঁচনিত চেলো টিউবৱেল, চিদফ্ৰী টেকনোলোজিচাৰচিদাইজ ৰেটত ব্লক বিলাকত বিশেষ সুবিধা দিয়া হয়। এই আঁচনিটো নতুন আঁচনি ইয়াক এচ-আৰ-পি বোলা হয়। আগতে ব্লকত কনফাইন আছিল এতিয়া আৰু তিনিখন জিলা সামৰি লোৱা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা : ব্লকওৱাইজ দিয়া হৈছে বুলি কৈছে কিন্তু এই ধান উৎপাদনৰ ক্ষেত্ৰত কিমান ব্লকক অন্তৰভুক্ত কৰা হৈছে আৰু ব্লকৰ যিবিলাক বিষয়া তেওঁলোকক কিবা প্ৰশিক্ষন দিয়া হৈছে নে নাই ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (কৃষি মন্ত্ৰী) : বৰ্ত্তমান ৫৪টা ব্লকত এই এচ-আৰ-পি আঁচনি লোৱা হৈছে। খণ্ড উন্নয়ন বিষয়া সকলক অৱশ্যে বিশেষ দায়িত্ব অৰ্পণ কৰা হোৱা নাই। আমি এই বিষয়টো বিবেচনা কৰি আছো আৰু তেওঁক সোমাই লোৱাটো ভাল হব বুলি ভাবিছো।

## বিষয় : মৰিগাওঁ, ভকতগাওঁ হৈ জাগীৰোডলৈ কলাপৃষ্ঠ পথ।

শ্ৰীহৰেন্দ্ৰ বৰাই সুধিছে :

*৪৩৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মৰিগাওঁ মহকুমাৰ মৰিগাওঁ ভকতগাওঁ হৈ জাগীৰোড পথ ছোৱা কলা পৃষ্ঠ হবলৈ আৰু কিমান বাকী আছে জনাবনে ?

(খ) কলাপৃষ্ঠ হবলৈ বাকী থকা পথছোৱা তত্কালিনভাবে কলাপৃষ্ঠ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) মৰিগাওঁ ভকতগাওঁ হৈ জাগীৰোড পথছোৱাৰ ৩·৯৩৫ কিঃ মিঃ কলাপৃষ্ঠ কৰিবলৈ বাকী আছে ।

(খ) বাকী থকা পথছোৱা ১৯৮৮-৮৯ চনৰ ভিতৰত পকীকৰণ সম্পুৰ্ণ হব ।

**Re : Dilapidated condition of P. W. D. Road in Silchar town.**

Shri Karnendu Bhattacharjee asked :

*436. Will the Minister of P. W. D. be pleased to state .

(a) Whether it is a fact that the P. W. D. Roads in Silchar Town is the deplorable condition ?

(b) If so, what stets Government propose to take before the rainy season is coming.

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) শিলচৰ নগৰৰ ৩৯ (উনচল্লিশ) টা পথৰ ভিতৰত মাত্ৰ (দহ) টা পথৰ অৱস্থা ভাল নহয় ।

(খ) এই ১০ (দহ) টা পথৰ ৭ (সাত) টাৰ মেৰামতিৰ কাম ইতিমধ্যে হাতত লোৱা হৈছে । বাকী ৩ (তিনি) টাৰ কাম পুঁজি পালেই লোৱা হব ।

**বিষয়ঃ বঙাইগাওঁ ডিভিজনৰ অন্তৰ্গত গড়কাপ্তানী পথ উন্নতিকৰণ ।**

শ্ৰীগনেশ বড়োৱে সুধিছে :

* ৪৩৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কোকৰাঝাৰ জিলাৰ বঙাইগাওঁ ডিভিজনৰ অন্তৰ্গত

(১) বিজনীৰ পৰা কুক্লুং আৰু সুভাইঝাৰলৈ যোৱা গড়কাপ্তানী পথ

(২) বিজনীৰ পৰা মাজ্ৰ পাটকিগুৰীলৈ যোৱা গড়কাপ্তানী পথ

(৩) বিজনীৰ পৰা পানবাৰীলৈ যোৱা গড়কাপ্তানী পথ আৰু

(৪) পাতিলা দহাৰ পৰা পানবাৰীলৈ যোৱা গড়কাপ্তানী পথ কেইটা কেতিয়া উন্নিত কৰা হব জনাবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) উল্লেখিত আটাইকেইটা পথ বাৰ্ষিক পৰিকল্পনাৰ শিতানত মঞ্জুৰী অনুসৰি পৰ্য্যায়ক্ৰমে উন্নীতকৰণ কৰা হৈছে। সম্পূৰ্ণ উন্নীতকৰণ বাৰ্ষিক পৰিকল্পনাৰ মঞ্জুৰীৰ ওপৰতেই নিৰ্ভৰ কৰে।

শ্ৰীগনেশ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ এই ৰাস্তা কেইটাত বাচ চলাচল কৰিব পৰা ৰাস্তা কিন্তু ৰাস্তা কেইটা উন্নীত কৰা কথাটো মন্ত্ৰী মহোদয়ে যি ধৰণে উত্তৰ দিছে তেনেকুৱা নহয়। বাৰিষা আহিলেই বৰষুণ পৰিলেই এই ৰাস্তা কেইটাৰ মাজেৰে পানী বৈ যায় কাৰণ ৰাস্তাৰ মাজদোখৰ দ, দুয়োকায ওখ গতিকে কাষেৰে পানী বৈ নাযায়। বাৰিষাকালত ৰাস্তা বন্ধ হৈ থাকে। গতিকে এই পৰিস্থিতিত ৰাস্তা কেইটাৰ উন্নতিৰ বিষয়ে কি কৰিব বিচাৰিছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানি মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই ৰাস্তা কেইটা উন্নতি কৰিবলৈ বহু টকাৰ প্ৰয়োজন কিন্তু টকাৰ অভাৱৰ কাৰণে কাম হোৱা নাই। বিজনীৰ পৰা কুকলংলৈ যোৱা ৰাস্তাটোত বহুত দলং আছে কিন্তু বিজনীৰ পৰা মাক্সা পাটকিগুৰিলৈ যিটো ৰাস্তা, মই নিজেও স্বীকাৰ কৰিছো উন্নতি কৰিব লাগে কিন্তু টকা নহোৱা কাৰণে উন্নতি কৰিব পৰা নাই। ১৯৮৮-৮৯ চনৰ এফ-ডি-আৰৰ কিছু টকা তাত খৰছ কৰা হব কিন্তু একেলগে উন্নতি কৰিবলৈ বহুলাখ টকা লাগিব। সেয়ে ফেজওৱাইজ কৰা হব।

শ্ৰীহেমেন দাস : বিজনীৰ পৰা পানবাৰী আৰু পাতিলাদহাৰ পৰা পানবাৰীলৈ যোৱা যি দুটা ৰাস্তা এই ৰাস্তা দুটা অতি দৰ্কাৰী ৰাস্তা কাৰণ এই ৰাস্তাৰে কৃষক সকলে তেওঁলোকৰ কৃষিজাত সামগ্ৰী কঢ়িয়াই বেচা-কিনা কৰিব লাগে। গতিকে এই ৰাস্তা দুটা উন্নতি কৰাৰ ব্যৱস্থা সোনকালে লব নে ?

শ্ৰীঅতুল বৰা, (গড়কপ্তানি মন্ত্ৰী) : আমি চাৰিওটা ৰাস্তাকে কৰিবলৈ বিচাৰিছো ফেজ ওৱাইজ/এতিয়া যিটো তেখেত সকলে অগ্ৰাধিকাৰ দিছে আমি প্ৰথমে সেইটোকে লম।

শ্ৰীগনেশ বড়ো : অধ্যক্ষ মহোদয়, মোৰ নিজৰ ঘৰ পানবাৰীত। বিজনী পানবাৰী বা পাতিলাদহাৰ পৰা পানবাৰী এই ৰাস্তা দুটাই মই ঘৰৰ পৰা অহা যোৱা কৰা ৰাস্তা। ৰাস্তা দুয়োটাৰে বেয়া অৱস্থা। সেই ৰাস্তাত বাৰিষা আহিলে খোজকাঢ়িয়ে যাব নোৱাৰি। মই নিজে খোজকাঢ়ি আহি নেচনেল হাইৱেত গাড়ী ধৰো, বাকী ৰাইজৰ কথা কি হব পাৰে ? মন্ত্ৰী মহোদয়ে কৈছে যে

গোটেই ৰাষ্টা কেইটা লোৱা ব্যয় বহুল কিন্তু পাতিলাদহাৰ পৰা পানবাৰীলৈ যিটো ৰাষ্টা তাৰ ৮০০ মিটাৰ Black top হৈছে ৮ কি. মি. ৰ উক্ত ৰাষ্টা সোনকালে পকি কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) : মই এজনে কওঁতে কৰিম বুলি কৈছো। এতিয়া তুজনে কৈছে যেতিয়া কৰিমেই।

## বিষয় : নকাৰীৰ ৰেলৱে ক্ৰচিংত অভাৰ ব্ৰীজ নিৰ্মাণ।

শ্ৰীজগত হাজৰিকাই সুধিছে :

* ৪৩৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৬নং নগৰৰ নকাড়ীৰ ৰেলৱে ক্ৰচিংত এখন অভাৰ ব্ৰীজ দিয়াৰ পৰিকল্পনা বৰ্তমান বছৰত লৈছে নেকি ?

(খ) যদি লৈছে কেতিয়াৰ পৰা ইয়াক কাৰ্য্যকৰী কৰিব ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে ) উত্তৰ দিছে :

(ক) চৰকাৰৰ হাতত বৰ্তমান তেনেকুৱা পৰিকল্পনা নাই।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীদিলীপ কুমাৰ শইকীয়া সোনোৱাল : অধ্যক্ষ মহোদয়, এই ৰাস্তাটোৰ গুৰুত্ব বুজি বিশেষকৈ পশু চিকিৎসা মহাবিদ্যালয় আৰু তুশ খন বিচনাযুক্ত হস্পিটালৰ বৰ্তমান এই অভাৰ ব্ৰীজ এখনৰ নিতান্ত দৰকাৰ হব ভাবি কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি ইয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, অভাৰ ব্ৰীজ আৰু ৰেলৱে ক্ৰচিঙৰ ক্ষেত্ৰত কিছুমান নিয়ম বন্ধা আছে আৰু সেই নিয়ম মতে নপৰিলে আমাৰ অসম চৰকাৰে টকাখিনি দিবলগীয়া হওঁ। কিন্তু কেন্দ্ৰীয় নিয়ম মতে হলে আমি গড়কাপ্তানী বিভাগৰ পৰা শতকৰা পঞ্চাশ ভাগ দিলেই হয়। বাকীখিনি কেন্দ্ৰীয় ভাবে দিয়ে। কিন্তু নিয়মত নপৰা কাৰণে আমি গোটেইখিনি দিবলগীয়া হয়। নিয়মটো হ'ল তেওঁলোকৰ হিচাব আছে কিমান খন গাড়ী মটৰ ক্ৰচ কৰে আৰু তাৰ ওপৰত ভিত্তি কৰি ইউনিট কৰে কিন্তু আমাৰ হিচাব মতে যিমান গাড়ী মটৰ পাৰ হয় তাক দহেৰে পূৰণ কৰিলেও সেইটো নহয়গৈ। ফলত এইটো নিয়মত নপৰে কাৰণে আমি অভাৰ ব্ৰীজ বনাব নোৱাৰো আৰু বনালেও সমষ্ট টকা গড়কাপ্তানী বিভাগে দিব লাগিব। সেই কাৰণে কৰিব পৰা নাই আৰু আঁচনিও কৰা নাই।

শ্ৰীদিলীপ কুমাৰ শইকীয়া সোনোৱাল : অধ্যক্ষ মহোদয়, এই নৰ্মচ্ কিমান দিনৰ ভিতৰত পূৰণ হব বুলি ভাবে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো নিৰ্ভৰ কৰিব যিমান বেছি গাড়ী মটৰ চলাচল কৰে। তেখেতসকলে যিমানেই বেছিকৈ গাড়ী মটৰ চলাব তাৰ ওপৰত নিৰ্ভৰ কৰিব।

শ্ৰীদুৰ্গাদাস বড়ো : অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় ৰেলওৱে মন্ত্ৰীৰ লগত আলোচনা কৰি অভাৰ ব্ৰীজৰ তলেৰে ৰেল গাড়ী আৰু ওপৰেদি মটৰ গাড়ী যোৱাৰ ব্যৱস্থা কৰিবনেকি ?

শ্ৰীঅতুল বৰা, (গড়কাপ্তানী মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো আগৰ পৰা চলি থকা ৰেলওৱে লাইন। সেই কাৰণে তেনে ভাবে কৰা হৈছে। কিন্তু গুৱাহাটীৰ বাহিৰেৰে নিয়াৰ কাৰণে মই যেনেকৈ সমৰ্থন দিছো সেই ভাবে সকলোৱে দিলেহেঁতেন যদি তেতিয়া ধৰিবলৈ ভাল হ'লহেতেন কিন্তু গোটেই ৰেল লাইনটো ওপৰেৰে যাব আৰু মটৰ গাড়ী আদি তলেদি যাব সেইটো কৰা এতিয়া সম্ভৱ নহয়।

## বিষয় : বিহগুৰি টুমুকি কৃষি পামৰ উৎপাদন।

শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছে :

* ৪৩৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বিহগুৰি মৌজাৰ বিহগুৰি টুমুকি কৃষি পাম খনৰ যোৱা বছৰৰ মুঠ উৎপাদন কিমান হৈছে ?

(খ) এই উৎপাদন খিনি কি কামত ব্যৱহাৰ কৰা হব ?

(গ) বানপীড়িত অঞ্চল বিহগুৰি মৌজাৰ বাবে আগন্তুক কৃষিবৰ্ষৰ বাবে উক্ত ফাৰ্মখনত কিবা আঁচনি লৈছে নে ?

(ঘ) যদি লৈছে কেনে ধৰণৰ ?

(ঙ) যদি নাই লোৱা কৃষকৰ উপকাৰত অহা কৃষি সাহাৰ্য্য আঁচনি লবনে ?

(চ) ফাৰ্মখনৰ ভঙাঘৰ সমূহৰ পুনৰ মেৰামতিৰ ব্যৱস্থা কৰিছেনে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৬-৮৭ চনত বিভিন্ন জাতৰ ধানৰ উৎপাদন ২৪.৯৮ কুইণ্টল হৈছে ১৯৮৭-৮৮ চনৰ উৎপাদনৰ পৰিসংখ্যা সদনত দিয়া হ'ল।

(খ) সাধাৰণতে উৎপাদিত শস্যখিনি বীজ হিচাবে ব্যৱহৃত হয়_

(গ) আৰু (ঘ) এই বছৰ ৯ হেক্টৰ মাটিত প্ৰমানিত অধিক উৎপাদনক্ষম জাতৰ ধানৰ খেতি কৰাৰ ব্যৱস্থা লোৱা হৈছে আৰু ২ হেক্টৰ মাটিত প্ৰমানিত সৰিয়হৰ খেতি কৰাৰো ব্যৱস্থা লোৱা হৈছে। ইয়াৰ বাহিৰে অন্য আঁচনি লোৱা নাই।

(ঙ) কৃষকৰ উপকাৰৰ কাৰণে বিভিন্ন কৃষি আঁচনিৰ অধীনত ৰেহাই সাহাৰ্য্য আগ বঢ়োৱা হয়।

(চ) মেৰামতি কৰণৰ ব্যৱস্থা লোৱা হব।

শ্ৰীপ্ৰফুল্ল গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, নেশ্যনেল হাইওৱেৰ কাষত মোৰ সমষ্টিত থকা কৃষি ফাৰ্ম এখন বহু দিনৰ পৰা সমালোচনাৰ উৎস হৈ আছে গতিকে মই মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ জনাওঁ যেন এই বিহগুৰি টুমুকি কৃষি পাম খনৰ অৱস্থা এই নতুন কৃষি বৰ্ষতে কিবা নতুন এটা আঁচনি লৈ হলেও উন্নত কৰাৰ কাৰণে ব্যৱস্থা লব লাগে আৰু এখন আদৰ্শ কৃষি পামলৈ ৰূপান্তৰিত কৰাৰ প্ৰচেষ্টা হাতত লবনে?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, নেশ্যনেল হাই ওৱেৰ কাষত থকা। এই খন পাম যে অকলে আছে সেইটো নহয়, অসমৰ ৫২ খন কৃষি পামৰ অৱস্থাই ভাল নহয় আৰু সেই কাৰণে প্ৰতিখনৰ পৰা প্ৰতিবেদন বিচাৰি সেই অনুক্ৰমে ব্যৱস্থা লবলৈ বিচৰা হৈছে। প্ৰতিবেদন আহি পোৱাৰ পিচতে উন্নীতকৰণৰ ব্যৱস্থা হাতত লোৱা হব।

## বিষয় : বান পানীত ক্ষতিগ্ৰস্ত পথ আৰু দলং সমুহ পুনৰ নিৰ্মানৰ ব্যৱস্থা।

শ্ৰীভবেন্দ্ৰ নাথ ভৰালীয়ে সুধিছে :

* ৪৪০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৭ চনৰ বান পানীত ক্ষতিগ্ৰস্ত হোৱা পথ আৰু দলং সমূহ পুনৰ নিৰ্মাণৰ বাবে ব্যৱস্থা লোৱা হৈছে নে?

(খ) যোৰহাটত বান পানীত ক্ষতিগ্ৰস্থ হোৱা পথ আৰু দলং সমূহৰ নাম জনাবনে?

(গ) সেই ক্ষতিগ্ৰস্থ পথ আৰু দলং সমূহৰ পুনৰ নিৰ্মাণৰ বাবে কিমান টকা দিয়া হৈছে?

(ঘ) মালো বান্ধ নামৰ পথটি মেৰামতিৰ বাবে F. D. R. শিতানৰ পৰা কিমান টকা দিয়া হৈছে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, পুঁজিৰ আবণ্টন অনুপাতে লোৱা হৈছে।

(খ) যোৰহাট পথ সংমণ্ডলৰ এলেকাৰ ভিতৰত ক্ষতিগ্ৰস্ত হোৱা পথ আৰু দলং সমূহৰ তালিকা এখন বিধান সভাৰ মজিয়াত ৰখা হৈছে। ( See the list Annexure )

(গ) যোৰহাট পথ সংমণ্ডলত ৭৪,০০ লাখ টকাৰ আবণ্টন দিয়া হৈছিল।

(ঘ) মালো বান্ধ নামৰ পথটিৰ মেৰামতিৰ বাবে চৰকাৰৰ তৰফৰ পৰা আচুতিয়াকৈ কোনো ধন দিয়া হোৱা নাই।

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে যে ১৯৮৭ চনত বানপানীত ক্ষতিগ্ৰস্ত হোৱা পথ আৰু দলং সমূহ পুনৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। সেইটো ভাল পাইছো কিন্তু কিছুমান সমষ্টিত যোৱা বছৰ ক্ষতিগ্ৰস্ত হোৱা পথ আৰু দলং মেৰামতিৰ কাম হাতত লোৱা হোৱা নাই। বিশেষকৈ গোলাঘাট সমষ্টিৰ কাকডোঙা, চিঙপোৰা আৰু দহোতিয়া দলং লোৱাৰ ব্যৱস্থা কৰা নাই। এইটো গড়কাপ্তানী বিভাগৰৰ পৰা ব্যৱস্থা লোৱাৰ দিহা কৰিবনে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীঅতুল বৰা, ( গড়কাপ্তানী মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, যিখিনি এফ-ডি-আৰৰ টকা পোৱা হৈছিল, সেই খিনি বিলাই দিয়া হৈছে। এতিয়া আৰু টকা নাই। গোলাঘাটতো দিয়া হৈছে। গোটেই অসমতে দিয়া হৈছে। সেই টকাৰে যি পৰা হয় কৰা হব। তাৰ বাহিৰে বাকী ১৯৮৮-৮৯ চনৰ ৰাজ্যিক পৰিকল্পনাৰ টকাৰে কৰিবলগীয়া হব। আৰু সেই মতে কৰাও হব।

শ্ৰীদেবেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় যোৰহাটৰ বগাপাৰালৈ যাওঁতে তাত ৰাজহুৱা ভাবে প্ৰতিশ্ৰুতি দিছিল কাম খিনি কৰা হব বুলি সেইটো কি কৰিব জানিব বিচাৰিছো।

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই তেনে প্ৰতিশ্ৰুতি দিয়া মনত নপৰে। সাধাৰণতে মই প্ৰতিশ্ৰুতি তেনেকৈ নিদিওঁ। প্ৰতিশ্ৰুতি নিদিলেও ইতিমধ্যে সেই ঠাইৰ কাৰণে টকা দিয়া হৈছেই। অৱশ্যে এইটো ঠিক সেইটকাৰে কাম খিনি সম্পূৰ্ণ নহলেও কিছু নিশ্চয় হব সেইটো সুনিশ্চিত।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মঙ্গলদৈলৈ যাওঁতে মন্ত্ৰী ডাঙৰীয়াৰ গাড়ী চলিব নোৱাৰা কাৰণে ৰাস্তাত গাড়ী বন্ধ হৈ গৈছিল আৰু তেতিয়া ৰাইজে ঠেলি দিয়াত মন্ত্ৰীয়ে গাড়ী লৈ গৈছিল অথচ সেই ঠাইত এতিয়া এফ-ডি-আৰৰ টকা নিদি অন্য ঠাইতহে দিছে। এতিয়া সেই ঠাইৰ ৰাইজৰ মনত কি ভাব হব ? আৰু মন্ত্ৰী ডাঙৰীয়াৰ এই কথা মনত থকা স্বত্বেও টকা দিয়া নাই।

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মঙ্গলদৈ লৈ এফ-ডি-আৰৰ টকা দিয়া হৈছে। যি খন দলং ভাল নকৰিলে ৰাইজৰ অসুবিধা হয় সেইটো স্থানীয় ভাবে বেছিকৈ জানিব আৰু সেই মতে ইঞ্জিনীয়াৰে সেই খনৰেই কাম কৰিব নিশ্চয়। তথাপিও যদি ঠিক মতে হোৱা নাই লিখিত ভাবে দিলে মই ব্যৱস্থা লব পাৰিম।

শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মই লিখিত ভাবে গড়কাপ্তানী কমিচনাৰ আৰু এডিচনেল চীফ ইঞ্জিনীয়াৰক দিছো কিন্তু ব্যৱস্থা একো লোৱা নাই। ৰাইজৰ প্ৰতিনিধি হিচাবে লিখি দিয়া স্বত্বেও একো কৰা নাই। এইটো মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা ল'বনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) : অধ্যক্ষ মহোদয়, তেখেতে বহুতেই লিখে আৰু মই সেইমতে ব্যৱস্থা লওঁ। তেখেতে কমিশানাৰ আৰু চীফ ইঞ্জিনীয়াৰক দিয়া বুলি কৈছে কিন্তু মোক কিয় দিয়া নাই ?

শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই মই বহুত কাগজ দিয়া বুলি কৈছে তাৰ ভিতৰতে আছে এই খন কাগজো। কিন্তু মন্ত্ৰীক দিয়াৰ পিচত কাম নোহোৱা কাৰণেহে অফিচাৰক আকৌ দিছো।

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী) : অধ্যক্ষ মহোদয়, তেখেতে যি দুই এটা কামৰ কাৰণে কাগজ দিছে তাৰ ভিতৰত এই খন কাগজ নাই বুলি মই নিশ্চিত। তেখেতে বোধহয় গাড়ী ঠেলিবলগীয়া হৈছিল যেতিয়া মন্ত্ৰী ডাঙৰীয়াৰ মনত থাকিব, এই ভাবি কমিচনাৰ আৰু চীফ ইঞ্জিনীয়াৰৰ তাত কাগজ দিছে। গাড়ী ঠেলা কথা মোৰো মনত আছে।

শ্ৰীগণেশ কুটুম : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে মন্ত্ৰীৰ গাড়ী ৰাইজে ঠেলিছিল কাৰণে তাত টকা দিব লাগে বুলি কৈছে। কিন্তু মই কব বিছাৰিছো মোৰ সমষ্টিলৈ মন্ত্ৰী ডাঙৰীয়া যাওঁতে গাড়ীতো যাবই নোৱাৰে মোৰ নিজৰ জীপ গাড়ীত মই নিজে চলাই লৈ মন্ত্ৰী ডাঙৰীয়াক ঠাইবোৰ দেখুৱাইছো।

আকৌ কোনো কোনো ঠাইলৈ জীপ গাড়ীও নাযায় কাৰণে খোজকাঢ়ি যাবলগীয়া হৈছো। আকৌ এনে কিছুমান ঠাই আছে য'লৈ খোজকাঢ়িও যাব নোৱাৰি। তালৈ নাওঁ বন্দবস্ত কৰি নাৱেঁৰে গৈছো আৰু মন্ত্ৰী মহোদয়কো লৈ গৈছো। গতিকে গাড়ী ঠেলিবলগীয়া ঠাইতকৈও গাড়ী নোযোৱা বা নাৱেঁৰে যাবলগীয়া ঠাইলৈকেহে অগ্ৰাধিকাৰ দিব লাগে। কিয়নো তাত ঠেলিবলগীয়া হ'লেও গাড়ী গৈছে অন্ততঃ কিন্তু মোৰ সমষ্টিলৈ গাড়ীয়েই নাযায়।

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী): অধ্যক্ষ মহোদয়, কথা হৈছে মাজুলী আৰু গহপুৰত বেছি ক্ষতিগ্ৰস্ত হৈছে। কিন্তু যিমান বিলাক ক্ষতি হৈছে সেই জোখাৰে টকা নাই। আমাৰ গড়কাপ্তানী বিভাগৰ দহ বছৰৰ টকা লগ লগাই দিলেও তাৰে নোজোৰে। তেখেতে যিমানৰ এষ্টিমেট দিছে সিমান খিনি কৰিব পৰা নহব তথাপি যদিও যিমান ক্ষতি হৈছে সেই পৰিমাণে আগৰ অৱস্থালৈ ঘূৰাই অনা সম্ভৱ এতিয়াই নহব তবু এইটো কথা ঠিক যে কিছু কাম হ'ব আশা কৰিছো।

শ্ৰীকিৰণ গগৈ: মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে যলৈকে গৈছে তাতেই কৰবাত গাড়ী ঠেলিবলগীয়া হৈছে আৰু কৰবাত নাৱঁৰে যাবলগীয়া হৈছে কিন্তু যিবিলাক ঠাইত তেখেতে কোনো দিনে যোৱা নাই সেই বিলাক ঠাইত ৰাস্তা-ঘাট নিৰ্মাণৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিব নেকি?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, অসম খনত ইমান ৰাস্তা আছে যে বিধান সভাত অনুপস্থিত থাকি ৩৬৫ দিন গোটেই অসমতে ঘূৰি পাচ বছৰতো গোটেই অসমৰ ৰাস্তা কভাৰ কৰাতো সম্ভৱপৰ নহব। যি গৰাকী মাননীয় সদস্যই উত্থাপন কৰিছে তেখেতৰ সমষ্টিত মই গৈছো, মই যাওঁতে আকৌ তেখেত তাত উপস্থিত নাছিল। ৰাস্তা-ঘাট বিলাক তাত মোক ৰাইজে দেখুৱাই দিছে। ফলত ডেমেজ ৰিপিয়াৰিংৰ যিটো কথা কৈছে সেই বিষয়ে মই ক'ব খোজো যে কেন্দ্ৰীয় চৰকাৰে টকা দিয়াত দেৰী কৰিছে। যোৱা বছৰ পাচবাৰ বানপানী হৈছে এটা বানপানীৰ ফলত ডেমেজত ৰিপিয়াৰিংৰ হিচাব কৰি থাকোতেই আন এটা বানপানী আহি গৈছে। এনেদৰে এটা এটাকৈ পাচটা বানপানী আহি আমাৰ ৰাস্তা-ঘাট সম্পূৰ্ণ বিনষ্ট কৰিছে। যোৱা বছৰৰ বানপানীৰ সময়তো কৈছিলো আৰু এতিয়াও কও যে অসমৰ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহ কণ্ট্ৰোল কৰাত যদি পৰ্যাপ্ত পৰিমানৰ ধন খৰচ কৰি বানপানী প্ৰতিৰোধ কৰিব পৰা নাযায় তেতিয়াহলে অসমৰ অৰ্থনীতি লাহে লাহে

ভাঙি পৰিব আৰু পিচত গৈ একেবাৰে দুৰ্বল হৈ পৰিব। সেয়ে আমাক ৰাস্তা নালাগে বুলি কওক দলং নালাগে বুলি কওক, শিক্ষা, স্বাস্থ্য একো নালাগে বুলি কওক কেবল বানপানীটো যদি নিয়ন্ত্রন কৰিব পৰা হয় তেতিয়াহলে অসমৰ বহু খিনি অসুবিধা দূৰ হব আৰু উন্নতি হব। গতিকে গোটেই বিলাক বিভাগ বাদ দি কেবল ফ্লাড কণ্ট্রোলতেই সমস্ত টকা-পইচা খৰচ কৰি অসমৰ বানপানীটো যদি নিয়ন্ত্রন কৰিব পৰা হয় তেতিয়াহলেও আমাৰ বহু খিনি কাম হব। নহলে ৰাস্তা বিলাক বনাই থাকিম, দলং বিলাক বনাই থাকিম, আৰু প্ৰতি বছৰেই বানপানী আহি এইবোৰ ভাঙি পেলাব আৰু আমিয়ো বিধান সভালৈ আহি ইয়াৰ উত্তৰ দি থাকিব লাগিব, বাননিয়ন্ত্রন কৰিব নোৱাৰিলে এনেকুৱা অৱস্থাই হৈ থাকিব।

## Unstarred Questions & Answers

### বিষয়ঃ লাকুনি পথৰ অৱস্থা।

শ্ৰীনৰেন তাঁতীয়ে সুধিছে ঃ

৮৫৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মৰিয়নী সমষ্টিৰ অন্তৰ্গত লাকুনি পথ নামেৰে এটি পথ আছে বুলি চৰকাৰে জানেনে ?

(খ) যদি জানে, পথটোৰ অৱস্থা এতিয়া কেনে হৈ আছে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়, ন-কছাৰী লাখনী নামেৰে এটা পথ আছে।

(খ) আংশিক ভাবে শোচনীয়।

**Re: Rabi Seeds distributed among the flood affected Agriculturist.**

Shri Aminul Islam asked :

857 : Will the Minister of Agriculture be pleased to State :

(a) What were the items of "Rabi Seeds" distributed free of cost among the last years flood affected Agriculturists throughout the State of Assam ?

(b) How much money spent on the free distribution of the aforesaid seeds?

(c) Who were entrusted with the job of supplying seeds?

(d) Is it a fact that the seeds meant for different areas did not reach the destinations before the expiry of season in most of the cases?

(e) Is it also fact that certain flood affected areas have been distributed with only a fraction of the total quantity of seeds earlier sanctioned and that is of course at the fag end of the season?

(f) If yes, the reasons for such delay and failure?

Shri Chandra Mohan patowary (Minister Agriculture) replied :

(a) Items of Rabi seeds were Wheat, pea, mustard and lentil seeds.

(b) Rs. 5, 30, 58, 700/-

(c) Assam Seeds Corporation Ltd. and Statfed.

(d) No. The seeds reached distination in time and distributions were completed within the sowing time as well.

(e)
(f) Seeds were distributed and according to actual requirement and availability within the sowing period. However in some places the distribution was less than the original allotment due to nonavailability of seeds.

বিষয়ঃ বৰকান্দা নয়াহাট সাপটগ্ৰাম ৰাস্তাৰ ব্লেক টপিং।

শ্ৰীইউছুফ আলী আহমেদে সুধিছে ঃ

৮৫৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰকান্দা নায়াহাট সাপটগ্ৰাম ৰাস্তাটো কিমান খিনি ব্লেক টপিং সম্পূৰ্ণ হৈছে আৰু কিমান খিনি বাকী আছে?

(খ) ১৯৮৭-৮৮ চনত ব্লেক টপিংৰ বাবে কিমান টকা মঞ্জুৰী দিয়া হৈছে?

(গ) বাকী সম্পূৰ্ণ ৰাস্তা ব্লেক টপিং কৰাৰ কাৰণে ১৯৮৮-৮৯ চনৰ ধাৰ্য্য কৰা

টকাৰ পৰা বিশেষ মঞ্জুৰী দি হলেও কাম সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰকান্দা নয়াহাট সাপটগ্ৰাম ৰাস্তাটোৰ মুঠ ৩.৪১৬ কিঃ মিঃ ৰাস্তা কলাপৃষ্ঠ কৰা হৈছে আৰু ১৩৫৮৪ কিঃ মিঃ ৰাস্তা বাকী আছে।

(খ) ১৯৮৭-৮৮ চনত কলাপৃষ্ঠৰ বাবে মঞ্জুৰী দিয়া হোৱা নাই।

(গ) পৰা নাযাব, যিহেতু প্ৰায় ৬০ লাখ টকাৰ দৰ্কাৰ।

**বিষয় : বনজ সম্পদৰ পৰীক্ষণ চকীৰ দ্বাৰা ধৰা গোচৰ।**

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

৮৫৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) উজনী অসমৰ বন সংমণ্ডলৰ অধীনত থকা বনজ সম্পদৰ পৰীক্ষণ চকী (ছেকগেট) বোৰত আজিলৈকে কেইটা গোচৰ ধৰা পৰিছে ? (বন সংমণ্ডলৰ ভিত্তিত দিব)

(খ) কিমানটা গোচৰ আদালতত ৰুজু কৰা হৈছে ?

(গ) ৰুজু কৰা গোচৰৰ পৰা বন বিভাগে কিমান টকা আদায় পাইছে জনাবনে ?

(ঘ) মুঠ পৰীক্ষণ চকীৰ সংখ্যা কিমান ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰটোত উজনি অসম চক্ৰৰ বন পৰীক্ষণ চকীবোৰত তলত দিয়া ধৰণেৰে গোচৰ ধৰা কৰিছে—

| | | |
|---|---|---|
| গোলাঘাট সংমণ্ডল | — | ৪০ |
| যোৰহাট সংমণ্ডল | — | ১৪ |
| ডুমডুমা সংমণ্ডল | — | ১৭ |
| ডিগবৈ সংমণ্ডল | — | ৬০ |

(খ) ১৯৮৭-৮৮ চনৰ বিত্তীয় বচৰটোত উজনী অসম চক্ৰৰ বন পৰীক্ষণ চকীবোৰত ধৰা পৰা গোচৰবোৰ তলত দেখুৱা ধৰণেৰে আদালতত ৰুজু কৰা হৈছে।

| | | |
|---|---|---|
| গোলাঘাট বন সংমণ্ডল | — | ২৪ টা |
| যোৰহাট সংমণ্ডল | — | নাই |
| ডুমডুমা সংমণ্ডল | — | ৭ টা |
| ডিগবৈ সংমণ্ডল | — | ৬ টা |

(গ) ১৯৮৭ ৮৮ চনৰ বিত্তীয় বছৰটোত উজনী অসম চক্ৰৰ বন পৰীক্ষণ চকী-বোৰত বুজু কৰা গোচৰৰ পৰা তলত দিয়া ধৰণেৰে টকা আদায় কৰা হয়—

গোলাঘাট সংমণ্ডল —— ৮,৯৭৬.২৬ টকা

যোৰহাট সংমণ্ডল —— নাই।

ডুমডুমা সংমণ্ডল —— ৩, ৭৮৮.৬৬ টকা

ডিগবৈ সংমণ্ডল —— ১, ১৪৬.৫৮ টকা

(ঘ) গোলাঘাট বন সংমণ্ডল — ১০ টা

যোৰহাট ,, — ১০ টা

ডুমডুমা ,, — ১৮ টা

ডিগবৈ ,, — ২৮ টা

ডিব্ৰুগড় ,, — ৫ টা.

Unstarred qpestion No. 860 was disallowed

## বিষয় : কৃষি বিষয়াৰ কাৰ্য্যালয়লৈ চৰকাৰী সামগ্ৰীৰ পৰিমান :

শ্ৰীশ্বেখ ছামান আলিয়ে সুধিছে :

৮৬১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে: গোৱালপাৰা জিলা কৃষি বিষয়াৰ কাৰ্য্যালয়লৈ ১৯৮৭-৮৮ চনৰ বাবে চৰকাৰৰ পৰা কি কি সামগ্ৰী কিমান পৰিমানৰ দিয়া হৈছিল ?

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে : ১৯৮৭-৮৮ চনৰ বাবে গোৱালপাৰা জিলাত চৰকাৰৰ পৰা দিয়া সামগ্ৰীৰ তালিকা সদনৰ মেজত ৰখা হ'ল।

( See the list at Annexure --II )

## বিষয় : অসমৰ মুঠ কাঠৰ দলং।

শ্ৰীদূৰ্গা দাস বড়োয়ে সুধিছে :

৮৬২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰীমহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) সমগ্ৰ অসমত মুঠ কিমানখন কাঠৰ দলং গড়কাপ্তানী বিভাগৰ অধীনত আছে ?

(খ) মহকুমা ভিত্তিক হিচাপ কৰিলে ওদালগুৰি মহকুমাত অসমৰ ভিতৰত আটাইতকৈ বেছি কাঠৰ দলং থকাতো সঁচা নেকি?

(গ) যদি সঁচা, ওদালগুৰি মহকুমাত কিমানখন মুঠ কাঠৰ দলং আছে ?

(ঘ) এই বৃহত সংখ্যক কাঠৰ দলঙৰ মেৰামতিৰ বোজালৈ লক্ষ্য ৰাখি ইয়াৰ সৰু সৰু দলংবোৰ পৰ্য্যায়ক্ৰমে "পকা পুল" দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৭৯১৭ খন।

(খ) নহয়।

[গ] প্ৰশ্ন নুঠে।

[ঘ] পুজিঁ আৰু প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তিকৰি পৰ্যায়ক্ৰমে ব্যৱস্থা লৈ থকা হৈছে।

**Re : Horticulture office at Hojai sub-division.**

Shri Ardhendu Kumar Dey asked :

863 : Will the Minister, Agriculture be pleased to state :

(a) Whether it is within the knowledge of the Government that there is no office for Horticulture at Hojai Sub-Division ?

(b) Will the Government be pleased to sanction a post of Assistant Horticulturist for Hojai Sub-division.

Shri Chandra Mohan Patowary (Minister, Agriculture) replied :

[a] yes .

[b] There is no proposal now to post Assistant Horticulturist at Sub-divisional level .

**বিষয় : গড়কাপ্তানী বিভাগৰ পথ আৰু গৃহ শাখাত মেৰামতিৰ বাবদ টকা আবণ্টন।**

শ্ৰীগুণীন হাজৰিকাই সুধিছে :

৮৬৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৬-৮৭ বিত্তীয় বছৰত গড়কাপ্তানী বিভাগৰ পথ আৰু গৃহ শাখাত সুকীয়া সুকীয়াকৈ মেৰামতি (মেইনটেনচ অব ৰিপিয়াৰ্চ) কামৰ বাবদ ৩০৫৪, ২০৫৯ আৰু ২২১৬ শিতানত কিমানকৈ টকা আবণ্টন পোৱা টকাৰ যোৱা ২৯।২।৮৮ পৰ্য্যন্ত উক্ত শিতান কেইটাত প্ৰকৃত খৰছ কিমান ?

(খ) ৰাষ্ট্ৰীয় নীতি অনুসৰণ কৰি নন্-প্লেনৰ ধন বিশেষকৈ মেৰামতিৰ কামত খৰছ নিয়ন্ত্ৰন কৰিবলৈ বছৰৰ আৰম্ভনিতে লোৱা কিবা কাৰ্য্যকৰী ব্যৱস্থা আছে

নেকি আৰু যদি আছে অসম চৰকাৰৰ গড়কাপ্তানী বিভাগে এই ব্যৱস্থা মানি চলেনে ?

(গ) এই কথা সঁচানে যোৱা ১৯৮৬-৮৭ বিত্তীয় বছৰত যোৰহাট পথ সংমণ্ডলে মেৰামতিৰ (মেইন টনচ্) কামৰ বাবদ বাৰ্ষিক মঞ্জুৰীকৃত ৮৮ লাখ টকাৰ বিপৰীতে ১ কৌটি ৪৭ লাখ টকা খৰচ কৰি বিত্তীয় নিয়ম উলংঘা কৰিছে ?

(ঘ) বিত্ত বিভাগে জনোৱা আপত্তিৰ পৰিপ্ৰেক্ষিতত এই বিষয়ত কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৮৬-৮৭ বত্তীয় বছৰৰ কাৰণে আবণ্টন দিয়া টকাৰ খৰছ কৰাৰ ম্যাদ বিত্তীয় বছৰৰ শেষত অৰ্থাৎ ৩১।৩।৮৭ তাৰিখত শেষ হৈছে । এই কাৰণে উপৰোক্ত আবণ্টন কৰা টকা ৩১।৩।৮৭ তাৰিখৰ পাছত খৰছ কৰাৰ কোনো প্ৰশ্ন নুঠে ।

(খ) ভাৰত চৰকাৰৰ দ্বাৰা নিৰ্দ্ধাৰিত নীতি ৰাষ্ট্ৰীয় ঘাই পথৰ মেৰামতিৰ বাবে পালন কৰা হয় । অন্যান্য পথৰ মেৰামতি সম্পৰ্কে অসম চৰকাৰৰ নিজা নীতি আছে আৰু এই নীতি মানি গড়কাপ্তানী বিভাগে কাম কৰে ।

(গ) বিত্তীয় নিয়ম উলংঘা কৰাৰ কথা সঁচা । যোৰহাট পথ সংমণ্ডল ১৯৮৬-৮৭ চনত ৰাস্তা মেৰামতিৰ শিতানত আবণ্টন পোৱা ৯৬.৫০ লাখ টকাৰ বিপৰীতে ১২০.১৫ লাখ টকা খৰছ কৰে ।

(ঘ) এই বিষয়ত বিশদ অনুসন্ধান কৰা হৈছে । আৰু বৰ্ত্তমানে বিহিত ব্যৱস্থাৰ বাবে চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

## বিষয়ঃ মাতমৰা ৰাজ্যিক চিকিৎসালয় খনৰ পুনৰ নিৰ্ম্মাণ ।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

৮৬৫।মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মাতমৰা ৰাজ্যিক চিকিৎসালয় খনৰ ঘৰ দুৱাৰ খিৰিকি আৰু বেৰবোৰ যোৱা আঠ বছৰে বছেৰেকীয়া পুনৰ নিৰ্মাণৰ আঁচনিত এবাৰো পুনৰ নিৰ্ম্মাণ নকৰা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে তেন্তে বছেৰেকীয়া পুনৰ নিৰ্মাণৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

(গ) যদি লোৱা নাই কিয় লোৱা নাই অনুগ্ৰহ কৰি জনাবনে ?

(ঘ) ভাঙি যোৱা ঘৰ তুৱাৰ খিৰিকিবোৰ জনসাধাৰণৰ স্বাৰ্থত চৰকাৰে অতি সোনকালে পুনৰ নিৰ্মাণ কৰিবলৈ ব্যৱস্থা লবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বছৰেকীয়া পুনৰ নিৰ্মাণ আঁচনি নাই কিন্তু ১৯৮৫-৮৬ চনত বিশেষ মেৰামতি কৰা হয় ।

(খ) প্ৰশ্ন নুঠে ।

(গ) প্ৰশ্ন নুঠে ।

(ঘ) চলিত বছৰত পুঁজি অনুসৰি কিছুমান ঘৰৰ মেৰামতিৰ কাম হাতত লোৱা হব কাৰণ এই ঠাইতে চৰকাৰে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ এখনৰ অনুমোদন দিছে আৰু নিৰ্ম্মাণ কৰিবলৈ লৈছে ।

**Re ; P W.D. Road From Nagaon To Sulung Via Rupahi.**

Shri Abul Hussain Sarkar asked :

866. Will the Minister, P.W.D. be pleased to state :

(a) Whether it is a fact that there is P.W.D. Road from Nagaon to Sulung via Rupahi—Singimari Lowkhowa Ambagan which is the oldest and shortest road to connect Tezpur Town ?

(b) If so, will the Government consider for Black Topoing of the said Road during the year 1988-89 ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) বাকী থকা অংশৰ পকীকৰনৰ কাম পুজিঁ পোৱাৰ ওপৰত নিৰ্ভৰ কৰে ।

**Re ; Money Allotted under P.W.D. for Mangaldoi Road division :**

Shri Silvius Candpan asked :

867. Will the Minister, P.W.D. be pleased to state :

(a) How much money has been allocated under F.D.R.

for Mangaldoi Road Division and how much has been spent Constituency - wise for i s in the said road Division during 1987-88 ?

(b) Inspite of work order aleady issued about few months ago why the special repairing work on Rowta station feeder road under Mangaldoi road division has not been started till now ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৮৭ চনৰ ডিচেম্বৰ মাহলৈ ১৮ লাখ টকাৰ মঞ্জুৰী দিয়া হৈছিল। শেষ কিস্তিৰ ৯ লাখ টকা বিত্তীয় বছৰ শেষ হোৱাৰ আগে আগে দিয়া হৈছে। সমষ্টি ভিত্তিত টকাৰ আৱণ্টন দিয়া নহয়।

(খ) প্ৰাথমিক কৰ্মাদেশ যদিও দিয়া হৈছিল বিশেষ মেৰামতি পুঁজিৰ অভাৱত আনুষ্ঠানিক কৰ্ম্মাদেশ দিব পৰা হোৱা নাছিল। এই কামটো বছৰৰ আৰম্ভনিত ব্যৱস্থা-লোৱা হৈছে।

## বিষয়ঃ নামচাং মীন মহলৰ পৰিচালক।

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) য়ে সুধিছে :

৮৬৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমান ডিব্ৰুগড় জিলাৰ বন প্ৰাধীকাৰীৰ তত্বাবধানত থকা জয়পুৰ সংমণ্ডলৰ এলেকাৰ "নামচাং মীন" মহলটোৰ পৰিচালক কোন ?

(খ) তেওঁক কোন নিয়মৰ জৰিয়তে বন্দোৱস্তী দিয়া হৈছিল ?

(গ) নিবিদা দিওঁতা সকলৰ ভিতৰত তেওঁ সৰ্ব্বোচ্চ ডাক দিওতা নেকি ?

(ঘ) নিবিদা দিয়া সময়ত উক্ত মহলৰ পৰিচালক জন চৰকাৰী ৰাজহৰ খিলাপী আছিল নেকি ?

(ঙ) বৰ্ত্তমানৰ পৰিচালক জনৰ চৰকাৰী ৰাজহৰ খিলাপী বুলি দিয়া আপিল বিভাগীয় কতৃপক্ষই মঞ্জুৰ কৰাটো সঁচানে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মাননীয় মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) শ্ৰীদয়া বসুমতাৰী।

(খ) অসম চেল অফ ফৰেষ্ট কূপচ এণ্ড মহলচ্ ৰুলচ্—১৯৭৭ চনৰ মতে।

(গ) নহয়।

(ঘ) নিবিদা দিয়াৰ সময়ত উক্ত মহলৰ পৰিচালক জন চৰকাৰী ৰাজহৰ খিলাপী নাছিল।

(ঙ) সচাঁ নহয়।

**Re : Total amount of money sanctioned for Hailakandi P. W. D Division**

Sri Digendra Purkayastha asked :

869. Will the Minister P.W.D. be pleased to state :

(a) What is the total amount of money sanctioned for Hailakandi P.W.D. ( Road ) Division against F.D.R works for the year 1987-88 ?

(b) Whether any work was done under jalenga and Dwarbond section ?

(c) If not, why ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৪ লাখ টকা।

(খ) এই দুটা খণ্ড বানপানীত ক্ষতিগ্ৰস্ত হোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

**Re : Amarghat Nagakhal Road :**

Shri Digendra Purkayastha asked :

870. will the Minister, P. W. D. be pleased to state.

(a) Whather it is a fact that the Amarghat Nagakhal road is closed for vehiculer traffic for the last 2(two) years ?

(b) If so, the steps taken by the Government to restord the said road ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়

(খ) পৰ্য্যাপ্ত পৰিমানৰ পুঁজি যোগাৰ কৰিব পাৰিলেহে মেৰামতিৰ কাম হাতত লব পৰা যাব।

**Re : Borjalenga and Dwarbond P. W. D. Section**

Shri Digendra Purkayastha asked :

871. Will the Minister, P. W. D. be pleased to state :

(a) Is there any proposal for returning the Borjelanga and Dwarbond P. W. D. Section to Silchar P. W. D. Division which are now under Hailakandi P. W. D. Division, though there areas belong to Silchar Civil Sub-Division ?

(b) If not, will the Government take steps to return those sections immediately ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কোনো প্ৰস্তাৱ নাই।

(খ) গড়কাপ্তানী বিভাগৰ শাখা মহকুমা ভিত্তিত স্থাপন কৰা নহয় কাৰণে এই প্ৰশ্ন নুঠে।

**Re : Money unspent under A. T. D. A.**

Shri Abdul Muqtadir Choudhury asked :

872. Will the Minister, W. P. T. be pleased to state :

The amount of money sanctioned but remained unspent during 1986-87 and 1987-88 under Tribal Development Authority ?

Shri Thaneswar Boro (Minister, W. P. T.) replied :

The amount of money sanctioned to the Assam Tribal Development Authority as grants-in-aid during the years 1986-87

and 1987-88 is Rs. 138·72 lakhs and Rs. 146·00 lakhs respectively.

Money remained unspent at the beginning of the years 1986-87 and 1987-88 is 427·00 lakhs and Rs, 379·00 lakhs respeetively. This includes accumulated unspent money sanctioned during the years 1983-84, 1984-85 and 1985--86 respectively.

**Re : Nilambazar Kanakpur Keotkuna P. W. D. Road**

Shri Abdul Muqtadir Choudhury asked :

873. Will the Minister, P. W. D. be pleased to state :

(a) Whether it is a fact that Nilambazar Kanakpur Keutkuna P. W. D. Road and Paldahar Ratabari P. W. D. roads within Karimganj P. W. D. Division are not fit for vehicular traffic.

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় ।

**বিষয় : ওদালগুৰি মহকুমাৰ অন্তৰ্গত ৰাস্তাৰ অৱস্থা ।**

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰীয়ে সুধিছে :

৮৭৪ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ওদালগুৰি মহকুমাৰ অন্তৰ্গত কলাইগাও হৰিশিঙা ৰাস্তা, মেনেকী ৰাস্তা, সৰু নগাওঁ পুথিমাৰী ৰাস্তা, কবিৰালি কুন্দৰ বিল ৰাস্তা, কলাই গাওঁ দমৰাপেটা ৰাস্তা, আন্ধেৰীঘাট জয়ন্তীপুৰ ৰাস্তা, মিছা হাতগোলা ৰাস্তা আৰু মঙ্গলদৈ মহকুমাৰ ৰাজাপুখুৰী এপ্ৰচৰোড, চামটিলা ভেৰভেৰি ৰাস্তা, ৰাজা পুখুৰী চামটিলা ৰাস্তা আৰু গুৰবান্ধা গোমঠা ৰাস্তা সমূহৰ শোচনীয় অৱস্থাৰ কথা চৰকাৰ অৱগতনে ?

(খ) যদি অবগত উক্ত ৰাস্তা সমূহ মেৰামতিৰ বাবে তৎকালিন বিহিত ব্যৱস্থা লোৱা হবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, চৰকাৰৰ অবগত ।

(খ) আৱশ্যকীয় ধনৰ অভাৱত মেৰামতিৰ কাম হাতত লব পৰা নাই। তুলনামূলক ভাৱে বেছি গুৰুত্বপূৰ্ণ ৰাস্তা সমূহৰ মেৰামতিৰ কাম সীমিত পুঁজিৰে হাতত লোৱা হব ।

## Re : Repairing of Roads and bridges in Mandia Development Block.

Shri A. F. Golam Osmani asked :

875. Will the Minister of P. W. D. be pleased to State :

(a) Total amount spent on original and repair works both roads and bridges done in Mandia Development Block area by Barpeta P. W. D. (R) Division in 1985-86 and 1986-87 ?

(please Quote expenditure with F. N. D. Scheme )

(b) What were the schemes on which the above expenditures were made in the period under reference ? ( please name the scheme with reference to the sanctioned amount and the amount spent).

(c) Total K. M. length of road in the area mecadamised in 1985-86 and 1986-87 ?

( please spacify the roads with respective length of mecadamisation )

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) উন্নয়ণ খণ্ডভিত্তিত কোনো খৰচৰ তালিকা গড়কাপ্তানী বিভাগে নেৰাখে। সংমণ্ডলত মৌলিক আৰু মেৰামতিৰ কামৰ খৰছৰ তালিকা 'ক' অনুবন্ধসূচীত দেখুৱা হ'ল। ( see at Annexure III 'A' )

(খ) আঁচনি সমূহৰ তালিকা 'খ' অনুবন্ধসূচীত উল্লেখ কৰা হ'ল। ( See Annexure III 'B' )

(গ) লিখিত সময়ৰ মেকা (ডেমাইজড) কৰা ৰাস্তাৰ দৈৰ্ঘ্য এনেধৰণৰ—

১৯৮৫-৮৬ চনত বৰপেটা বাঘমাৰা পথৰ ০.৫৪ কিলোমিটাৰ।

১৯৮৬-৮৭ চনত কোনো ৰাস্তা পকা (মেকাডেমাইজদ) কৰা হোৱা নাই।

**Re : Standard all weather road in Kalapani area of South Salmara.**

Shri A. F. Golam Osmani asked :

876. Will the Minister P.W.D. be pleased to state :

(a) Whether it is a fact that there is no standard all weather road in kalapani area of South Salmara Mankachar Sub-Division of Dhubri district since Independence ?

(b) Whether it is also a fact that due to non-construction of bridge on Sadullabari kalapani road, transport services could not operated to and from kalapani ?

(c) If so, what action the Goverment proposes to take for the construction of the bridge and to make sadulladari Kalapani road fit for bus services ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নহয়।

(খ) হয়।

(গ) পৰিকল্পনা শিতানত আৱশ্যকীয় পুঁজি পালে বিষয়টো বিবেচনা কৰিব পৰা যাব।

**Re : Illegal Extraction Of Forest Produces.**

Shri A. F. Golam Osmani asked :

877. Will the chief Minister, be pleased to state :

(a) Whether it is a fact that illegal extraction of forest produces has been continuing in Gharmura Range of Silchar

Forest Division in the fact of total restriction imposed by the State Government ?

(b) Whether it is a fact that more than 1400 severed logs were seized and stamps of another 1200 severed trees were found in the above mentioned forest range in 1987 ?

(c) Whether any case was registered and departmental proceedings initiated against the involved persons ?

(d) If so, what is the latest positions in respect of the case and proceedings ?

(e) Who are the officials and non officials found involved in the transaction ? please furnish names with designation of officials.

(f) What would be total revenue by way of roalty of the seized logs and timbers stolen ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মাননীয় মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, বেআইনীভাৱে গছ কটাটো সত্য ।

(খ) ১২৮৪ টা কাঠৰ টুকুৰা আৰু ১১৩৩ টা গছৰ মূঢ়া ঘৰমূৰা বনাঞ্চলত জব্দ কৰা হৈছে ।

(গ) কোনো কেচ নথিভূক্ত ( ৰেজিষ্টাৰ ) কৰা হোৱা নাই । কিন্তু জড়িত থকা বিষয়াৰ বিপক্ষে বিভাগীয় বিচাৰৰ ব্যৱস্থা লোৱা হৈছে ।

(ঘ) নিলম্বিত বিষয়াৰ বিপক্ষে বিভাগীয় বিচাৰৰ ব্যৱস্থা কৰি থকা হৈছে ।

(ঙ) শ্ৰীকে,এ মজুমদাৰ, বনপালক গেণ্ডাচেবা খণ্ড বন বিষয়া আৰু শ্ৰীযাদবেন্দ পুৰুকায়স্থ, বনপালক, ঘৰমূৰা খণ্ড বন বিষয়া অনা চৰকাৰী সকলৰ ভিতৰত জামিদাৰ শ্ৰীআফটাবুদ্দিন চৌধুৰী, কাবিচেৰাৰ শ্ৰীমাইনুদ্দিন লস্কৰ আৰু মাটিজুৰিৰ শ্ৰীহবিবুৰ ৰহমান লস্কৰ ।

(চ) ১২৮৪ টুকুৰা জব্দ কাঠৰ চৰকাৰী মূল্য ৭,৩৭,১৫৩·৬৭ আৰু ৯৯৪·৪৮ ঘন মিটাৰ চুৰ কৰি নিয়া কাঠৰ চৰকাৰী মূল্য ৪,৭৫,৫৭৫·২৭ ।

**Re : Arrear price of sleeper supplied for the year 1978-79**

Shri Maziruddin Ahmed asked :

878. Will the Minister of Forest be pleased to State :

Whether as stated in reply to the starred question No. 108 (c) dated 14th October, 1987. The arrear price of sleeper supplied for the year 1978-79 by the contractors Goalpara will be paid and if so when ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

হয়, দিয়াৰ ব্যৱস্থা হাতত লোৱা হৈছে। ১৯৮৮-৮৯ চনৰ ভিতৰত ধন আদায় দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

## বিষয় ঃ হেকৰা নগৰবেৰা ৰাস্তা।

শ্ৰীগোপী নাথ দাসে সুধিছে ঃ

৮৭৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

[ক] ১৯৮৭ চনৰ এপ্ৰিল, মে মাহত কামৰূপ জিলাৰ বকো সমষ্টিৰ "হেকৰা নগৰবেৰা ৰাস্তা" ব্লেকটপিংৰ কামখিনি চৰকাৰী নিয়ম অনুযায়ী কৰা হৈছেনে ?

[খ] যদি হৈছে, তেন্তে উক্ত ব্লেকটপিংৰ কামখিনি বৰ্ত্তমান বেয়া [ফাটি যোৱা] হোৱাৰ কাৰণ কি ?

[গ] যদি হোৱা নাই তেন্তে চৰকাৰে এইক্ষেত্ৰত অনুসন্ধান কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

[ক] হয়, হৈছে।

[খ] উক্ত কামখিনি বেয়া হোৱা নাই।

[গ] প্ৰশ্ন নুঠে।

## বিষয় ঃ নগৰবেৰা টিপলাই ৰাস্তা।

শ্ৰীগোপী নাথ দসে সুধিছে ঃ

৮৮০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰীমহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

[ক] কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰা টিপলাই ৰাস্তাত শিল নিদিয়াৰ কাৰণে অলপ বৰষুণ দিলেই যাতায়াতৰ ক্ষেত্ৰত অসুবিধা হোৱাৰ কথাটো চৰকাৰে জানেনে ?

[খ] যদি জানে তেন্তে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

[গ] যদি ব্যৱস্থা গ্ৰহণ কৰা নাই তেন্তে ইয়াৰ কাৰণটো জনাবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

[ক] হয়।

[খ] শিল দিয়া কামৰ বাবে ইতিমধ্যে যাবতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

[গ] উক্ত প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

## বিষয় : সৃজনগ্ৰাম উন্নয়ন খণ্ডলৈ পি, ডব্লিউ, ডি ৰাস্তা।

শ্ৰীমকবুল হুচেইনে সুধিছে :

৮৮১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

[ক] উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত নম্বৰপাৰা, চাকলা, কোকিলা গাওঁৰ পৰা সৃজনগ্ৰাম উন্নয়ন খণ্ড কাৰ্য্যালয়লৈ মটৰেৰে যোৱা ৰাস্তাৰ দূৰত্ব কিমান জনাবনে ?

[খ] ৰহা চাকলা গড়কাপ্তানী ৰাস্তাৰ চাকলাৰ পৰা বালাৰ চৰ হৈ সৃজনগ্ৰাম উন্নয়ন খণ্ডলৈ এটা পি, ডব্লিউ, ডি ৰাস্তা নিৰ্মাণ কৰিলে দূৰত্ব কিমান হব জনাবনে ?

[গ] উক্ত ৰাস্তাটো নিৰ্মাণ কৰিলে অনুমানিক মুঠ কিমান টকা খৰচ হব জনাবনে ?

[ঘ] উক্ত ৰাস্তাটো নিৰ্মাণ কৰিলে মুঠ কিমান মানুহ উপকৃত হব জনাবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

[ক] এই ধৰণৰ কোনো পথ এই বিভাগৰ নথিত নাই।

[খ] এই দূৰত্ব নিৰ্ণয়ৰ কাৰণে বিষদ জৰীপৰ প্ৰয়োজন হব। জৰীপৰ কাৰণে কোনো প্ৰাক্কলন বা প্ৰস্তাৱ বৰ্ত্তমান নাই।

[গ] প্ৰশ্ন নুঠে।

[ঘ] প্ৰশ্ন নুঠে।

## বিষয় : অভয়াপুৰী সমষ্টিৰ F.D.R. ৰ টকা।

শ্ৰীমকবুল হুচেইনে সুধিছে :

৮৮২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰীমহোদয়ে অনুগ্ৰহ কৰি জনাবনে :
উত্তৰ অভয়াপুৰী সমষ্টিৰ অন্তৰ্গত কোনো কোনো ৰাস্তাৰ বাবদ F. D. R. ৰ পৰা কিমান টকাৰ মঞ্জুৰী দিছে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ;
সমষ্টি ভিত্তিৰ পথ অনুসৰি বান বিধ্বস্ত মেৰামতি শিতানত কোনো অনুদান দিয়া নহয়। বঙ্গাইগাওঁ পথ সংমণ্ডলত ২৬ লাখ টকাৰ অনুদান ১৯৮৭-৮৮ চনত দিয়া হৈছিল।

**Re : Allegation regarding irregularities and mal practices in P W.D .**

Shri Ramendra De Asked :

883. Will the Minister of P.W.D. be Pleased to State :

(a) Whether the Government has received any complain and allegation regarding some irregularities and mal practices in P.W.D. Karimganj Division and made some inquiries in these regard ?

(b) If so what are the irregularities and what step the Government has taken ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়, পোৱা হৈছে। অভিযোগবোৰ তদন্তাধীন হৈ আছে।

(খ) অভিযোগ সমূহৰ এখন তালিকা [অনুবন্ধ সূচী (গ) ] সদনৰ মজিয়াত ৰখা হ'ল। তদন্তৰ প্ৰতিবেদন পোৱাৰ পাচত বিধি অনুসৰি ব্যৱস্থা লোৱা হব।

( See at Annexure IV )

**Re : Irregularities of Assam State Development Corporation.**

Shri Ramendra De asked :

884. Will the Minister, Welfare of Scheduled Castes be pleased to state :

(a) Whether the Assam State Development Corporation for SC Ltd ., is under the control of state Government.

(b) If yes, whether the Government. is aware of the fact

that there are some irregularities in respect of distribution of loans, appointment, construction of building, drawing of Advance for LTC etc. during the year 1984 to 1987.

(c) If yes, whether the Government will make an Adminis trative enquiry in this regard.

Shri Thaneswar Boro, (Minister, WPT & BC) replied :

(a) yes

(b) State Government is not aware of any such irregularities.

(c) Does not arise.

**Re : Cases recommended by the Sub-Divisional Board of S. C.**

Shri Ramendra De asked :

885. Will the Minister of welfare of S.C. be pleased to state :

(a). Total number cases recommened by the Sub-Divisional Board of Scheduled Caste Welfare Karimganj for House Building and Industrial loan during the years 1983 to 1988 ?

(b) How many cases sanctioned during the year 1983-1988 ?

Shri Thaneswar Boro, (Minister of Welfare of S. T. and S.C.) replied :

(a) 31 Nos. of cases for House building and 131 Nos. cases for Industrial loan was approved by the Sub-Divisional Board for Welfare of S. C. Karimganj during the years 1983 to 1988.

(b) Number of Cases sanctioned during the years 1983 to 1988 is being collected and the same will be furnished soon.

**বিষয় ঃ বানপানীত ক্ষতিগ্ৰস্ত হোৱা মৰিগাঁও মহকুমাৰ বাবে চৰকাৰী টকা**

শ্ৰীহৰেন্দ্ৰ বৰাই সুধিছে :

৮৮৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ইং ১৯৮৬-৮৭ চনৰ প্ৰবল বান পানীয়ে ক্ষতিগ্ৰস্ত কৰা মৰিগাওঁ মহকুমাৰ

বাবে বৰ্ত্তমান বছৰি চৰকাৰে যি টকা দিছে সেই টকা মৰিগাওঁ মহকুমাত সম্পূৰ্ণ ভাবে ব্যৱহাৰ কৰা হৈছে নেকি ?

(খ) যদি নাই হোৱা, কিয় হোৱা নাই জনাবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় হৈছে।

(খ) প্ৰশ্ন নুঠে।

## বিষয় ঃ M. N. P. আঁচনিত পথ সমূহৰ মেৰামতি।

শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছে ঃ

৮৮৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ; গড়কাপ্তানী বিভাগৰ এম, এন, পি, আচঁনিৰ অধীনত পৰা পথ সমূহৰ মেৰামতিৰ বাবে এটি পুঁজি আচনিৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

এনে ধৰণৰ প্ৰস্তাৱ নাই ।

## বিষয় ঃ মৰিদিচৈৰ দলং নিৰ্মাণ আচনি

শ্ৰীভবেন্দ্ৰ নাথ ভড়ালীয়ে সুধিছে ঃ

৮৮৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) যোৰহাটৰ চেঙেলি আটি কলবাৰীক সংযোগ কৰা মৰিদিচৈৰ দলং নিৰ্মাণৰ বাবে আঁচনি লৈছে নেকি ?

(খ) যদি লৈছে, কিমান টকা অনুমোদন দিয়া হৈছে ?

(গ) দলংখন নিৰ্মাণৰ কাম আৰম্ভ হৈছে নে ?

(ঘ) যদি কাম আৰম্ভ হোৱা নাই, কাৰণ সমূহ জনাবনে ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) লোৱা হৈছে ।

(খ) ৩ ( তিনি ) লাখ টকা ।

(গ) হৈছে ।

(ঘ) প্ৰশ্ন নুঠে ।

**Re : Malakhowa Tantipara Road.**

Sri Aminul Islam, asked :

889. Will the Minister P. W. D. be pleased to state :

(a) Whether the Government is aware of the fact that the Ist K. M. of Malakhowa Tantipara road ( in Mankachar Constituency ) is completely damaged by the last flood ?

(b) Whether it is also a fact that due to the aforesaid destruction the northern most part of Mankachar Constituency has remained completely out-off from the rest of the Constituency ?

(c) If so, what measures have so far been taken for repairing the damaged portion of the road ?

শ্ৰীঅতুল বৰা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) হয় ।

(গ) সীমিত পুঁজিৰে অগ্ৰাধিকাৰৰ ভিত্তিত ৰাস্তা সমূহৰ মেৰামতিৰ কাম হাতত লওঁতে এই পথছোৱাৰ মেৰামতি খিনি কৰিব পৰা হোৱা নাই ।

**বিষয় : ধুবুৰী মহকুমা বানবিধস্ত অঞ্চলৈ ৰবি শস্যৰ বীজ সাহাৰ্য্য**

শ্ৰীইউছুফ আলী আহমেদে সুধিছে :

৮৯০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ধুবুৰী মহকুমাত বানবিধস্ত অঞ্চল হিচাবে ৰবি শস্যৰ কিমান আৰু কি কি বীজ সাহাৰ্য্য হিচাবে যোগান ধৰা হৈছিল ?

(খ) যোগান ধৰা বীজৰ কিমান, কি কি বীজ বিলাসীপাৰা কৃষি সংমণ্ডলত দিয়া হৈছিল ?

(গ) সেই বীজ কোন গাওঁ পঞ্চায়তত কিমান আবণ্টন দিয়া হৈছিল ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ধুবুৰী মহকুমাত বানবিধস্ত অঞ্চল হিচাবে নিম্নোক্ত ৰবিশস্যৰ বীজ বিতৰণ কৰা হৈছিল ।

| | | |
|---|---|---|
| ১। ঘেঁহু বীজ | ৩০৯২·২ কুইন্টল | |
| ২। মটৰ মাহ বীজ | ৪৭২·০ | ,, |
| ৩। মচুৰ মাহৰ বীজ | ৪০০·০ | ,, |
| ৪। মাটি মাহৰ বীজ | ৬৬৪·০ | ,, |
| ৫। সৰিয়হৰ বীজ | ১৬০·০ | ,, |

(খ) যোগানধৰা উক্ত বীজৰ তলত উল্লেখ কৰা পৰিমাণৰ বীজ বিলাসী-পাৰা কৃষি সংমণ্ডলত বিতৰণ কৰা হৈছিল।

| | | |
|---|---|---|
| ১। ঘেঁহু বীজ | ১০৪৫·৬ কুইন্টল। | |
| ২। মটৰ মাহ বীজ | ২০০·০ | ,, |
| ৩। মচুৰ মাহ বীজ | ২৩৬·০ | ,, |
| ৪। মাটি মাহ বীজ | ৩৮০·০ | ,, |
| ৫। সৰিয়হ বীজ | ৮০·০ | ,, |

(গ) সেই বীজ নিম্নোক্ত গাওঁ পঞ্চায়ত এলেকাত বিতৰণ কৰা হৈছিল:

| ক্রঃ নং | গাওঁ পঞ্চায়তৰ নাম | বিতৰন কৰা বীজৰ পৰিমান | | | | |
|---|---|---|---|---|---|---|
| | | ঘেঁহু | মটৰমাহ | মচুৰ মাহ | মাটি মাহ | সৰিয়হ |
| ১। | আমবাৰী সাধুভাষা | ১০০ কুঃ | ২৩ কুঃ | ২০ কুঃ | ৪০ কুঃ | ৪·২ কুঃ |
| ২। | ৰাঙ্গামাটি | ১০০ ,, | ১৩ ,, | ১০ ,, | ৩০ ,, | ১০·২ ,, |
| ৩। | মহামায়া | ১০০ ,, | ২৩ ,, | ২০ ,, | ৪০ ,, | ৩·৬ ,, |
| ৪। | নায়েৰআলগা | ৩৪·৮ ,, | ২৩ ,, | ২০ ,, | ৪৫ ,, | ১০·২ ,, |
| ৫। | কাজাইকটা | ৬৪·৮ ,, | ২৩ ,, | ২০ ,, | ৪৫ ,, | ১০·২ ,, |
| ৬। | বৰকান্দা | | ২৩ ,, | ২০ ,, | ২০ ,, | ৪·৮ ,, |
| ৭। | বোকাখাট | ৪৬·৮ ,, | ১৮ ,, | ১৫ ,, | ৪০ ,, | ৪·৮ ,, |
| ৮। | লক্ষীগঞ্জ | ৪৪·৮ ,, | ১৩ ,, | ১০ ,, | ৪০ ,, | ৩·০ ,, |
| ৯। | ৰাণীগঞ্জ | ৭৪·৮ ,, | ১৩ ,, | ১০ ,, | ৩০ ,, | ৯·৩ ,, |
| ১০ | শালকোচা | ৪৪·৮ ,, | ১৮ ,, | ১৫ ,, | ৩০ ,, | ৪·৫ ,, |
| ১১। | চাপৰ | ২০০ ,, | ২৮ ,, | ২৫ ,, | — | ১২·২ ,, |
| ১২। | বহলপুৰ | ২০৪·৮ ,, | ২৮ ,, | ১৫ ,, | ২০ ,, | ৩·০ ,, |
| | | ১০৪৫·৬ কুঃ | ২৩৬ কুঃ | ২০০ কুঃ | ৩৮০ কুঃ | ৮০ কুঃ |

## ৰিষয় ঃ নিম্নতন মঞ্জুৰী ব'ৰ্ডত টকা মঞ্জুৰীৰ বিষয় বিবেচনা।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৮৯১। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

নিম্নতম মজুৰী ( Minimum Wage Advisory Board ) ৰ্ব্ডত কিমানটা মজুৰী বিষয় বিবেচনাৰ বাবে আছে জনাবনে ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( শ্ৰম মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

তিনিটা । নামানুসাৰে,

১) খাদী আৰু গ্ৰামোদ্যোগ,

২) প্ৰশিক্ষণ শিক্ষানুস্থান ও নাৰ্চাৰী আৰু ইংৰাজী মাধ্যমিক স্কুল,

৩) বে-চৰকাৰী চিকিৎসালয় ।

## ৰিষয় ঃ বীমা আঁচনি যোগে ডিচ্‌পেনচাৰী গঠন।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৮৯২। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাজ্যিক বীমা আঁচনি যোগে লিডুত এখন ডিচ্‌পেনচাৰী খোলা হৈছিল নেকি ?

(খ) যদি খোলা হৈছিল তেন্তে কেতিয়া খোলা হৈছিল জনাবনে ?

(গ) আৰম্ভনিৰ পৰা মাহে মাহে কেইজন আই, পিয়ে চিকিৎসা লৈছে ( মাহেকীয়া ৰিটাৰ্ণ মতে ) জনাবনে ?

(ঘ) বৰ্তমান কেইজন কৰ্মচাৰী ডিচ্‌পেনচাৰীত কাম কৰি আছে ।

শ্ৰীদীপেন তাঁতী ( ৰাজ্যিক শ্ৰম মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ৰাজিক বীমা আঁচনি মতে লিডুত এখন ডিচ্‌পেনচাৰী খোলা হৈছিল।

(খ) ইংৰাজী ৯।৩।৮৬ তাৰিখে ডিচ্‌পেনচাৰীখন খোলা হৈছিল ।

(গ) আই, পি সকলে চিকিৎসা গ্ৰহন কৰা নাই ।

(ঘ) ডিচ্‌পেনচাৰীত বৰ্তমান নিম্নলিখিত কৰ্মচাৰী সকলে কাম কৰি আছে :

| | | |
|---|---|---|
| ১। নিম্ন বৰ্গ সহায়ক | —— | এজন |
| ২। জুনিয়ৰ লেবৰেটৰী টেকনিচিয়ান | —— | এজন |
| ৩। পাৰ্ট টাইম ফাৰ্মাচিষ্ট | —— | এজন |
| ৪। চতুৰ্থ শ্ৰেণী কৰ্ম্মচাৰী | —— | চাৰিজন |

**Re : Inclusion of Halam Community in S. T. list.**

Shri Monilal Gowala asked :

893. Will the Minister, Welfare on Plains Tribes be pleased to state :

(a) Whether the Director of Tribal Research Institute, Assam, New Sarania, Guwahati-3 submitted a report on the Halam Community ( in Karimganj District ) on 20-10-84 for its inclusion in the Scheduled Tribes list ?

(b) If so, the action taken so far by the Government of Assam ?

(c) Whether the Coverment of Assam has moved for the inclusion of the Halam community in the scheduled tribe list ?

(b) If so, the letter number with date may kindly be furnished.

Shri Thaneswar Boro, ( Minister, Welfare of plains Tribes and S. C. ) replied :

(a) Yes.

(b) The matter is now under active consideration of the Covernment.

(c) Government of India will be moved, if necessary, on arriving at decision.

(d) Does not arise.

**Re : Reopening P. W. D. Road.**

Shri Silvius condpan asked :

894, Will the Minister P. W. D. be plaesed to state :

(a) Whether Jhergaon Inrabari road under Mangoldoi

P. W. D. road division will be opened for public as it is an old P. W. D. road which is closed for traffic for last two years due to damage of a small bridge ?

(b) Whether Drang-Daleaon P. W. D. road will be opaned again for traffic in this year which is closed for two years due to damage of a wooden bridge ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এই পথটো ১৯৮৭ চনৰ ৮ চেপ্তেম্বৰৰ পৰাহে বন্ধ আছে।

(খ) হয়, চলিত বিত্তীয় বছৰৰ ভিতৰতে খুলি দিয়া হব।

**বিষয় : ৰৌতা আৰু ডিমাচাং নদীৰ দলং আনুষ্ঠানিক ভাবে মুকলি কৰা।**

শ্ৰীচিলবিউছ কন্দপানে সুধিছে :

৮৯৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) উত্তৰ পূব পৰিষদৰ আঁচনি মতে ৰাজ্যিক গড়কাপ্তানী বিভাগে ওৰাং মাজবাট্ ৰূপা পথত অসম অঞ্চলত ৰৌতা আৰু ডিমাচাং নদীৰ ওপৰত নিৰ্মাণ কৰি সম্পূৰ্ণ হোৱা দলং ছুখন চৰকাৰে আনুষ্ঠানিক ভাবে কেতিয়া মুকলি কৰিব ?

(খ) পাচনৈ নদীৰ ওপৰত ৰেল দলং খনৰ ওচৰত দৰং আৰু শোণিতপুৰ জিলাৰ যথাক্ৰমে মাজবাট, দৰঙা, পাচনৈ নদীৰ পথ আৰু ছুগাজুলি, তেজপুৰ গড়কাপ্তানী পথ ছুখন সংযোগ কৰিবলৈ চৰকাৰে এখন দলং নিৰ্মাণ কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ছুয়োখন দলং ইতিমধ্যে যান বাহনৰ বাবে মুকলি কৰি দিয়া হৈছে। সেয়েহে আনুষ্ঠানিক ভাবে মুকলি কৰাৰ প্ৰয়োজন বোধ কৰা নাই।

(খ) বৰ্তমান তেনে কোনো প্ৰস্তাৱ নাই।

## VOTING ON DEMANDS FOR GRANTS

মাননীয় অধ্যক্ষ : এতিয়া ২নং কাৰ্যসূচীত আৰু এই কাৰ্যসূচীত মাননীয় সদস্য অমৃত লাল বসুমতাৰীয়ে তেখেতৰ বক্তব্য ৰাখিব। মাননীয় পঞ্চায়ত মন্ত্ৰী মহোদয়ে ১১.৪৫ বজাত এই বিতৰ্কৰ উত্তৰ দিব।

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, মোৰ কাট মোশ্যনৰ সমৰ্থনত পঞ্চায়ত বিভাগৰ বিষয়ে দুষাৰ কথা কব বিচাৰিছো। আগৰ দিন কেইটাত আমি পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয় আৰান্ধৰা চাহাবক পোৱা নাছিলো, তেখেত আজি আহিছে আৰু তেখেত অনুপস্থিত থকাত বহুতে ভাবিছিল কাট-মোশ্যনৰ সম্পৰ্কত কব লগাৰ কাৰণে ভয় কৰি তেখেত বেলেগ জাগাত গৈছিল। অৱশ্যে সেই ধাৰণা আজি নাইকীয়া হৈছে। যি কি নহওঁক পঞ্চায়ত বিভাগটো আজি নাই বুলিয়েই কব পৰা যায়। কিয়নো পঞ্চায়তত যদি ইলেকশ্যনেই নহয় তেতিয়াহলে এই পঞ্চায়তিৰাজ যিটো অৰ্থত ব্যৱহাৰ হৈ আহিছে সেই অৰ্থৰ পৰা বহুদূৰ ফালৰি কাটি অহা হয়। এই পঞ্চায়তিৰাজ চিচটেমক আজি স্বাধীনতাৰ পাচৰে পৰাই ভাৰত চৰকাৰ তথা বিভিন্ন ৰাজ্য চৰকাৰে গুৰুত্ব দি আহিছে। এই পঞ্চায়তিৰাজ কথাটো মানেই ডিচেণ্ট্ৰেলাইজেশ্যান অব এডমিনিষ্ট্ৰেশান ( decentralisation of administration ) অৰ্থাৎ গাৱে গাৱে শাসনটোক সিচঁৰিত কৰি দিবৰ কাৰণে আৰু প্ৰত্যেক গাঁও এলেকাতেই ৰাইজক স্বাবলম্বীতা কৰি তুলিবৰ কাৰণে যিটো গান্ধীয়ান ফিলেচফি অৰ্থাত গ্ৰাম্য স্বৰাজৰ ( gramya Swaraj ) লগত সংগতি ৰাখি ভাৰতবৰ্ষৰ বহুতো ৰাজ্যই আইন কৰিছে। ভাৰতবৰ্ষৰ আটাইবোৰ ৰাজ্যৰ মুখ্য মন্ত্ৰী সকলে এখন কনফাৰেন্স পাতিছিল আৰু সেই কনফাৰেন্সত পঞ্চায়তিৰাজ কৰাৰ কাৰণে সিদ্ধান্ত লৈছিল। এনেকৈ গুৰুত্ব দিয়াৰ আচল অৰ্থটো হ'ল আমাৰ গাৱঁ এলেকাৰ যিটো দুখলগা অৱস্থা বা তাত যিবিলাক কাম কৰিব লগা আছে সেই কাম বিলাক কৰিবৰ কাৰণে পঞ্চায়তি চিচটেম বিশেষকৈ ইণ্টিগ্ৰেটেড ৰুৰাল ডেভোলপমেণ্ট স্কীম ( Integrated Rural Development scheme ) ইত্যাদি বহুতো আছে, সেই স্কীম বিলাক প্ৰপাৰ ইমপ্লিমেণ্টশ্যন ( Properly inplemented ) কৰিবৰ কাৰণে গাওঁ পঞ্চায়ত লাগে বুলি ভাৰত চৰকাৰ আৰু বিভিন্ন ৰাজিক চৰকাৰে অনুভৱ কৰিছিল আৰু ইয়াৰ প্ৰয়োজনীয়তা আছে বুলি ভাবিছিল। কিন্তু আজি অসমত দূৰ্ভাগ্যবশতঃ প্ৰায় ১০ বছৰ পাৰ হৈ গ'ল তথাপিতো অসমত পঞ্চায়তৰ ইলেকশ্যন নহল। কংগ্ৰেছ আইৰ দিনতো নহ'ল আৰু কংগ্ৰেছ আইৰ উত্তৰাধিকাৰী যি নতুন এ, জি, পি চৰকাৰ আহিছে তেওঁলোকৰ দিনতো নহ'ল আৰু হোৱাৰ সম্ভাৱনাও নাই। তেওঁলোকৰ আৰু আঢ়ৈ বছৰ আছে। এই আঢ়ৈ বছৰতো ইলেকশ্যন হব বুলি আশা কৰিব নোৱৰো। কাৰণ এই চৰকাৰৰ ইলেকশ্যনৰ

ক্ষেত্ৰত সিদ্ধান্ত লোৱাৰ ক্ষমতা নাই বুলি আমি ইতিমধ্যে গম পাইছো, এইটো বাহিৰৰ অৰগেনাইজেশনৰ হাতত আছে বুলি গম পাইছো, গতিকে আঢ়ৈ বছৰত ইলেকশ্যন হব বুলি আশা কৰিব নোৱাৰি। গতিকে অসমত পঞ্চায়ত বিভাগটো নাই বুলি ধৰিব পাৰি আৰু গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যেনেকৈ কৈছে যে শিক্ষা ইত্যাদি বিভাগৰ এলোকেশ্যন বন্ধ কৰি বাননিয়ন্ত্ৰণ বিভাগক দিয়াৰ কাৰণে ব্যৱস্থা কৰিব লাগে থিক তেনেকৈয়ে পঞ্চায়ত বিভাগৰো এই এলোকেশ্যন বন্ধ কৰি বাননিয়ন্ত্ৰন বিভাগত এলোকেশ্যন কৰিব লাগে। কাৰণ ইয়াত যিখিনি টকা দিয়া হৈছে আমি গম পোৱা মতে ৪০।৪৫ মাহ ধৰি পঞ্চায়তৰ কোনো কোনো কৰ্ম্মচাৰীয়ে দৰ্ম্মহা নোপোৱাকৈ আছে। এইটো সঁচা কথা, কিয়নো দৰ্ম্মহা নোপোৱাৰ কাৰণেই পঞ্চায়ত বিভাগৰ দুজন কৰ্ম্মচাৰীয়ে পঞ্চায়ত অফিচৰ বাৰাণ্ডাত ছিপজৰী লগাই আত্মহত্যা কৰে। ইয়াতকৈ দুখৰ আৰু লাজৰ কথা একো হব নোৱাৰে। যদি এখন চৰকাৰ আছে তেনেহলে এই কথাটো গুৰুত্ব সহকাৰে চোৱাতো উচিত আছিল। পঞ্চায়ত ইলেকশ্যন পাতিব নোৱাৰিলে গাওঁ পঞ্চায়তৰ কোনো ইনকাম হব নোৱাৰে। কাৰণ আমি দেখিছো যি সকল টেক্স কলেক্টৰ আছে তেখেত সকলে টেক্স কলেক্ট কৰি নিজৰ কামত লগায় পঞ্চায়তৰ কল্যাণৰ কামত নাহে। পঞ্চায়তৰ যিখিনি সৰু সুৰাকৈ চেংশ্যন দিছে সেই খিনি আমাৰ নমিনেটেড কাউনচিলৰ আৰু সদস্য আছে তেখেতসকলে সেইটো কেনেধৰণে ব্যৱহাৰ কৰিছে এই বিষয়ে চৰকাৰে অলপ বিবেচনা আৰু চিন্তা কৰি চালে সুখী হলোহেতেন। বিশেষকৈ এইটো অনুসন্ধান কৰি চালে দেখা পাব এই টকা পইচা বিলাক ক'ত গৈছে। আজি আমাৰ নমিনেটেড কাউনচিলৰ সকলক শ্ৰদ্ধা কৰি কৈছো তেওঁলোকে একো একোজন কৰ্ম্মচাৰীৰ নিচিনাকৈ হেড-কোৱাটাৰত থাকে, তেওঁলোক পেইড এম্পলইৰ নিচিনা হৈছে কেৱল গাড়ী খন লৈ ঘুৰিব। দিনে ৰাতিয়ে পঞ্চায়ত ভবন বা অফিচত থাকে। অৱশ্যে ব্লক অফিচত নহয় মহকুমা পৰিষদৰ অফিচত থাকে। তেওঁলোক গাৱলৈ নাযায় আৰু জনসাধাৰণৰ লগত সম্পৰ্কয়ে নাই। তেওঁলোকে ইলেকশ্যন খেলাৰ প্ৰতি আগ্ৰহী নহয়। সেই সকল কাউনচিলৰৰ সমষ্টিৰ ৰাইজৰ লগত বিশেষ টাৰ্মচ নাই আৰু তেনে বিলাক মানুহ লৈয়েই এড-হক বডি বিলাক গঠন কৰিছে। কিন্তু অইন অইন ষ্টেতত যেনে— বিহাৰ, গুজৰাট, ত্ৰিপুৰা ওৱেষ্টবেঙ্গল ইত্যাদিত পঞ্চায়ত কৰ্ম্মী সকলৰ চাৰ্ভিচ প্ৰভিনচিয়েলাইজ কৰা হৈছে। সেইদৰে অসমতো

পঞ্চায়ত বিভাগৰ কৰ্ম্মচাৰী সকলক প্ৰভিনচিয়েলাইজ কৰাৰ ব্যৱস্থা কৰিব লাগে নহলে আগতে হোৱা এই আত্মহত্যাৰ পুনৰাবৃত্তি হব। এই বিভাগতেই কিছুমান চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল আছে তেওঁলোকৰ আৰ্থিক অৱস্থা অত্যন্ত শোচনীয়। চিকিৎসা, শিক্ষা আনকি খোৱা পিন্ধাখিনিৰো তেওঁলোকে ভালধৰণে ব্যৱস্থা কৰিব পৰা নাই। তেনে এটা অৱস্থাত আজি এই পঞ্চায়তৰ কাউন্‌চিলৰ বা সদস্য সকলে গণতান্ত্ৰিক স্বাৰ্থ ৰূপায়িত কৰাৰ পৰিবৰ্ত্তে ৰাজনৈতিক স্বাৰ্থত লাগি পৰিছে। গতিকে এই পঞ্চায়তৰ চাকৰিয়াল সকলক অতি সোনকালেই প্ৰভিন-চিয়েলাইজেচনৰ ব্যৱস্থা কৰিব লাগে। ইয়াত আৰু এটা এলোকেচনৰ কথা কৈছে। এইবিলাকত মই অব্‌জেকচন কৰিব খোজা নাই। ইয়াতে যি ১৭ লাখ ৫০ হাজাৰ টকাৰ কথা কৈছে সেইটো স্পেচিফিক হব লাগে। এই টকাটো খৰচ কৰিব কেনেকৈ আৰু ক'ত খৰচ কৰিব এই বিষয়ে আশা কৰো মন্ত্ৰী মহোদয়ে স্পেচিফিক হিচাবে জনাব। মই আগতেই কৈছো পঞ্চায়তী ৰাজ চীচ্‌টেমৰ দ্বাৰা ৰুৰেল ডেভেলপমেণ্টৰ স্কীম বিলাক কাৰ্য্যকৰী কৰি তোলাৰ কাৰণে পঞ্চায়তৰ নিতান্ত প্ৰয়োজন। এইদৰে এন, আৰ, ই, পি, আৰ, এল, ই, জি, পি ইত্যাদিৰ বহুতো আচনি আছে যিবিলাক নেকি পঞ্চায়তৰ জৰিয়তে কৰিব লাগে। তাৰ উপৰিও বি, এল, চি, চি ত যি সকল সদস্য থাকে, এইট ফাইনেন্স কমিচনে যি ১ লাখ ২০ হাজাৰ টকা দিছিল এইটো ডাইৰেক্ট বেনিফিটৰ কাৰণে দিছিল। কিন্তু সেই টকাতোও তেওঁলোকে প্ৰথমতে নিজৰ নামত লব বিচাৰিছিল। কিন্তু মই তেওঁলোকৰ নামত টকাতো ললে বেয়া পায় বুলি তেওঁলোকৰ ঘৈনীয়েক সকলৰ নামত লবলৈ কলো। তাৰ পাচত ঘৈণীয়েক সকলৰ নামত মাটি নোহোৱাৰ কাৰণে সেইটো কেন্সেল কৰা হ'ল আৰু এইটো কৰাৰ কাৰণেই এই বুদ্ধিটো কৰা হ'ল। আমাৰ এই নমিনেটেড্ কাউন্সিলৰ আৰু সদস্য সকলৰ ভাব অলপ বেলেগ ধৰণৰ। তেওঁলোকে সদায় দূৰে দূৰে থাকিব বিচাৰে। গতিকে মই বেচিকৈ আৰু কবলৈ নাযাও যিহেতু এই বিভাগটো মাইয়েই তেনেক্ষেত্ৰত এই বিভাগৰ নামত যিটো এলোকেচনৰ প্ৰস্তাৱ আহিছে সেইটো উঠাই অইন বিভাগত এলট কৰিব লাগে আৰু এই বিভাগটোত যি সকল উচ্চ চৰকাৰী বিষয়া আছে আৰু কৰ্ম্মচাৰী আছে তেওঁলোকৰ চাৰ্ভিচ অইন বিভাগৰ লগত সংলগ্ন কৰি দিব লাগে। পঞ্চায়তৰ কৰ্ম্মচাৰী সকলেও এই ক্ষেত্ৰত দাবী কৰিছিল, বহুতে ৰুৰেল ডেভেলপমেণ্ট বিভাগলৈ যাবলৈ

আবেদন কৰিছিল। গতিকে এই বিষয়ে ভালধৰণে বিবেচনা কৰিব লাগে। এইখিনিকে কৈ অতি সোনকালে যাতে পঞ্চায়তৰ ইলেক্‌চন পতা হয় তাৰ বাবে অনুৰোধ জনাইছো আৰু সোণৰ অসমত গণতান্ত্রিক পদ্ধতিত পঞ্চায়তৰ কাম যাতে হয় তাকেই আশা কৰিলো আৰু যদি সেইটো নহয় তেতিয়াহলে ৰাইজ তেওঁলোকৰ বিপক্ষে যাব। এইখিনিক কৈ সামৰণি মাৰিলো।

Shri Charan Narzary : Mr. Deputy Speaker, Sir, in support of my cut-motion, I want to make a few observations. My first point to the Government and specifically to the Honourable Minister in-charge of Panchayat is : how does the Government want to spend the money sought by the Honourable Minister in charge of Panchayat amounting to Rs. 21,73,91,000 ? I have raised this question because for the last several years we are not having any panchayat. Sir, we are living in a democracy and panchayat system has been described as the root of democracy. But, sir, this root of democratic system has been uprooted by the Government. During the previous congress Rule also, we did not have the elected panchayat in the State of Assam and during the present A. G. P. Government we are not having this system in the reality. Sir, Panchayat is there only in the Panchayat Law and the panchayat Law is being modified time and again without implementation. Earlier we had three - tier system of panchayat. Thereafter, we had the two-tier system and now the A. G. P. Government has also reverted to 3-tier systems. Law is being made, unmade and remade again and again. It means, we are still making experiment on the system of panchayat and no particular system has been tried for a long time to stabilise the system. This has a very adverse effect on the working

of the panchayat system. Now what remains is not the body of the panchayat but the skeleton only. As a matter of fact, panchayat system is virtually dead. it is not in esistence. So how the Honourable panchayat Minister proposes to spend this amount of money is a matter of question.

Is it the intention of the Government only to maintain the Mahkuma parishad office, making payment of salaries to few officials while depriving many others ? If it is so, it is of no use. Our panchayat Minister has assured, time and again, in this August House that elections could be held But where are the elections ? Why the Government failed to hold the panchayat elections. Why ad-hoc Mahkuma parishads and gaon panchayats for so many consecutive years. What does it mean ? This means that there is no democracy, there is no decentralisation of powers. So, Sir, the A. G. P. Government is also following the same process pursued by the Congress (I) Government who were in power in the past. By not holding the panchayat elections the Government has strangulated rather killed the panchayat system. So, where is the democracy ? Sir, do you mean to say that the ad-hoc bodies represent the people ? Are they responsible to the people ? Certainly not, they are not concerned about the people because they are not responsible to them. They are answerable only to the Honourable panchayat Minister and not to anybody else. If it is so, how can we say we are having a democratic system in our State so far as panchayats are concereed. Gaon panchayats have been delimited. This delimitation has also not been finalised as yet. Moreover, while making delimitations,

the Government did not at all consider one vital aspect, that is, regarding viability of territory of the small Gaon panchayats. We have seen in the draft delimitation that there are many Gaon panchayats which are economically not at all viable, but the panchayat law says that substantial share of the expenditure to be incurred by the panchayats is to be borne out of its own resources. Whether all the Gaon panchayats under the new delimitation have sufficient sources of income? While examining the delimitation at Sub-Divisional level, we have seen in many Gaon panchayats there does not exist even a Hat or a Bazar. So, how the Government wants that a Gaon panchayat functions effectively even if the election is held. It is a very serious question.

Then Sir, what about the preparation of electoral rolls? The Government has totally failed so far in preparing the electoral rolls for holding the Gaon panchayat elections, When and how this process will be finalised nobody knows. I do not know whether the panchayat Minister himself knows or not. We are living in a state of total uncertainty and possibly during the whole term of the A. G. P. Government we may not have panchayat elections. It seems that the Government is passing time. They are dragging the matter. It is a very bad sign that the Government do not seem to have taken anything seriously. Not only in this matter; it is very unfortunate.

Again, it has been pointed out by many Honourable members, the panchayat employees, who have not been paid this salaries for several months should be provincialised or taken over by the Government. If the panchayat Department is

not in a position to make payment of their salaries, then they should be absorbed in some other Departments. Government should not allow them to die of starvation like this in a very wratched condition. An employees, if he does not get his salary even for a month, is to live life of a paupper. When the employees of the panchayats are not getting their salaries for months together, what may happen to them is a matter of anybody's guess. It is a matter of imagination. If the Government or the Minister of panchayat is void of human feelings or good sense, this is very much regrettable. These are the basic questions. Sir, you are ringing the bell repeatedly. I also do not want to linger my observations; but in the last I conclude I by saying that the Government by with holding panchayat elections have killed the very spirit of the panchayat system, the root of our democracy. There is no democracy in fact today. though we may be proud of living in a democratic system of administration. with these words I conclude Thank you, Sir,

Honourable Dy. Speaker : Now Shri Ramendra De

শ্রীরমেন্দ্র দে : মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত বিভাগ সম্পর্কে বলতে গেলে মোটামোটীভাবে বলতে হবে যে এই বিভাগ একটা উদ্বেগজনক অবস্থায় রয়েছে। আমরা যদি সাত্যিই ডিসেন্ট্রেলাইজেশন অব প্লেনিং চাই without giving more power to the panchayat institutions decentralisation is neither practical nor possible at all. যেহেতা কমিটীর রিপোর্টেতো সেটাই ছিল। গতিকে বলতে হয় যে দুই-একটি রাজ্য ছাড়া সমস্ত ভারতবর্ষে এই ব্যরস্থাটোকেপঙ্গু করে রাখা হয়েছে। আসাম রাজ্য এর ব্যত্তিক্রম নয়। এই বাজেট মঞ্জুরী আলোচনায় আমি সরকারকে অনুরোধ করব Initiative of the people regarding the implementation of rural development.

সেটা করার জন্য পঞ্চায়ত ব্যবস্থাকে আরও শক্তিশালী, আরও মজবুত করা প্রয়োজন। বিগত দিনে পঞ্চায়ত ব্যবস্থা অত্যন্ত নৈরাশ্যজনক ভাবে পরিচালিত হয়েছিল। তাদের ব্যর্থতার চিত্র আমাদের চোখের সামনে রয়েছে। কিন্তু সবচেয়ে দুঃখের বিষয় হলো যে যাঁরা পঞ্চায়তে কাজ করেন, যাঁরা গ্রামাঞ্চলের জনজীবনের সঙ্গে ওতপ্রতভাবে জড়িয়ে আছেন, যারা আনামে গ্রামোদ্যোগও উন্নয়ন পরিকল্পনা সফল করার চেষ্টা করছেন, যাঁরা সারা রাজ্যকে গণতান্ত্রিক পদ্ধতিতে প্রশাসনের সঙ্গে যুক্ত করতে কাজ করছেন—সেই সব কর্মচারীদের চাকুরী আজ পর্যন্ত সরকারীকরন করা হয়নি। ফলে তারা গত পরশু থেকে সারা রাজ্যের বিভিন্ন মহকুমা পরিষদের বারান্দায় ধর্মঘট করছেন। এটা সরকারের পক্ষে বড় লজ্জার ব্যাপার যে যেখানে এদের চাকুরী সরকারী করণ হলে সরকারের মাত্র ১ কোটী ৬৮ লক্ষ টাকার প্রয়োজন এদের বেতন দিতে সেখানে সরকার কেন দ্বিধা করছেন। কারণ, আগামী কালই আমরা দেখতে পাব যে কেবল সসিয়েল ফরেষ্ট্রীর নামে আমরা কত সহজে ৩ কোটী টাকা জলে ফেলে দেব, প্রকৃত পক্ষে যে টাকার কোনও হিসাবই থাকে না। এগুলো টাকাতো কিছু দূর্নীতিগ্রস্থ লোকের পকেটে যাবে। এই সব টাকা থেকেতো অনায়াসে আমরা পঞ্চায়ত কর্মচারীদেরে বেতন ভাতা দিতে পারি। তাছাড়া রয়েছে মেটচিং গ্রান্ট Matching grants, লোকাল টেক্স ইত্যাদি। গতিকে সরকার যেন তাঁদের চাকুরী সরকারী করন এবং বিগত ৩০/৪০ মাসের বকেয়া বেতন দেবার ব্যবস্থা করেন।

মহোদয়, আমি জানি না সারা ভারতবর্ষেই সাধারন নির্বাচন হবে কি হবেনা। তবুও আশা করব যাতে আমাদের রাজ্যে পঞ্চায়তে নির্বাচন করা হবে। আমরা জানি যে পঞ্চায়ত ডিলিমেটিশন করা হয়েছে। কিন্তু এখনো যেহেতু পঞ্চায়তের নতুন আইন গ্রহন করা হয়নি— Without approving the new Panchayat Act before the aassent made by the honourable President. ডিলিমিটেশনের কাজ সারা আসাম রাজ্যে হয়েছে—When the delimitation will be completed then the election will be held. সুতরাং আমার প্রশ্ন যে এই ডিলিমিটেশন কোন আইনে হয়েছে? পঞ্চায়ত এক্ট ১৯৭২ না ১৯৭৬ ইং'র আইন না ১৯৮৬ ইং'র একমেণ্ডেড্ এক্ট অনুযায়ী? এই প্রশ্নর উত্তর আমি মন্ত্রী মহোদয়ের কাছ থেকে চাই—

After the delimitation work is completed election will be held in proper time.

উপাধ্যক্ষ মহোদয়, একদিকে যখন ডিলিমিটেশন হয়েছে এবং অন্যদিকে এই বিধান সভা থেকে কেন্দ্রের কাছে নতুন আইনের জন্য প্রস্তাব নিয়েছে — তাহলে কি পুরনো আইন বাতিল হয়ে গেছে ? যদি তাই হয় তাহলে কোন্ আইনের কোন ধারা মতে সারা রাজ্যে এড্‌হক পঞ্চায়েত বডি গঠন করা হয়েছে ? কোনও অর্ডিনেন্সওতো দেওয়া হয়নি ? আর এই এডহক্ বডির কয়েকটা নমুনা আমি এখানে তুলে ধরব। কিছু লোক যারা কংগ্রেসের সময় পঞ্চায়েতের এড্‌হক্ বডিতে ছিল তারা জনতার আমলেও ছিল আর এবারে এ জি পি'র এডহক্ বডিতে তারাই আছে। এছাড়া এবাবে কিছু রাস্তার লোকও মহকুমা পরিষদে প্রবেশাধিকার পেয়েছে। এবারে মন্ত্রীরা এদেরে সুযোগ দিয়েছেন। অবশ্যে হাইলাকান্দি মহকুমা পরিষদও এর ব্যতিক্রম নয়। সুতরাং আমি অনুরোধ করব ১৯৮৩-৮৪, ৮৪-৮৫ তে যে কম্যুনিটি ডেভেলপমেন্টর গ্রান্ট গিয়েছে—

1. A road from 44 N. H. to Daspara Srigouri,
2. A road from 44 N.H. Bondani.
3. A road from Ghoramara road to Barbani.
4. A road from rail line to Srigouri Brahmanpara.
5. B. B. Road to Kankalash by the Side of Block.

শিলচর, করিমগঞ্জ জেলায় সি ডি'র টাকা কোন্ কোন্ রাস্তায় খরচ হয়েছে ? যে সেংশন লেটার শিলচর ও হাইলাকান্দিতে গিয়েছে-এর উপর ভিত্তি করে যে রাস্তা হয়েছে তার মাত্র দুটো রাস্তার কথা আমি এখানে উল্লেখ করব। মন্ত্রী মহোদয় যদি তদন্ত করে আমার বক্তব্যকে মিথ্যা প্রমানিত করতে পারেন আমি সুখী হব। কুন্নুপাড়া রাস্তা শ্রীগৌরীদাশপাড়া রাস্তা— (সময় সংকেত)—

গতিকে আমার বক্তব্য হলো যে শিলচর ও করিমগঞ্জ জেলায় পুরোনো কায়দায় এডহক্ নাম দিয়ে যা চলছে তা কংগ্রেসের দূর্নীতিকেও ছড়িয়ে গেছে। এতো নগ্ন, এতো সেচ্ছাচারীতা আগেও ছিল না। এডহক কমিটির হাতে মহকুমা পরিষদ পাগলাখানায় পরিচিত হয়েছে।

মহোদয়, আমি বলতে চাই না যে সমস্ত পঞ্চায়ত বিভাগটাই ইন্ এক্টিভ, এই বিভাগে টাকার প্রয়োজন নাই। আমার পরামর্শ হলোযে এই বিভাগকে আরও শক্তিশালী আরও গণতান্ত্রিকভাবে প্রশাসনের সঙ্গে গ্রামের জনসাধারণকে

যুক্ত করুন। সারা ভারতবর্ষের সাধারন গ্রামীন মানুষকে দেশের অর্থনীতির সঙ্গে যোগাযোগ করার জন্য পঞ্চায়ত ব্যবস্থা আরও দৃঢ়, আরও শক্তিশালী আরও ব্যাপক করা প্রয়োজন। কিন্তু এটা না করে এডহকের মাধ্যমে দুর্নীতিকে আজ প্রশ্রয় দেওয়া হচ্ছে। সমস্ত গ্রামীন উন্নয়নের টাকা আত্মস্বাত করার সুযোগ দেওয়া হচ্ছে। এসব যা চলছে তা জনসাধারনের সঙ্গে বেইমানীর নামান্তর। গতিকে মহোদয় আমি আবেদন করব যে পঞ্চায়ত বিভাগকে যেন আরও শক্তিশালী করা হয় এবং এই বিভাগের সমস্ত কর্মচারীদেরে যেন সরকারী কর্মচারী হিসাবে গণ্য করা হয় এবং ১৯৮৪ ইংরাজী থেকে ১৯৮৮ ইং পর্যন্ত কাছাড় ও করিমগঞ্জ জেলায় এই বিভাগের সমস্ত কাজ কর্মের যেন একটা পূর্ণাঙ্গ তদন্ত হয়। এই বলে কর্তণ প্রস্তাব সমর্থণ করে আমার বক্তব্য শেষ করছি।

* শ্ৰীদেব কুমাৰ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ সদনত ৫৩ নং মঞ্জুৰীৰ ওপৰত বিৰোধী পক্ষৰ পৰা অনা কৰ্ত্তন প্ৰস্তাবৰ বিৰোধিতা কৰি পঞ্চায়তৰ শিতানত কেতবোৰ পৰামৰ্শ দিব বিছাৰিছো আৰু কাৰ্য্যক্ৰমনিকাৰ ওপৰত কিছু পৰিমানে আলোচনাত অংশ গ্ৰহণ কৰিবলৈ ওলাইছো। পঞ্চায়তি ৰাজ ব্যবস্থাৰে গ্ৰামোন্নয়নৰ যি পদ্ধতি উৎভাবন কৰা হৈছে ভাৰতৰ জাতিৰ জনক মহত্মাগান্ধীৰ আদৰ্শ আৰু পৰিকল্পনাৰে, সময়ে সময়ে তাৰ বিভিন্ন পৰিৱেশৰ লগত খাপ খুৱাই গ্ৰামাঞ্চলৰ ৰাইজৰ চকীয় ক্ষমতাৰে আঞ্চলিক উন্নয়নৰ যি ব্যবস্থা আছিল তাত প্ৰসাশনিক অসুবিধা থকা পৰিপ্ৰেক্ষিতত দৰ্শন আৰু আদৰ্শৰ ভাৰতবৰ্ষত সফল হৈছে বুলি কব পৰা অবস্থাত নাই। বিফলতাৰ কাৰণ বোৰ যিয়েই নহওক ইয়াৰ পাচত আমি পৰ্য্যালোচনা কৰি চাও তেন্তে প্ৰসাশনিক দিশত থকা আসুআহ সমূহ কিছু পৰিমানে কেনেদৰে তাৰ পৰিবৰ্ত্তন সাধিব পাৰি আৰু নতুন দিশলৈ লৈ যাব পাৰি তেনেধৰণৰ ব্যবস্থাৰ গুৰুত্ব-আৰোপ কৰি আলোচনা কৰাতো মোৰ দৃষ্টিত আজিলৈকে পৰা নাই সেই কাৰণে বোধহয় ৰাইজৰ কল্যানৰ হকে ৰখা বিষয়টো কিছু পৰিমানে বাধাগ্ৰস্ত হৈ আছে সেয়ে মই ভাবো এই দিশত উল্লেখনীয় দিশ হব গ্ৰামোঞ্চলৰ শিতানত থকা কিমান খিনি কাম ক'ত ক'ত কৰিব লাগে সেই বিষয়ে আলোচনা কৰিব লাগে। এখন নিৰ্দ্দিষ্ট নিৰ্দ্দেশ নামা আৰু নিৰ্দ্দিষ্ট তালিকা প্ৰস্তুত কৰি উলিয়াব লাগে। এক নিৰ্দ্দিষ্ট নিদ্দেশ নামাৰ ভিত্তিত পঞ্চায়ত সমূহ চলিলে ভাল ফল পোৱাৰ আশা কৰিব পাৰি। এই বিলাক কোনো কেডাৰ বেচিচ মানুহৰ দ্বাৰা

* Speech not corrected

যিহেতু সংগঠিত নহয় সেয়ে অঞ্চলে অঞ্চলে কামৰ কিছু তাৰতম্য দেখা গৈছে। বিশেষজনৰ দ্বাৰা পঞ্চায়ত গঠন কৰিব পৰা অৱস্থা আইনত দিয়া নাই। বিশেষজনৰ দ্বাৰা নিৰ্মিত কাৰ্য্যপদ্ধতি যদি পঞ্চায়ত সমূহ পৰিচালনা কৰিব পাৰো তেতিয়া পঞ্চায়ত সমূহে ফলপ্ৰসু সেৱা জনসাধাৰণক দিব পাৰিব বুলি ভাবো। এই দিশত বিভাগৰ তৰফৰ পৰা কি কি কাম কৰিবলৈ দিয়া হৈছে তাৰ বাৰ্ষিক পৰিকল্পনা দিব লাগে। দুখীয়া মানুহক দৰিদ্ৰ সীমা ৰেখাৰ পৰা উদ্ধাৰ কৰি উন্নয়নৰ শিখৰলৈ লৈ অহাৰ ভূমিকা পঞ্চায়ত সমূহে পালন কৰিছে। এই দৰিদ্ৰ সীমা ৰেখাৰ পৰা উদ্ধাৰ কৰা কাৰ্যত নিয়োজিত লোক সকলৰ অৱস্থা তথৈবচ। অৰ্থাত সেই কৰ্মচাৰী সকলে ৪০ মাহে দৰমহা নোপোৱাকৈ থাকি নিজে ভোকত থাকি আনক সুখ প্ৰদান কৰিব নেকি? তেনেধৰণৰ ব্যৱস্থাৰ কাৰণে আজি কাম বিলাক ফলৱতী হোৱা নাই। আৰু ই এক সৰ্বান্তৰ কথা হৈছে। মই এই বিষয়ত ৯ টা প্ৰশ্ন কৰিম আৰু বিভাগে যদি ইয়াৰ পুংসানুপুংস তদন্ত কৰি কাৰ্য্যসূচী লবলৈ আগবাঢ়ি আহে তেতিয়াহলে বোধহয় ভৱিষ্যতে পঞ্চায়তীৰাজ ব্যৱস্থা এটা ফলপ্ৰসু ব্যৱস্থা দেখা পাম। অন্যথা কেৱল থাকিব লাগে কাৰণে আছে, আছিল কাৰণে আছে এইটো হলে লাভ নহব। পঞ্চায়তীৰাজ্যৰ ব্যৱস্থা থাকিব লাগে নে নালাগে এই দুটা বিষয়ত সৰ্বভাৰতীয় ভিত্তিত বিতৰ্ক অনুস্থিত হলে বেচি ভাল হব বুলি ভাবো। যদি থাকিব লাগে ভালকৈ থাকক আৰু কৰ্মচাৰী সকলক নিৰাপত্তা দি পূৰ্ণপৰ্য্যায়ৰ কাম আদায় কৰা হওক। তাকে নকৰি এচাম মানুহক যদি ওলমাই ৰখা হয় তেতিয়া হলে অসন্তুষ্টি বিয়পোৱা বীজৰ গজালী মেলাটো অঞ্চলে অঞ্চলে পৰিলক্ষিত হৈছে। সেই কাৰণে এই বিষয়ত গুৰুত্ব দিব লাগে। মই এই কেইটা প্ৰশ্ন সুধিছো, (১) অসমত গাওঁপঞ্চায়ত কৰ্মচাৰীৰ মুঠ সংখ্যা কিমান আছে, (২) ১৯৮১ চনৰ পাচত নিয়োগ হোৱা কৰ্মচাৰীৰ সংখ্যা কিমান ? (৩) গাওঁপঞ্চায়ত কৰ্মচাৰীক কিমান মাহৰ বেতন দিবলৈ বাকী আছে (৪) বকেয়া বেতন কিমান বাকী আছে, (৫) মহকুমা পৰিষদৰ কৰ্মচাৰীৰ সংখ্যা কিমান, (৬) মহকুমা পৰিষদৰ কৰ্মচাৰীক বকেয়া কিমান দিবলৈ বাকী আছে (৭) অসমৰ ৩১ খন মহকুমা পৰিষদৰ কৰ্মচাৰী সকলক বেতনৰ বাবদ কিমান টকা প্ৰয়োজন হব (৮) নিম্নতম শিক্ষাগত অৰ্হতাত সুমুৱাৰ আগতে কিমান সংখ্যক কৰ্মচাৰী আছিল (৯) তেনেধৰণৰ লোকক বাধ্যতামূলক অৱসৰ দিবৰ কাৰণে আইনত অসুবিধা আছে নেকি ? এই প্ৰশ্ন কেইটাৰ উত্তৰ হলে তাৰ পৰা কিছু দিশত আমি আলোচনালৈ আহিব

পাৰিম। সেই কাৰণে এই বিষয়ে দৃষ্টি গোচৰ কৰিছো। এতিয়া যি সকল কৰ্মচাৰীয়ে ৪০ মাহৰ দৰমহা পাবলৈ বাকী আছে তেওঁলোকক মাহ হিচাব ইন্‌চটলমেণ্ট বেচিতত আৰ্থিক সাহাৰ্য্য দি বাচি থকাৰ উপায় দিব পাৰে নেকি পৰীক্ষা কৰি চাব লাগে। এই ক্ষেত্ৰত এটা নিৰ্দ্দিষ্ট উত্তৰ হব লাগে। সদায় ওলোমাই ৰাখিব নালাগে। ই অন্যায় জনক কথা হৈ আছে। এই চৰকাৰৰ কথা কোৱা নাই বহুত আগৰপৰাই অন্যায় কৰি আহিছে। গণপৰিষদ চৰকাৰৰ দিনত এচাম কৰ্মচাৰীক অন্যায় কৰা কথাটো চলিব নালাগে আৰু তাৰ বিহিত ব্যৱস্থা লব লাগে। সেয়ে এই গুৰুত্বপূৰ্ণ বিষয়টো উত্থাপন কৰিছো। ইয়াৰ উপযুক্ত উত্তৰ আৰু সিদ্ধান্ত পাবলৈ বাত চাই আছো। ইয়াৰ লগতে মহকুমা পৰিষদ আৰু খণ্ড উন্নয়ন পৰ্য্যায়ত গ্ৰামোন্নয়ন আৰু পঞ্চায়ত এই দুটা একত্ৰীকৰণ কৰাৰ কথা মন্ত্ৰী মহোদয়ে সদনত ঘোষণা কৰিছিল। বৰ্তমান ই কি পৰ্যায়ত আছে জানিব বিছাৰিছো। এই বিভাগ দুটা মাৰ্জ কৰি এটা পুৰ্ণ পৰ্যায়ৰ ব্যৱস্থাৰে সকলোধৰণৰ কাম আদায় কৰিবৰ কাৰণে গ্ৰামোন্নয়নৰ নিৰ্দ্দিষ্ট কৰ্ম তালিকা প্ৰস্তুত কৰি সেই খিনি আগবঢ়াই লৈ যোৱা হওক। এই ধৰণৰ ব্যৱস্থাৰে পঞ্চায়ত ব্যৱস্থাৰ উদগতি সাধিব পৰা যাব। আমাৰ সমষ্টিগত ভাবে কিছু সমস্যা আছে। কিছু ঠাইত চাৰিটা সমষ্টিৰ মাজত এটা ক্লাৰ্ক অফিচ আছে। তেনে ক্ষেত্ৰত গ্ৰামোন্নয়নৰ কাম বিলাক বাধাগ্ৰস্ত হৈছে। এই ক্ষেত্ৰত উন্নয়ন খণ্ডৰ সংখ্যা বৃদ্ধি কৰি কাম বিলাক কৰাৰ ব্যৱস্থা কৰিব লাগে। বৰ্তমান বহু আহুকাল কৰি আছে। ইয়াৰ বিলোপ সাধী সীমাৰেখাৰ ভিতৰলৈ আনি প্ৰসাশনিক ব্যৱস্থা উজু কৰি আনিব পাৰি। এই বিষয়ে চালি জাৰি চাবলৈ পঞ্চায়ত মন্ত্ৰীক অনুৰোধ জনালো। আমাৰ কৰ্মচাৰী বিলাকৰ সমস্যা দুৰ কৰিলে গ্ৰামোন্নয়নৰ কাম বিলাক আৰু ক্ষিপ্ৰভাৱে হব বুলি ভাবো। কাৰণ যিসকলে নিজে ভাত খাবলৈ পোৱা নাই আনক মনৰ বেজাৰেৰে কি কাম কৰি দিব ? এই খিনিৰ প্ৰতি দৃষ্টি দিবলৈ অনুৰোধ কৰি মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now Honourable Member, Shri Golok Rajbanshi to speak.

* শ্ৰীগোলোক ৰাজবংশী : মাননীয় উপাধ্যক্ষ মহোদয়, আমি যদি গাওঁৰ উন্নয়ন কল্পনা কৰো তেনেহলে গাওঁৰ মানুহ বিলাকক জৰিত কৰিব নোৱাৰিলে সেই উন্নতি কেতিয়াওঁ হব নোৱাৰে। সেই উদ্দেশ্যৰে দেশে স্বাধীনতা পোৱাৰ পাচত গাওঁপঞ্চায়ত আৰু তাৰপাচত বিভিন্ন সময়ত পঞ্চায়তৰ ৰূপ বদলাই জনসাধাৰণক যাতে উন্নয়ন মুলৰ কামত

* Speech not corrected

জৰিত কৰিব পৰ যয় তাৰ ব্যবস্থা কৰা হৈছিল। কিন্তু দুখৰ কথা আজি যিটো সময়ত আমি জনসাধাৰণক জৰিত কৰিব লাগিছিল সেই সময়ত এই পঞ্চায়ত বিভাগটো বৰ্ত্তমান এনে অৱস্থাত আছে যে মানুহে আজি ভাবিবলৈ বাধ্য হৈছে যে পঞ্চায়ত বিভাগটো আচলতে আছেনে নাই ? কাৰণ মন্ত্ৰীজন যোৱাৰ পাচত গম পাই পঞ্চায়ত বিভাগ আছে। নহলে মানুহে গমেই নাপায়। মন্ত্ৰীজনৰ মই নতুন নামাকৰণ কৰিব বিচাৰিছো। এঢক মন্ত্ৰী (Ad-Hoc Minister) যদি নামকৰণ কৰা যায় তেনেহলে ভাল হব। তেখেতৰ অস্তিত্ব মানুহে পাহৰি পেলাইছে নিৰ্ব্বাচনৰ কথা কৈ আছে যদিও নিৰ্ব্বাচন নহয়। মন্ত্ৰীয়ে তিনিবাৰ তিনিৰকমৰ উত্তৰ দিছে এতিয়া আকৌ উত্তৰ দিব। কিন্তু আমি আশা কৰিব নোৱাৰো। নিৰ্ব্বাচন নহয় বুলিয়েই ধৰি লৈছো। যিকোনো কাৰণত নিৰ্ব্বচান নহয়। নিৰ্ব্বাচন বাদ দিয়ক। এঢোকজীম (Adhocism) অলপ ভালকৈ কৰক। দুৰ্ভাগ্যজনক কথা যি সকল মানুহক এ, জি পিয়ে এপইমেণ্ট দিব নোৱাৰে তেওঁলোকক আজি বিভিন্ন ঠাইত বিশেষকৈ যত বিৰোধী দলৰ বিধায়ক আছে তাত তেওঁলোকেই যেন বিধায়ক। আচৰিত কথা তেওঁলোকে পঞ্চায়ত কাৰ্য্যবলীত সীমাবদ্ধ হৈ থকা নাই। কাউঞ্চিলাৰে এল, পি স্কুল পৰিদৰ্শন কৰি, ইটা কৰ পৰা দিব লাগে তাৰ হুকুম দিয়ে। কোনজন শিক্ষকক কলৈ বদলাব কাউঞ্চিলাৰে ডি, আইক নিৰ্দ্দেশ দিয়ে। যত বানপানী উঠা নাই তাত বানপানী হৈছে বুলি পকা ৰাস্তা দিছে। এঢোকিজিম এটা অস্থায়ী ব্যৱস্থা কেতিয়াবা কৰিব লাগে। নকৰাৰ ব্যৱস্থা নাই। কিন্তু তাৰ এটা সীমা থাকিব লাগে They have become a terror in certain areas, but there must be a limit। কাউঞ্চিলাৰে পঞ্চায়তৰ বাহিৰে, সকলোবিলাক কাম কৰে। কাউঞ্চিলাৰ বিলাকৰ পঞ্চায়তৰ কোনো কাম নাই। অফিচাৰ নাই। পঞ্চায়ত অফিচ বিলাকত কোনো মানুহ নাথাকে। পঞ্চায়তৰ কামৰ বাহিৰে কাউঞ্চিলাৰ সকলে বাকীখিনি কাম কৰে। সেই কাৰণে বিভাগীয় কিছুমান বিষয়াই সচাকৈ কাম কৰাত টান পাইছে। বজাৰ বিলাক ডাক কৰাৰ নিয়ম আছে আৰু সেই মতে উচ্চ ডাক দিয়া জনক বা ৰিজনেবল ডাক দিয়া জনক বজাৰ দিয়ে। কিন্তু কাউঞ্চিলাৰে কব এইজন আমাৰ মানুহ এওঁক দিব লাগে। তেওঁৰ ক্ৰমিক নং লাগিলে ৭—৮ বা ৯ ৰেই হওঁক। সেই কাৰণে মই কৈছো এই বেয়া কাম বিলাক আমাৰ দিনত হৈছিল যদিও ৪০ বছৰে যিমানখিনি হোৱা নাছিল আঢ়ৈ বছৰে তাতকৈ বেচি হৈছে। ৪০ বছৰত যিমান অন্যায় কৰিবপৰা নাছিল। এই আঢ়ৈ বছৰে তাতকৈ

বেচি কৰিছে। এইটো মোৰ কথা নহয় জনসাধাৰণৰ কথা। উপাধ্যক্ষ্য মহোদয়, পঞ্চায়ত আইনখনৰ সংশোধন কৰি বিভিন্ন অঞ্চল সন্নিবিষ্ট কৰি লৈছে। কিন্তু বিভাগৰ পৰা নিৰ্দিষ্ট নিৰ্দ্দেশ নোহোৱাৰ কাৰণে কিছুমান অসুবিধা পাইছো। যেনে বাগান এৰিয়া পঞ্চায়তৰ অন্তৰ্ভূৰ্ক্ত কৰি ললে। কিন্তু একালে আছে প্লেণ্টেচন এক্ত মজদুৰৰ কাম কৰিবৰ কাৰণে, আনফালে আছে পঞ্চায়ত এক্ত। এতিয়া যিখিনি বাগানৰ মজদুৰে বাগানৰ কাম নকৰে তেওঁলোকৰ কামখিনি পঞ্চায়তে কৰিব নে বাগানে কৰিব। এই বিষয়লৈ কাজীয়া হৈ আছে। বিধান সভাত সেই দিনা প্ৰশ্ন আহিছিল পঞ্চায়ত লেভেলত থকা কোপাৰিটিভ চোচাইটিৰ সুলভ মূল্যৰ দোকান বাগানত দিব নে নিদিয়ে? গৰীব মানুহক সহায় কৰিব খুজিছে অথচ বাগানত সুলভমূল্যৰ দোকান দিব নে নিদিয়ে তাৰ কোনো নিৰ্দ্দেশ দিয়া নাই। গ্ৰামোন্নয়ন বিভাগৰ আচনিৰ জৰিয়তে গৰীব মানুহক সহায় কৰিব খুজিছে কিন্তু বাগানত যি সকলে কাম নকৰে তেওঁলোকক সহায় কৰিব নে নকৰে। এই কথাৰ পৰিষ্কাৰ কোনো নিৰ্দ্দেশ এতিয়ালৈকে নোযোৱাত বিষয়া সকলে কাম কৰিবলগীয়া থাকিলেও কাম নকৰে। গ্ৰামোন্নয়ন বিষয়া নোযোৱাৰ ফলত আমাৰ ৭ শ খন বাগানৰ যি খিনি মানুহ বাগানত নিয়োজিত হৈ থকা নাই তেওঁলোকক ফালৰপৰা বঞ্চিত হৈছে। এই দিশত যদিও আলোচনা হৈছে এতিয়ালৈকে কোনো নিৰ্দ্দেশ যোৱা নাই। ইয়াৰ ফলত বাগান কৰ্তৃপক্ষই এই বিলাক কাম পাঞ্চায়তে কৰিব বুলি কয়। পঞ্চায়তে কয় মালিক কৰ্তৃপক্ষই কৰিব। ইয়াৰ ফলক এই লোকসকলৰ অসন্তুষ্টি প্ৰকাশ পাইছে। দিব পৰা হেতেন এই বিভাগটো উঠাই দিব কলোহেতেন। আজি ৪-৫ শ বিষয়াই, সমস্যা নাথকিলে ধৰ্ণা দিবলে নাহে। মই আশা কৰো যিখিনি ব্যৱস্থা আছে তাৰ ভিতৰত যাতে জনসাধাৰণক জৰিত কৰিব পাৰি তাৰ ব্যবস্থা কৰি পঞ্চায়তৰ কামখিনি কৰে। সোনকালে নিৰ্বাচন পাতিব পাৰিব বুলি মই আশা কৰা নাই। মন্ত্ৰী মহোদয়ে কৈছে যে ভোটাৰ লিষ্ট নাই। মই কব বিছাৰিলো যিখন ভোটাৰ লিষ্টৰ ওপৰত নিৰ্ব্বাচন অনুষ্ঠিত হোৱাৰ পাচত এই চৰকাৰ ক্ষমতালৈ আহিল সেইখন ভোটাৰ লিষ্টেৰে কিয় পঞ্চায়ত নিৰ্ব্বাচন পাতিব নোৱাৰে? আচল কথা হ'ল তেওঁলোকে নিৰ্ব্বাচন পতাৰ ইচ্ছুক নহয়। ইয়াৰ কাৰণ কি তেওঁলোকে আৰু ৰাইজে ভালকৈ বুজিছে। এই খিনিকে কৈ মই মোৰ কৰ্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীভৱেন নাৰ্জী : মাননীয় অধ্যক্ষ মহোদয়, আজি পঞ্চায়তীৰাজ বিলৰ ওপৰত মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ

* Speech Not corrected.

মই বিৰোধীতা কৰিছো আৰু আমাৰ মাননীয় পঞ্চায়ত মন্ত্ৰী মহোদয়ে যি মঞ্জুৰী আনিছে তাক সমৰ্থন কৰি দুআষাৰ কবলৈ থিয় হৈছো।

মাননীয় অধ্যক্ষ মহোদয় ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ। আজি পঞ্চায়তৰ জৰিয়তে গ্ৰাম্য জীৱনৰ নীতি নিৰ্দ্ধাৰণ কৰা হৈছে। পঞ্চায়ত বিভাগত যি খেলি-মেলি হৈছে সেইবিলাক দূৰ কৰিবৰ কাৰণে চেষ্টা কৰিব লাগে। এই বিভাগৰ কৰ্মচাৰী বিলাকে আজি ৪০/৫০ মাহে দৰমহা পোৱা নাই। আমাৰ অসমত শতকৰা ৭০ ভাগ মানুহেই দৰিদ্ৰতাৰ সীমাৰেখাৰ তলত বসবাস কৰে। সেইলোক সকলক উন্নতি পথলৈ আগুৱাই আনিবৰ কাৰণে চেষ্টা কৰিব লাগে। কিন্তু তাৰ পৰিবৰ্তে আজি তেওঁলোকক দৰিদ্ৰতাৰ সীমাৰেখাৰ তললৈহে ঠেলি দিয়া হৈছে। বিনা দোষত যাতে এই মানুহখিনিক হাৰাসাস্তি নিদিয়ে তালৈ লক্ষ্য ৰাখিব লাগে। আজি পঞ্চায়ত বিভাগটো বেয়া হৈ গৈছে। অৱশ্যে এই বিভাগত যে সকলো বেয়া কৰ্মচাৰী, সেইটো মই কব খোজা নাই। ভাল কৰ্মচাৰীও আছে। আমাৰ চৰকাৰে এন. আৰ. ই. পি আৰু আৰ. এল. ই. জি. পি যিবিলাক স্কুলৰ কাৰণে টকা দিছে সেইবিলাকৰ কাম-কাজ সুন্দৰকৈ হৈছে। সেই আঁচনিৰ যোগেদি ৪৫/৬১ হেজাৰকৈ টকা পাইছিল, প্ৰতিটো সমষ্টিতে সুন্দৰকৈ কাম হৈছে। এই পঞ্চায়তৰ জৰিয়তে আলি-পদূলী, ৰাস্তা-ঘাট আদিও বনোৱা হৈছে। মোৰ টামুলপুৰ সমষ্টিত এটা ৰাস্তা বনোৱাৰ কাৰণে টকা দিছিল। সীমিত টকাখিনিৰে যিমান দূৰলৈকে ৰাস্তাটো কৰিবলৈ দিয়া হৈছিল সিমানৰলৈকে ৰাস্তাটো হৈ গ'ল, কিন্তু টকা থাকি গ'ল। তেতিয়া অফিচাৰজনে টকাখিনি ঘূৰাই দিবলৈ বিচাৰিছে। মই তেতিয়া কলো যে টকা চৰকাৰক ঘূৰাই দিব নেলাগে আৰু ৰাস্তা আছে সেইবিলাকত খৰচ কৰক। ৰাস্তা বনাওঁক। তেতিয়া বিষয়াজনে কলে যে ডি. চি'ৰ অৰ্ডাৰ লাগিব। আমি মধ্যে মধ্যে এই টকা খৰচ কৰিব নোৱাৰো। গতিকে এনেকুৱা বিষয়াৰ পৰা ভাল ভাল কাম হৈ আছে। আজি সমালোচনা কৰি থাকিলেই সমস্যা সমাধান নহয়। পঞ্চায়ত মন্ত্ৰীক ভাল পৰামৰ্শ দিব লাগে, গঠনমূলক পৰামৰ্শ দিয়ক। ক'ত কি কাম কৰিব লাগে, ক'ত আঁচনি প্ৰস্তুত কৰিব লাগে সেইবিলাক চিন্তা চৰ্চ্চা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, আগৰ চৰকাৰৰ দিনত তেনে ভাল কাম হোৱাৰ আমাৰ নজিৰ নাই। কিন্তু আমাৰ গণ পৰিষদ চৰকাৰ হোৱাৰে পৰা বহুতো কাম হৈছে। গতিকে মই আৰু বেচি নকওঁ এইখিনিতে কৈ কৰ্তন প্ৰস্তাৱটো উঠাই লোৱাৰ বাবে অনুৰোধ কৰি সামৰণি মাৰিলো।

*মকবুল হুচেইন : মাননীয় অধ্যক্ষ মহোদয়, মই বৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি কব বিচাৰিছো যে পঞ্চায়তীৰাজ স্থাপনৰ মূল উদ্দেশ্য আছিল ক্ষমতা বিকেন্দ্ৰকৰণ অৰ্থাৎ পঞ্চায়তৰ জৰিয়তে ৰাইজৰ হাতত সম্পূৰ্ণভাৱে কিছুমান ক্ষমতা দিয়া। আৰু ৰাইজৰ সুবিধামতে সকলো সমস্যা সমধান হব বুলি যি পঞ্চায়ত আইন কৰা হৈছিল, যি স্বীকৃতি দিয়া হৈছিল সেইমতে কিন্তু পঞ্চায়ত বিভাগত কাৰ্য্যকৰী কৰা দেখা পোৱা নাই। পঞ্চায়ত বিলাকত কোনো কাম কৰাৰ বাবে কোনো সুযোগ দিয়া নহ'ল। মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত আইনখন কৰাৰ সময়ত পঞ্চায়ত কৰ্মচাৰীসকলক দৰমহা দিয়াৰ ব্যৱস্থা কৰা নাছিল। প্ৰত্যেক পঞ্চায়তে ৭/৮ জন কৰ্মচাৰী আছিল। সেই কৰ্মচাৰীসকলৰ দা-দৰমহাৰ কোনো ব্যৱস্থা নকৰাৰ কাৰণে সেই কৰ্মচাৰীসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক অযথাই হাৰাশাস্তি কৰা হৈছে। তাৰোপৰি, পঞ্চায়ত বিলাকৰ আয়ৰ পথো নাই। যিবিলাক পঞ্চায়তে বজাৰ, মাটি আদি ডাক দিব পাৰে সেইসকলৰ কথা বেলেগ। বেলেগ গতিকে পঞ্চায়ত কৰ্মচাৰীসকলৰ দৰমহা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, গণ পৰিষদ চৰকাৰ অহাৰ পিছত প্ৰতিশ্ৰুতিৰ দিছিল যে, আগৰ চৰকাৰৰ দিনৰ পৰা ৪০ মাহৰ দৰমহা দিবলৈ বাকী আছে। সেই টকা আমি দিম। কিন্তু আজি আঢ়ৈ বছৰেও সেই টকা দিব পৰা নাই আৰু ব্যৱস্থাও কৰা নাই। এইদৰে আমাৰ পঞ্চায়ত কৰ্মীসকলক মিছা প্ৰৱঞ্চনাহে কৰা হৈছে। কৰ্মচাৰীসকল পংগু হৈ পৰিছে। কিছুমান ব্যক্তি স্বাৰ্থতহে এই পঞ্চায়তবিলাক কৰা যেন লাগিছে। গণ পৰিষদ চৰকাৰে এড্‌হক নকৰো বুলি প্ৰতিশ্ৰুতি দিয়েই ক্ষমতালৈ আহিছিল কিন্তু আৰম্ভণিৰে পৰাই তেখেতসকলে এতিয়া 'এড্‌হক চিষ্টেমেৰেই' এই পঞ্চায়ত বিলাক আৰম্ভ কৰিলে। গতিকে আগৰ চৰকাৰ আৰু এই চৰকাৰৰ মাজত কোনো পাৰ্থক্য নাই। আমি আজি আশা কৰিছো আমাৰ এই চৰকাৰো গণতান্ত্ৰিক বিধি ব্যৱস্থাৰ প্ৰতি আস্থা ৰাখি মহাত্মা গান্ধীৰ যি লক্ষ্য আছিল যে, পঞ্চায়তৰ দ্বাৰা আমাৰ জনসাধাৰণৰ কৰ্ম কৰাৰ সুবিধা হব, সেই লক্ষ্য পূৰণ কৰিবৰ কাৰণে যিমান পাৰি সোনকালে নিৰ্বাচন পতাৰ ব্যৱস্থা কৰিব।

মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত কৰ্মচাৰীসকল আজি পংগু হৈ পৰিছে বুলি এই কাৰণেই কৈছো যে, পঞ্চায়তত এইসকল নোসোমোৱা হলে হয়তো তেখেতসকলো আন ধৰণে জীৱন নিৰ্বাহ কৰিব পাৰিলেহেঁতেন। গতিকে এই

*Speech not corrected

লোকসকল যাতে উদ্ধাৰ পাব পাৰে তাৰ কাৰণে পঞ্চায়ত বিলাকৰ আয়ৰ পথৰ সুবিধা কৰি দিব লাগে।

( মাননীয় উপাধ্যক্ষই বেল বজায় )

মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত আইন কৰাৰ সময়ত কোনো কৰ্মচাৰীয়েই পঞ্চায়ত বা মহকুমা পৰিষদৰ প্ৰেচিডেন্ট বা কাউন্সিলৰ আদি হব নোৱাৰিব। কিন্তু যিবিলাক 'এডহক্' কমিটি তৈয়াৰ কৰিলে সেই বিলাকত আমি দেখা পাইছো যে, দুই এঠাইত ইয়াৰ ব্যতিক্ৰম হৈছে। এইটো যাতে হব নোৱাৰে তাৰ কাৰণেও আশা ৰাখিছো। মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু বেছি কথা কব খোজা নাই। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Shri Abdul Hamid : Mr. Deputy Speaker Sir, both the Ministers are absent.

( Just at that moment Minister, Panchayat entered the House )

*শ্ৰীদেবেশ্বৰ বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত শিতানত যি দাবী মঞ্জুৰী আমাৰ মাননীয় পঞ্চায়ত মন্ত্ৰী ডাঙৰীয়াই আনিছে তাৰ সমৰ্থনত মই কেই আষাৰমান কথা কব খুজিছো। পঞ্চায়ত ব্যৱস্থা সম্পৰ্কে ইতিমধ্যে আমাৰ দুয়ো পক্ষৰ মাননীয় সদস্য সকলে অংশ গ্ৰহণ কৰি ভালেমান কথাই কৈছে যদিও পঞ্চায়ত ব্যৱস্থা সম্পৰ্কে তেখেত সকলৰ ভাষণত উচিত প্ৰতিফলন হোৱা নাই। কিয়নো পঞ্চায়ত ব্যৱস্থাৰ দ্বাৰাই মহাত্মা গান্ধীয়ে ভাৰতবৰ্ষত স্বৰাজ লাভৰ সপোন দেখিছিল। পঞ্চায়ত ৰাজৰ জৰিয়তেই গান্ধীজীয়ে স্বৰাজ লাভ কৰাৰ সপোন দেখিছিল। কিন্তু দেশ স্বাধীন হোৱাৰ পিছত কংগ্ৰেছে এই পঞ্চায়তক ৰাজনীতিৰ হস্তক্ষেপৰে ধ্বংশৰ ফালে থেলি দিলে। পঞ্চায়ত ব্যৱস্থাৰ জৰিয়তে আমাৰ ৰাইজৰ তথা দেশখনৰ উন্নতি লাভ কৰাৰ পৰিবৰ্তে ৰাজনৈতিক উদ্দেশ্য পূৰণ কৰিবৰ কাৰণে ৰাজনৈতিক হাথিয়াৰ হিচাপেহে গ্ৰহণ কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই বাজেটত মই সম্পূৰ্ণ সমৰ্থন জনাইছো আৰু লগতে মই অনুভব কৰিছো যে যি ২১ কোটি টকা ইয়াত বিচৰা হৈছে ই অতি নগণ্য হৈছে। অসমত আজি ৭১৪ খন গাওঁ পঞ্চয়ত আৰু ৩১ খন মহকুমা পৰিষদ আছে। বিভিন্ন প্ৰকাৰে এই বিলাকক সহায় কৰিবলৈ হলে আমাৰ টকা কম হৈছে বুলিহে মই কও। মই এইখিনিতে এটা কথা মন্ত্ৰী মহোদয়ৰ উত্তৰত জানিবলৈ পাম বুলি ভাবিছো সেইটো হৈছে— ইয়াত এটা চাচপেন্স একাউন্টচ আছে, এইটো কিয় কৰা হৈছে ? ৫ লাখ টকা Suspense

* Speech not corrected

account । উপাধ্যক্ষ মহোদয়, আজি এই বাজেটত চচিয়েল চাৰ্ভিচ একাউণ্টচত ৩ কোটি ২৬ লাখ ৬৫ হেজাৰ টকা খৰচ কৰিবলৈ বিচৰা হৈছে। Sixth Schedule চিক্সথ চিডিউলত প্লেন এণ্ড নন প্লেন শিতানত টকা ধৰা হৈছে। আমাৰ চচিয়েল চাৰ্ভিচ শিতানত যিমানখিনি টকা ধৰা হৈছে মই আশা ৰাখিছো এই টকাখিনি সতভাবে খৰচ হব লাগে। আমাৰ গাওঁ পঞ্চায়ত এলেকাত এই বিভাগৰ পৰা শিশুৰ কাৰণে বিনামূলীয়া পুষ্টিকৰ খাদ্য যোগান ধৰা হয়। কিন্তু এই খাদ্যবোৰ স্বাস্থ্যসন্মত নহয় বুলি প্ৰায়েই অভিযোগ শুনা যায়। শিশুৰ কাৰণে দিয়া এই খাদ্যবোৰ স্বাস্থ্যসন্মত হয়নে নহয় এই বিষয়ে চাব লাগে। টেণ্ডাৰ কল কৰাৰ পৰা বস্তু যোগান ধৰালৈ বহুত সময় লাগে, বস্তুবোৰ বেয়া হোৱাৰ সম্ভবনা থাকে। এইবোৰ কথাৰ প্ৰতি বিভাগে দৃষ্টি দিব লাগে। উপাধ্যক্ষ মহোদয়, গাওঁ পঞ্চায়ত আৰু মহকুমা পৰিষদৰ কাৰণে প্লেন আৰু নন-প্লেন শিতানত যি টকা ধৰা হৈছে ই কম হৈছে ইয়াক বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ ডি, আৰ, ডি, এ বিভাগে যিমান কাম কৰিব পাৰে গাওঁ পঞ্চয়ত বা মহাকুমা পৰিষদে সিমান কৰিব নোৱাৰে টকাৰ নাটনিৰ বাবেই। কমিউনিটি উন্নয়ণ শিতানত ধৰা টকা যাতে সত্‌ভাবে খৰচ হয় তাৰ কাৰণে চকু দিব লাগে।

উপাধ্যক্ষ মহোদয়, মাননীয় কেইবা গৰাকীও সদস্যই এই আলোচনা কালত পঞ্চায়ত আৰু মহকুমা পৰিষদৰ কৰ্ম্মচাৰী সকলৰ কথা উল্লেখ কৰিছে। উক্ত কৰ্ম্মচাৰী সকলে যোৱা ৪০ মাহৰ দৰমহা পাবলৈ বাকী আছে। ইতিমধ্যে ই কৰ্ম্মচাৰী সকলে যোৱা ২৫-২৬ এপ্ৰিলৰ পৰা পঞ্চয়াত কাৰ্য্যালয় সমূহৰ সন্মুখত তেওঁলোকৰ বিভিন্ন দাবীৰ সমৰ্থনত পিকেটিং কৰিছে। এই কৰ্ম্মচাৰী সকলৰ নিৰাপত্তা আৰু অন্যান্য অসুবিধা সমূহৰ কথা চৰকাৰে চিন্তা কৰিব লাগে। আৰু এটা কথা ভাৰতৰ কিছুমান ৰাজ্যত এই পঞ্চায়ত কৰ্ম্মচাৰী সকলক চৰকাৰী চাকৰিয়াল হিচাপে গন্য কৰিছে— আমাৰ চৰকাৰেও এই বিষয়টো গভীৰভাবে চিন্তা কৰিব লাগে। কৰ্মচাৰী সকলে প্ৰয়োজনীয় সা-সুবিধা নেপালে বিভাগে উন্নয়নমূলক কাম কৰাত অসুবিধা হব। মই এই খিনিতে আৰু এটা কথা উল্লেখ কৰিব খুজিছো সেইটো হৈছে পঞ্চায়ত বিভাগৰ সঞ্চালক গৰাকীৰ বিত্তীয় ক্ষমতা ২০ হেজাৰ টকাতে সীমিত কৰি ৰখা হৈছে। যাৰ কাৰণে ২০ হেজাৰ টকাতে সীমিত কৰি ৰখা হৈছে। যাৰ কাৰণে ২০ হেজাৰ টকাৰ ওপৰৰ আঁটনিৰ কাৰণে তেওঁ অনুমোদন দিব নোৱাৰে, ফলত কামত লেহেম

হয়। এই ১০ হেজাৰ টকা ১৯৪৭ চনতে ঠিক কৰা হৈছিল আজি ১৯৮৮ চনতো সি একেই আছে। এই বিত্তীয় ক্ষমতা বৃদ্ধি কৰাৰ বাবে চৰকাৰে ব্যৱস্থা কৰিব লাগে বুলি মই চৰকাৰক পৰামৰ্শ আগবঢ়াইছো।

উপাধ্যক্ষ মহোদয়, বৰ্তমান পঞ্চায়ত ব্যৱস্থা তিনি খলপীয়া কৰাৰ কাৰণে পঞ্চায়ত আৰু মহকুমা পৰিষদ সমূহৰ ৰাজহ (নিজস্ব) কমি যাব। সেয়ে তেওঁলোকে বিভিন্ন উন্নয়নমূলক কাম কাজ কৰাত বাধাপ্ৰাপ্ত হব। চৰকাৰে বাজেটত এই বিভাগৰ কাৰণে অধিক টকা ধাৰ্য্যৰ ব্যৱস্থা লব লাগে। এইবাৰ ধৰা নহল যদিও পৰিপূৰক বাজেট উত্থাপন কৰিলেও টকা বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিব লাগে। আৰু এটা কথা পঞ্চায়ত আৰু মহকুমা পৰিষদৰ দ্বাৰা যিবোৰ নিবিদা গ্ৰহণ কৰা হয় সেইবোৰ লোৱেষ্ট ৰেটত গ্ৰহণ কৰিব নেলাগে, হায়েষ্ট ৰেটত গ্ৰহণ কৰাৰ কাৰণে ব্যৱস্থা লব লাগে। ইয়াৰ ফলত পঞ্চায়তৰ ৰাজহ বৃদ্ধি হয়। কাম হায়েষ্ট নিবিদা দাৰক অৰ্পণ কৰিব লাগে। এই দিশটোত বিশেষ চকু দিব লাগে। কিয়নো পঞ্চায়ত বা মহকুমা পৰিষদৰ ৰাজহৰ আৰু অন্য ব্যৱস্থা নাই। (সময় সংকেত)। মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু বেছি কবলৈ নেযাও। আজি ইয়াত মন্ত্ৰী মহোদয় যি মঞ্জুৰী উত্থাপন কৰিছে তাক পূৰ্ণ সমৰ্থন জনাইছো আৰু বাজেটত টকা কম হৈছে বুলি পুনৰ দোহাৰিছো কিয়নো গান্ধীজীৰ সপোনৰ ৰামৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ হলে এই পঞ্চায়ত বিভাগলৈ আমি আৰু টকা দিব লাগিব। ইয়াকে কৈ মই সামৰণি মাৰিছো।

*कुमारी रबि दास : उपाध्यक्ष महोदय, इस सदन में हमारी पार्टी द्वारा जो विरोधी प्रस्ताव लाया गया है उसका मैं समर्थन करती हूँ और उसके विषय में मैं अपना विचार व्यक्त करना चाहती हूँ। उपाध्यक्ष महोदय, गांधीजी का विचार था कि पंचायत के द्वारा ही इस देश की अवस्था सुधारी जा सकती है। यदि हमें शान्ति और विकास के पथ पर चलना है तो हमे पंचायत के कार्य-कलापों को और अधिक उच्च बनान होगा। हमारी जो समस्यायें हैं उनका समाधान पंचायत के जरीये ही हो सकता है। इसको इतना आसान और विश्वासनीय बना दिया जाए ताकि जनता को कहीं अन्य जगह अपने आपसी मामले के लिए भटकना न पड़े। किंतु दुख के साथ यह कहना पड़ता है कि इस बारे में जितना करना चाहिए था उतना अभी तक नहीं हो सका है। हमारी कांग्रेस पार्टी ने इस विषय में बहुत कुछ किया और गांधी जी का जो सपना था उसे साकार करने के लिए बहुत प्रयन्न किया

*Speech not corrected

है। परन्तु यह सरकार इस विषय में बिल्कुल अलग काम कर रही हैं। इस सरकार को पंचायात के बारे में क्या करना चाहिए उसे बिल्कुल ध्यान नहीं है। यह बड़े दुख की बात है कि इतने दिनें के बाद भी पंचायत के चुनाव अभी तक पूरे नहीं हो सके और बार-बार यह सरकार आश्वासन दे रहीं है कि जल्दी ही चुनाव करा दिये जाऐंगे। ऐसा लगता है कि यह आश्वासन कोरा निराधार है।

उपाध्यक्ष महोदय, यही नहीं, बल्कि यह सरकार अपने मनमाने ढ़ंग से महकुमा परिषद और ग्राम पंचायतों में ए-टक नियुक्ति कर के पूरे पंचायत के कार्य कालापों को अनियमित ढ़ंग से बदल दिया है। यह इस सरकार का अनैतिक कार्य है। हर जगह कौन्सिलर और ग्राम पंचायत के सदस्य अपने मानमानी ढ़ंग से काम कर रहे हैं जिसका परिनाम यह हो रहा है कि हर एक जाति और समुदाय में विरोध की भावना दिन पर दिन फैल रही है। विशेषकर पिछड़े वर्ग की जातियों और जन-जातियों में इस तरह की भावना और अधिक फैल रही है क्योंकि उन्हे पंचायत के कायों में उचित स्थान नहीं मिला हैं।

उपाध्यक्ष महोदय, मैं ज्यादा दूर की बात नहीं कहती हूँ शिलचर और करोमगंज की ही बात ले लीजिए। यहाँ पर न तो इन पिछड़ी वर्ग्र की जातियों और जन-जातियों के लिए डो॰ आरडी॰ ए, बी॰एल सी॰ सी आदि से जो सुविधायें और सहायता मिलतो है वह इन्हे नहीं मिल रही है। मैं आपके जरीये इस सरकार से अनुरोध करती हूँ कि इन्हें वह सारी सुविधायें मिले जो इनको मिलनी चाहिए।

उपाध्यक्ष महोदय, आपके द्वारा मैं इस सरेकार के माननीय मंत्री पंचायत का ध्यान इस ओर आकर्षित कराना चाहती हूँ ताकि भविष्य में इस विभाग द्वारा जो कार्य किए जायँ वह जनता के हित में हो और इस बजत के द्वारा जो रुपये दिये जा रहें हैं उनका उचित सदुपयोग हो। क्योंकि सिर्फ रुपये लगा देनेसे ही जनता के कार्य नहीं हो जाते बल्कि इसका देख-रेख भी करना चाहिए ताकि हमारे प्रदेश की जनता उससे लाभान्वित हो सके। प्राय: हम देखते है कि इस ओर ध्यान नहीं दिया जाता। अतः मेरी सरकार से अनुरोध है कि इस ओर ध्यान देकर इसे ठीक तरह से चालाने का प्रयत्न करें।

---

Speech not corrected.

उपाध्यक्ष महोदय, कहने के लिए तो इस बारे में बहुत कुछ है किन्तु मेरे पास अधिक समय नहीं है। मैं अपने छेत्र के बारे में भी दो-चार शब्द कहना चाहती हूँ। मेरा छेत्र रातावारी जी कि पिछड़ी जाति का सुरक्षित छेत्र हैं। यहाँ के ब्लाक लेबेल स्तर पर जी सुविधा जनता को मिलनी चाहिए वह नहीं मिल रही है। रामकृष्ण नगर ब्लाक डेबलपमेन्ट आफिस की भी वही हालत है। सरकार से मेरा अनुरोध है कि इस संदर्भ में जाहाँ तक भी हो सके जनता की भलाई के लिए उचित कदम उठाये ताकि पंचायत विभाग पर जनता का विश्वास बना रहे।

उपाध्यक्ष महोदय, आपके जरिये मैं माननीय मंत्री महोदय को अवगत करा रही हूँ कि रामकृष्ण नगर ब्लाक, करीमगंज जिले में सबसे बड़ी और अनुसुचित जाति संरक्षित ब्लाक है। लेकिन दुख की वात है कि जो स्पेशियल वुट्शान प्रोग्राम है वह हमारे ब्लाक मे नहीं है। उपाधयक्ष महोदय जी, मैं अपके जारिये मंत्री महोदय जी की अनुरोध करुँगी कि हमारी पिछ पिछड़ी और ग्रामिण छेत्र में इस स्पेशियल नुट्रिशन प्रोग्राम ग्रहन करें। यही वर्तमान सरकार से हमारी आशा है। धन्यवाद।

*শ্ৰীকুম্ভেশ্বৰ টাইৰাই ( গগৈ ): মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে যিটো মঞ্জুৰী বিচাৰিছে উক্ত মঞ্জুৰীটো সমৰ্থন কৰি মই কব বিচাৰিছো যে ইতিমধ্যে গাওঁ সংগঠন বা গাওঁ উন্নয়নৰ কাৰণে পঞ্চায়তবিলাক পূৰ্ণগঠন কৰিবৰ কাৰণে বিভাগীয় মন্ত্ৰী মহোদয়ে যি মঞ্জুৰী লাগে সেই মঞ্জুৰীৰ লগত এই মঞ্জুৰী যথেষ্ঠ নহয়, এই কথা মই স্পষ্টকৈ কব বিচাৰিছো। এই বিভাগটো গত চৰকাৰৰ সময় চোৱাত এটা ফাণ্ড কালেকচন বিভাগ হিচাবে ৰখা হৈছিল। উন্নয়ন খণ্ডৰ লগত সংহতি ৰাখি পঞ্চায়তৰ লগত যোগ কৰি বিভিন্ন আঁচনি জৰিত কৰি যিখিনি অনুমোদিত টকা সেইখিনিক সেই সময়ৰ ৰাজনৈতিক ফাণ্ড হিচাবে ব্যৱহাৰ কৰা হৈছিল। বৰ্তমান চৰকাৰে এই বিভাগৰ কাৰণে যিখিনি অনুমোদিত ধন সেই ধনখিনি যাতে প্ৰকৃত পঞ্চায়ত ব্যৱস্থাত খৰছ হয় গাওঁ সমূহৰ উন্নয়নৰ কামত লগাব পাৰি তাৰ কাৰণে প্ৰকৃত আঁচনি গ্ৰহণ কৰাত মন্ত্ৰী মহোদয়ে গুৰুত্ব দিব লাগিব। কাৰণ এই পঞ্চায়ত বিভাগটোৰ ওপৰত গাওঁ সংগঠন বা গাওঁ উন্নয়ন নিৰ্ভৰ কৰে। এই পঞ্চায়তৰ দ্বাৰাহে আমি গাওঁ সংগঠণ আৰু গাওঁ উন্নয়নৰ বুনিয়াদ গঠণ কৰিব পাৰিম। কিন্তু বৰ্তমান যিটো পঞ্চায়ত

* Speech not Corrected

ব্যৱস্থা সেইটো তুখ লগা একেবাৰে বেঙ্কাৰ বেমাৰৰ নিচিনা হৈছে বুলি কবলৈ বাধ্য হৈছো। এই পঞ্চায়তে বিভিন্ন ধৰণৰ আঁচনিসমূহ ৰূপায়ন কৰোতে কোনো নীতি নিয়ম মানি চলা আমি দেখা পোৱা নাই। পঞ্চায়তবিলাকে উন্নয়নমূলক আঁচনি সমূহ সাংবিধানিক ভিত্তিত কৰা হোৱা নাই। সেই কাৰণে মই কৰ্ত্তন প্ৰস্তাবটিৰ বিৰোধিতা কৰি মঞ্জুৰীটোৰ ওপৰত মোৰ মতামত দাঙি ধৰিম আৰু লগে লগে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে গাওঁ সংগঠন ও গাওঁ উন্নয়ন কামবিলাকত যাতে এই মঞ্জুৰী পোৱাৰ পাছত বেছি গুৰুত্ব আৰোপ কৰে। পঞ্চায়ত ব্যৱস্থাৰ উন্নতি কৰিবলৈ হলে কেইটামান দিশ লক্ষ্য কৰিব লাগিব সেই কেইটা দিশ হৈছে পঞ্চায়ত এলেকাৰ ভিতৰত কিছুমান পঞ্চায়তৰ কৰ্মসূচী নিৰ্ধাৰণ কৰিব লাগে, এই কৰ্মসূচীখন পঞ্চায়তৰ ভিতৰত আঁচনি ৰূপায়ণ কৰোতে বেছি দৰ্কাৰ। পঞ্চায়ত সমূহৰ সীমা নিৰ্ধাৰণ কৰিব লাগে যাতে নিজৰ জুৰিদিকচনৰ ভিতৰতে আঁচনিবিলাক লব পাৰে, সেই সীমা নিৰ্ধাৰণ আমাৰ প্ৰকৃতপক্ষে হোৱা নাই। পঞ্চায়তসমূহৰ সীমা নিৰ্ধাৰণ স্পষ্ট নহোৱা কাৰণে কোনো অঞ্চলত বা পঞ্চায়তত জনসংখ্যা অধিক পৰিমাণৰ বেছি হৈ গৈছে। আজিৰ পৰা ৬ মাহমান আগতে বিভাগীয় কৰ্তৃপক্ষই নিৰ্দেশ দিছিল যে ৬ হাজাৰৰ পৰা ৮ হাজাৰ জনসংখ্যাৰ ভিতৰত একোখন পঞ্চায়ত গঠন কৰাৰ ব্যৱস্থা লোৱা হৈছে আৰু সেইমতে জৰীপ আদিও কৰা হ'ল। ডাঙৰ ডাঙৰ পঞ্চায়তবিলাক ভাঙি সৰুকৈ নতুনকৈ পঞ্চায়ত গঠন কৰা হ'ল কিন্তু সেইবিলাক স্পষ্ট অনুমোদন পালে নে নাই গম পোৱা নাই। গতিকে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে অতি সোনকালে পঞ্চায়ত পুনৰ গঠনত অনুমোদন জনায় আৰু তেতিয়াহে আমি জনসাধাৰণৰ সুবিধাৰ্থে কাম কৰি যাবলৈ সুবিধা পাম।

উপাধ্যক্ষ মহোদয়, সেইদৰে পঞ্চায়ত বিভাগৰ ক্ষেত্ৰত যিহেতুকে সকলোবিলাক মাননীয় সদস্যইও মত প্ৰকাশ কৰিছে আৰু ডি-আৰ-ডি-এৰ আঁচনিবোৰ জড়িত হৈ আছে, প্ৰত্যেকটো ডেভেলপমেণ্ট ব্লক জড়িত হৈ আছে সেই কাৰণে সৰু বিলাকৰ ক্ষেত্ৰত আৰু পঞ্চায়ত বিলাকৰ ক্ষেত্ৰত স্পষ্ট নীতি নিৰ্দেশনা থকাৰ দৰকাৰ। ব্লক বিলাকৰ সীমাৰ ক্ষেত্ৰতো এই নিৰ্দেশনা থকাৰ প্ৰয়োজন। ক'ৰবাত একোটা সমষ্টিত দুটা ব্লক পৰিছে, ক'ৰবাত এটাও নাই আৰু কিছুমান ডেভেলাপমেণ্ট ব্লক তিনিটা সমষ্টিৰ মাজত পৰিছে। সেই কাৰণে ব্লকৰ লগত সংগতি ৰাখি কাম কৰিবলৈ যাওঁতে সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত অসুবিধা হোৱা কাৰণে কাম কৰোতো অসুবিধা হয়। সেয়ে ব্লক বিলাকৰ ক্ষেত্ৰত সীমা নিৰ্ধাৰণৰ নিৰ্দেশনা থাকিলে কাম কৰিবলৈ সুবিধা হব। তাৰ পিচত চতুৰ্থ কথা হৈছে পঞ্চায়ত আৰু মহকুমা

পৰিষদৰ মাজত যোগসূত্ৰ কম হৈছে। আমিও দেখিছো আৰু বিৰোধী পক্ষৰ সদস্য ভালেকেইজনে যুক্তি দৰ্শাইছে যে বহুত সময়ত আমাৰ মহকুমা পৰিষদৰ বিষয় ৰখীয়া বা সদস্যসকলে পৰিস্থিতি আৰু পৰিবেশ সাপেক্ষে কামত হস্তক্ষেপ কৰা দেখা গৈছে। কথাটো এইটো নহয় যে মহকুমা পৰিষদৰ চি-ই-চি বা কাউন্সিলৰ বা অন্যান্য ৰাজনৈতিক হস্তক্ষেপ কৰিব পাৰে। কিন্তু এইটো ঠিক স্পষ্ট হৈছে যে পঞ্চায়ত আৰু মহকুমা পৰিষদৰ মাজত যোগসূত্ৰৰ মাজত ফাঁক পৰিলক্ষিত হৈছে আৰু ইয়াৰ ফলত আঁচনি বিলাক ৰূপায়ণ কৰাত অসুবিধা হৈছে। ঠিক সেইদৰে পঞ্চায়তৰ যোগেদি যিবিলাক ৰাজহ ৰাজহুৱা ভাৱে আদায় হব লাগে হাত-বজাৰ, ঘাট নাওঁ আদিৰ পৰা সেইবিলাকৰ পৰা সেই পৰিমাণে আদায় হোৱা নাই আৰু তাৰ ফলত চৰকাৰী ৰাজহ ক্ষতিগ্ৰস্ত হৈছে। তাৰ কাৰণ হৈছে এই হাত-বজাৰ, পাৰঘাট আদিৰ ক্ষেত্ৰত যিভাবে সাংবিধান ভাবে টেণ্ডাৰ আদি কৰি সেইবিলাক দিব লাগিছিল সেই ক্ষেত্ৰত বহুত ব্যতিক্ৰম ঘটে। আৰু এই ব্যতিক্ৰমৰ ফলতেই প্ৰকৃত ৰাজহ চৰকাৰী পুঁজিত জমা নহয়গৈ। হাত লৈ থকা ব্যক্তিজনকেই আকৌ এবাৰৰ কাৰণে লচ দেখুৱাই প্ৰকৃত হিচাব নেদেখুৱাই পুনৰ হাত বজাৰ দিয়াৰ দিহা হৈ আছে। এই ধৰণে এক্‌টেনচন দিয়াৰ ফলত ৰাজহ আদায়ত অসুবিধা হৈছে। এইবিলাক কথালৈ বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। উপাধ্যক্ষ মহোদয়, তাৰ পিচত আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হৈছে পঞ্চায়ত বিভাগৰ কৰ্মচাৰীসকলৰ দৰমহা। এইবিলাক কাগজে পত্ৰেও জনাই গৈছে। কৰ্মচাৰীসকলে দৰমহা পোৱাৰ ক্ষেত্ৰত ব্যতিক্ৰম ঘটিছে। এইটো বৰ দুখৰ বিষয়। পঞ্চায়ত বিভাগক পুনৰগঠন কৰি গ্ৰাম্য উন্নতিকৰণৰ কাৰণে উপযুক্ত কৰি গঢ়ি তুলিবলৈ হলে তাত কাম কৰি থকা কৰ্মচাৰী সকলৰ কথাও চিন্তা কৰিব লাগিব। তেওঁলোকক দৰমহা দিয়াটোও অসম চৰকাৰৰ দায়িত্ব। মই আশা ৰাখিছো বিভাগীয় মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত বিহিত চিন্তা কৰিব। আজি সদনৰ জৰিয়তে এই অনুৰোধ মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ ওচৰত ৰাখিছো। তাৰ পিচত পঞ্চায়ত চেক্ৰেটাৰী যিবিলাক আছে তেওঁলোককলৈ এটা স্পষ্ট নীতি নিৰ্দেশনা প্ৰেৰণ কৰিব লাগে। বহুত সময়ত স্পষ্ট নীতিৰ অভাৱৰ কাৰণে বিধায়ক আৰু বি-ডি-অ অফিচৰ লোকসকল দুৰ্নীতিত লিপ্ত হোৱাৰ সুযোগ আছে। তাতে আকৌ কৰ্মচাৰীসকলে দৰমহা নোপোৱাৰ কাৰণে হাট বজাৰ আদি দিয়াৰ ক্ষেত্ৰত চাৰ্টিফিকেট অন্যায় ভাবে যদি মহকুমাপৰিষদৰ লগত যোগাযোগ কৰি চৰকাৰক ৰাজহৰ পৰা বঞ্চিত কৰি আছে। এনেদৰে দুৰ্নীতিত লিপ্ত হোৱাও পৰিলক্ষিত হৈছে সেই কাৰণে কৰ্মচাৰীসকলৰ দৰমহা দিয়াৰ এটা সুবন্দবস্ত হব

লাগে। মোৰ ভাষণৰ জৰিয়তে এই কেইটা পৰামৰ্শ আগ বঢ়াই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো। ইয়াত উত্থাপিত দাবী মঞ্জুৰীটো সমৰ্থন কৰিছো।

*শ্ৰীস্বহিদুল ইচলাম : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ পঞ্চায়ত বিভাগৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে তাত মই পুৰ্ণ সমৰ্থন জনাইছো। তাৰ কাৰণ হৈছে বৰ্ত্তমান পঞ্চায়ত বিভাগটো এডহকিজিমত চলিছে আৰু এই এডহকিজিম ব্যৱস্থাই গণতন্ত্ৰক হত্যা কৰা হৈছে। গণতন্ত্ৰক হত্যা কৰা এটা ব্যৱস্থাক আমি কেতিয়াও সমৰ্থন কৰিব নোৱাৰো। কিয়নো আমি ৰাইজৰ প্ৰতিনিধি হিচাবে গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত হৈ এই বিধান সভালৈ আহিছো। আমি সেই কাৰণে গণতন্ত্ৰক হত্যা কৰা এই বাজেট মঞ্জুৰী সমৰ্থন কৰিব নোৱাৰো। দ্বিতীয়তে যিটো তিনি তৰপীয়া পঞ্চায়ত ব্যৱস্থা ভাবিছে সেইটোয়ে আৰু সমস্যাৰহে সৃষ্টি কৰিব। কিয়নো আগতে মহাকুমা পৰিষদ আছিল আৰু গাওঁ পঞ্চায়ত আছিল। গাওঁ পঞ্চায়তৰ পৰিসৰ ডাঙৰ আছিল আৰু তাৰ জৰিয়তে গাওঁ পঞ্চায়তৰ বহুত কাম হৈছিল আৰু তেনে কাম কৰি থকাৰ সুবিধা হ'লহেতেন আৰু কৰ্ম্মচাৰী সকলেও কাম কৰি ভাল পালেহেতেন। তাৰ সলনি গাওঁ পঞ্চায়ত বেছি কাৰণে কৰ্ম্মচাৰীৰ সংখ্যাও বৃদ্ধি হৈছে অথচ দৰমহা দিব পৰা নাই। পঞ্চায়ত অফিচো মানুহৰ ঘৰে ঘৰে হৈছে। চোতালে চোতালে পঞ্চায়তৰ ঘৰ সাজিবলৈ চৰকাৰৰ ইমান টকা নাই। বাজেটত ইমান টকাৰ ব্যৱস্থা কৰিব নোৱাৰে। ফলত তিনি তৰপীয়া ব্যৱস্থা কৰিব বিচৰাৰ পৰা সমস্যা আৰু সৃষ্টি হে হব। তৃতীয় কথা হৈছে কৰ্ম্মচাৰীসকলৰ বিষয়ে। কৰ্ম্মচাৰী দুজনে চিপজৰী লগাই আত্মহত্যা কৰিছে। পঞ্চায়ত অফিচৰ ভিতৰতে চিপজৰী লগাই মৃত্যু বৰণ কৰাটো লজ্জাজনক কথা। স্বাধীন ভাৰতত মহামানৱ মহাত্মা গান্ধীৰ পঞ্চায়তী ৰাজৰ ৰামৰাজ্যৰ সপোন এনেকৈয়ে দেখ দেখকৈ ব্যৰ্থ হৈছে। পঞ্চায়ত কৰ্ম্মচাৰীয়ে দৰমহা নাপায় আৰু গলত চিপজৰী লগাই মৃত্যু বৰণ কৰিছে। পঞ্চায়ত মন্ত্ৰী ডাঙৰীয়াই যদি সমষ্ট পঞ্চায়ত কৰ্ম্মচাৰীকে চৰকাৰীকৰণ কৰাৰ কাৰণে বিল উত্থাপন কৰিলেহেতেন তেনেহলে আমি বিৰোধী দল সমন্বিতে সকলোৱে সমৰ্থন কৰি সেই বিলৰ টকা পাচ কৰি দিলোহেতেন। কিন্তু সেই বিষয়ে বাজেট মঞ্জুৰীত কোনো উল্লেখ নাই। অসম চৰকাৰে নোৱাৰে যদি কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আনি হলেও মানৱীয়তাৰ দিশ চাই সেই দৃষ্টিভঙ্গীৰে আমি এইটো ব্যৱস্থা কৰাৰ সমৰ্থন জনালোহেঁতেন। আমাৰ পবিত্ৰ সদনত

*Speech not Correeted

এই শিতানত যদি আমি বিবেচনা কৰিব নোৱাৰো, যদি আলোচনা কৰিব নোৱাৰো, মানবতাৰোধ পাহৰি গৈ তেওঁলোকৰ কথা নাভাৱো তেতিয়াহলে আমি বিধায়ক হিচাবে ইয়াত আহি আলোচনা কৰাৰ কোনো যুক্তি নাই। কাৰণ আমি মানৱীয় দৃষ্টিভঙ্গী পাহৰি যাব নোৱাৰাৰ এটা কথা মই কব বিচাৰিছো। ৬ বছৰীয়া যিটো আন্দোলন বিদেশী সমস্যা সমধানৰ কাৰণে হৈছিল এই সমস্যাটো একেবাৰে সমাধান কৰাৰ এটা মাত্র উপায় আছে সেইটো হৈছে পঞ্চায়ত ব্যৱস্থা। পঞ্চায়তত জন্ম মৃত্যুৰ তালিকা থকা হলে আজি আন্দোলনৰ প্ৰশ্ন নাহিলহেতেন। কিয়নো তাত কোন মৰিছে কোন জন্ম হৈছে লিষ্ট উলিয়াই দিয়াৰ লগে লগে বিদেশী সমস্যা অসমত নাথাকিলহেতেন। আৰু এই সমস্যা সমাধানৰ কাৰণে আন্দোলনো নহলহেতেন। আগৰ চৰকাৰে এই বিলাক বিষয়ত ভুল কৰি থৈ গৈছে। গতিকে এই নতুন চৰকাৰে এই বিলাক ভুল সংশোধন কৰক। মই পলিটিৰ কথাহে কৈছো। এই বিষয়টো ভালদৰে বিবেচনা কৰি এটা নীতি গ্ৰহণ কৰিব লাগে। পশ্চিম বঙ্গ, গুজৰাট আদি ৰাজ্যত যেনেকৈ পঞ্চায়তৰ কৰ্ম্মচাৰী সকলক প্ৰাদেশিকীকৰণ কৰা হৈছে ঠিক তেনেকৈ আমাৰ অসমতো কেন্দ্ৰীয় চৰকাৰৰ পৰা আচুতীয়া ধন লৈ পেলাই হলেও পঞ্চায়ত কৰ্ম্মচাৰী সকলক প্ৰাদেশিকীকৰণ কৰি পঞ্চায়তী ৰাজৰ ব্যৱস্থা উন্নত কৰি গাৱত বাস কৰা শতকৰা ৮০ ভাগ মানুহৰ উন্নতিৰ হকে কাম কৰিবলৈ আহ্বান জনাইছো। কিয়নো শতকৰা ৮০ ভাগ গাঁৱলীয়া জনসাধৰনৰ উন্নতিৰ অবিহনে অসমৰ উন্নতি আশা কৰিব নোৱাৰি। গতিকে মই পঞ্চায়ত মন্ত্ৰী ডাঙৰীয়াক পুনৰ অনুৰোধ জনাইছো যাতে এই কথাবিলাক পুনৰ বিবেচনা কৰি সুস্থ-সবল সোণৰ অসম এখন গঢ়ি তোলাত সহায় কৰে। এই খিনিকে কৈ সামৰণি মাৰিলো।

( Mr. Deputy speaker Vacates the Chair at 11.39 Hrs. and Mr. Speaker occupies the same. )

*শ্ৰীপ্ৰফুল্ল গোস্বামী: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে আহি থকা বছৰটোৰ বাবে যি পৰিমানৰ টকা উত্থাপন কৰিছে তাত একান্ত সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষৰ সদস্যসকলে যিটো কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি মই মোৰ বক্তব্য ৰাখিবলৈ আগবাঢ়িছো। এই পঞ্চায়তীৰাজ চিচ্টেম মহামানৱ মাহাত্মা গান্ধীৰ ভাৰতবৰ্ষত ৰামৰাজ্য প্ৰতিস্থা কৰা এটা কাল্পনিক সংগঠন আছিল আৰু সেই লৈয়েই পঞ্চায়ত প্ৰতিষ্ঠা কৰা

* Speech not corrected

হৈছিল। কিন্তু এটা কথা আমি দেখিবলৈ পাইছো যি উদ্দেশ্য আৰু লক্ষ্য লৈ গাওঁত বাস কৰা অৰ্থনৈতিক আৰু শিক্ষাৰ ক্ষেত্ৰত পিছ পৰা এই মানুহখিনিৰ উন্নতি কামনা কৰা হৈছে সেই পঞ্চায়ত বিলাকত লাহে লাহে ৰাজনৈতিক উদ্দেশ্য জড়িত কৰা হ'ল যাৰ কাৰণে প্ৰথম অৱস্থাত যদিও পঞ্চায়ত বিলাকে ৰাইজৰ অৰ্থনৈতিক ক্ষেত্ৰত কিছু অৱিহণা যোগাইছিল কিন্তু শেষলৈ পঞ্চায়ত বিলাক বেচি ভাগেই ৰাজনৈতিক পাৰ্টি আৰু ভোট কেনভাচিং কেন্দ্ৰলৈ ৰূপান্তৰিত হোৱা পৰিলক্ষিত হ'ল। গাঁৱ অঞ্চলত ৰাজনৈতিক উদ্দেশ্য সাধন কৰাৰ কাৰণে একোটা কেন্দ্ৰ হৈছে আৰু সেইবিলাকেই হ'ল পঞ্চায়ত অফিচ। পঞ্চায়তীৰাজ চিচ্টেমৰ দ্বাৰা ৰাইজৰ উন্নতি সাধন কৰাৰ আগতে আৰু ৰাইজৰ কল্যাণ কৰাৰ পৰিবৰ্তে নিজৰ ৰাজনৈতিক দলক জীয়াই ৰখাৰ প্ৰতি বেচি মনোযোগ দিয়া পৰিলক্ষিত হৈছে। মইয়ো এবাৰ পঞ্চায়তৰ সভাপতি হিচাপে নিৰ্বাচিত হৈছিলো। তাত কংগ্ৰেছ পাৰ্টি আদিকে ধৰি বিভিন্ন পাৰ্টিৰ সদস্য আছিল। তাত যিবিলাক অনুদান মঞ্জুৰী ইত্যাদি ৰাইজৰ কল্যাণৰ কাৰণে আহে সেইবিলাক বিতৰণ কৰাৰ ক্ষেত্ৰত সদায় সংঘাটৰ সৃষ্টি হৈছিল। প্ৰত্যেকেই নিজৰ নিজৰ দলৰ কাৰণে অনুদান ইত্যাদি নিয়াৰ কাৰণে খোৱা-কামোৰা লগাইছিল, ফলত আঁচনি বিলাক ৰাইজৰ হকে লোৱাত বিফল হোৱা দেখা গৈছিল। এটা কথা মই ক'ব বিচাৰিছো পঞ্চায়ত যদিও গণতান্ত্ৰিক ভেটিত প্ৰতিস্থিত হৈছিল আৰু তেতিয়া প্ৰথম অৱস্থাত এই পঞ্চায়ত তিনিতৰপীয়া গাওঁ পঞ্চায়তৰ যোগেদি ৰাইজৰ মাজলৈ যে অৰ্থনৈতিক উন্নতিৰ কাৰণে আঁচনি লোৱা নাছিল সেইটো নহয়। কিন্তু বেচিভাগ আঁচনিয়েই পৰবৰ্তী কালত দুতৰপীয়া কৰাৰ ফলত প্ৰথম অৱস্থাত ৰাইজৰ মাজত অৰ্থনৈতিক উন্নতি যেনে ধৰণে হৈছিল সেইটো বহু পৰিমাণে সংকোচিত হ'ল। সেই কাৰণেহে এতিয়া তিনিতৰপীয়া পঞ্চায়তী ব্যৱস্থা কৰিবলৈ বিচৰা হৈছে। আজি পঞ্চায়তৰ জৰীয়তে পঞ্চায়তৰ যি মূল আদৰ্শ সেই আদৰ্শৰ পৰা আঁতৰাই গাঁৱত বাস কৰা শতকৰা ৮০ ভাগ লোকক যেন ফুচলাই ৰখাৰ কিবা এটা যেন ব্যৱস্থা কৰা হৈছে। মাননীয় সদস্য সকলে বাৰম্বাৰ কৈছে যে এই পঞ্চায়তৰ কৰ্মচাৰী সকলৰ অৱস্থা বিশেষকৈ আৰ্থিক অৱস্থা অত্যন্ত শোচনীয় তাৰোপৰি কেবামাহো দৰমহা নোপোৱাৰ ফলত গোটাচেৰেক ঠাইত ছিপজৰী লৈছে, যদি এই ছিপজৰী লোৱা কথাতো সত্য হয় তেতিয়াহ'লে ই বৰ দুৰ্ভাগ্যজনক আৰু নিৰাশজনক কথা। ভাৰতবৰ্ষত বিভিন্ন ৰাজ্যত পঞ্চায়তৰ কৰ্মচাৰী সকলৰ চাকৰি চৰকাৰীকৰণ কৰা হৈছে, আমাৰ ইয়াত

চেক্রেটাৰীজনৰ চাকৰীহে চৰকাৰীকৰণ কৰা হৈছে। মই আশা ৰাখিছো বাকী সকলোৰে চাকৰি অতি সোনকালে চৰকাৰীকৰণৰ ব্যৱস্থা হাতত ল'ব। মই ভাবো চৰকাৰৰ ফালৰ পৰা এই আঁচনি ল'ব আৰু অনতি পলমে এই প্ৰচেষ্টাৰ সফল ৰূপায়ন হ'ব। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

Hon'ble Speaker : Now Honourable Minister Shri Chandra Arandhara.

শ্ৰীচন্দ্ৰ আৰান্ধৰা (পঞ্চায়ত মন্ত্ৰী): ১৯৫২ চনতে প্ৰতিস্থা হোৱা পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন বিভাগে গ্ৰাম্য অঞ্চলৰ ৰাইজৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে সকলো প্ৰকাৰে যত্ন কৰি আহিছে। স্বাধীনোত্তৰ কাল ছোৱাত এই বিভাগ-টোৱেই গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত চৰকাৰৰ একমাত্ৰ মাধ্যম হিচাবে কাম কৰিছিল। তেতিয়াৰ পৰাই এই বিভাগটোৱে গ্ৰাম্য পূনৰ গঠনৰ (Re-Organisation of Blocks) কামত একেবাৰে নিম্নতম স্তৰত বৰঙণি যোগাই আহিছে।

উন্নয়নৰ বিভিন্ন লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যেৰে সমগ্ৰ দেশতে তিনি খলপীয়া পঞ্চায়তী ৰাজৰ চিন্তা আৰু আমাৰ ৰাজ্যতো গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদসমূহ ১৯৫৮ চনৰ অসম পঞ্চায়তী ৰাজ আইন অনুসৰি গঠন কৰা হৈছিল। তাৰ পিছৰ কেইবছৰটো পঞ্চায়ত সমূহৰ মাধ্য-মেৰেই কৃষি, পশু পালন, গ্ৰাম্য উদ্যোগ, স্বাস্থ্য আদি উন্নয়ন আঁচনিসমূহ ৰূপায়িত কৰা হৈছিল। এই সময় ছোৱাত উন্নয়ন খণ্ড বিলাকেই সকলো ৰকমৰ কল্যাণমূলক আঁচনি আৰু সম্প্ৰসাৰণৰ ক্ষেত্ৰত নেতৃত্বৰ ভূমিকা আগবঢ়াই আহিছে। কিন্তু ইয়াৰ পিছৰ ১৯৭২ চনত প্ৰৱৰ্ত্তন কৰা পঞ্চায়ত আইনখনৰ ফলস্বৰূপে উন্নয়ন খণ্ড সমূহৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা নেতৃত্বৰ অৱসান ঘটিল। দুই খলপীয়া পঞ্চায়ত ব্যৱস্থা প্ৰবৰ্ত্তন কৰা হ'ল আৰু খণ্ড উন্নয়ন বিষয়া সকলৰ ভূমিকাৰ সংকোচন ঘটিল। এই আসোঁৱাহ দূৰ কৰিবৰ অভিপ্ৰায়েৰে পুনৰ তিনি খলপীয়া পঞ্চায়তী ৰাজ আইন এখন ইতিমধ্যে প্ৰণয়ন কৰা হৈছে। আশা কৰা হৈছে যে, নতুন আইনখনৰ জৰিয়তে এই বিভাগটোৱে গাওঁ অঞ্চলৰ দুখীয়া ৰাইজৰ উন্নতিৰ কাৰণে আশা সুলভ অৱদান আগ বঢ়াব পাৰিব।

১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰটোত এই বিভাগে সাধাৰণ আৰু ষষ্ঠ (৬ষ্ঠ) অনুচ্ছেদ অন্তৰ্ভুক্ত এলেকাৰ আঁচনি সমূহকে ধৰি বিভিন্ন উন্নয়ন আঁচনিৰ কাৰণে পৰিকল্পনাৰ শিতানত (plan) মুঠ ১০৪৩ লাখ টকা ব্যয় কৰিছে। ইয়াৰ ভিতৰত ৯৪৭ লাখ টকা সাধাৰণ অঞ্চল (General Area) আৰু বাকী ৯৬ লাখ

টকা পাৰ্বত্য অঞ্চলৰ কাৰণে ( schedule Arear ) ধাৰ্য কৰা হৈছিল।

এই বিভাগটোৱে গ্ৰাম্য অঞ্চলত শিশু আৰু মাতৃৰ কাৰণে পৰিপূৰক পুষ্টিকৰ খাদ্য যোগান আঁচনি ( Supplementary Nutrition ) আৰু মহিলা সমিতি বিলাকৰ উন্নয়ন তথা সবলীকৰণ আৰু গাওঁ উন্নয়ন আঁচনিৰ ভিতৰত ক্ষুদ্ৰ জলসিঞ্চন, গাৱলীয়া সংযোগ পথ নিৰ্মাণ, হাট-বজাৰৰ মেৰামতি আৰু উন্নয়ন ইত্যাদি আঁচনিৰ অন্তৰ্ভুক্ত।

পৰিপূৰক পুষ্টি আঁচনিৰ ক্ষেত্ৰত ১৯৮৭-৮৮ বিত্তীয় বছৰত মুঠ ১৯৭ লাখ টকা ব্যয় কৰা হয়। এই আঁচনিত গাঁৱৰ দুখীয়া আৰু পিচপৰা অঞ্চলৰ ০-৬ বছৰৰ বয়সৰ শিশুসকলক আৰু প্ৰসূতি আৰু গৰ্ভৱতী মহিলাৰ মাজত পুষ্টিকৰ খাদ্য যোগান ধৰা হয়। ১৯৮৭-৮৮ বছৰটোত ২,৯৬,০০০ জন শিশু ১৭,১০০

## বিশেষ পুষ্টিকৰ খাদ্য আঁচনি

বিশেষ পুষ্টিকৰ খাদ্য আঁচনিখন ০—৬ বছৰীয়া শিশু আৰু গৰ্ভৱতী/প্ৰসূতি মাতৃৰ পুষ্টিসাধনৰ বাবে ৭০-৭১ চনৰ পৰা অসমৰ গ্ৰামাঞ্চলত চলোৱা হয়। এই আঁচনিত উপকৃতসকলক খাদ্য কেন্দ্ৰসমূহৰ যোগেদি পুষ্টিকৰ খাদ্য যোগান ধৰা হয়।

এই আঁচনিৰ অন্তৰ্গত প্ৰতিজন উপকৃত ব্যক্তিৰ বাবে তলত দিয়া ধৰণে দৈনিক খৰছ কৰা হয়ঃ—

(১) পুষ্টিকৰ খাদ্যৰ বাবদঃ

(ক) প্ৰত্যেক ০—৬ বছৰীয়া শিশুৰ বাবে ০.৪৫ পইচা।

(খ) প্ৰত্যেক গৰ্ভৱতী/প্ৰসূতি মাতৃৰ বাবে ০.৭৫ পইচা।

(২) খাদ্য বস্তু আদি উন্নয়ন খণ্ডৰ পৰা খাদ্য কেন্দ্ৰলৈ কঢ়িয়াই নিয়াৰ বাবদ ০.১০ পইছাকৈ দিয়া হয়।

(৩) খাদ্য কেন্দ্ৰ চলাবৰ আন যাৱতীয় খৰছৰ বাবে ০-১০ পইছাকৈ দিয়া হয়। ইয়াৰ উপৰিও বন্ধা আৰু পৰিবেশনৰ বাবে প্ৰতি খাদ্য কেন্দ্ৰৰ ১.২৫ টকাকৈ খাদ্য কেন্দ্ৰৰ সহায়িকা গৰাকীক দিয়া হয়। এই আঁচনিত অসমৰ সকলো বিলাক উন্নয়ন খণ্ড অৰ্থাৎ ১৩৫ টা উন্নয়ন খণ্ড সামৰি লোৱা হৈছে। এই আঁচনিত সৰ্বমুঠ ২,৯৬০ টা খাদ্য কেন্দ্ৰ ১৯৮৭-৮৮ চনত চলোৱা হৈছিল। এই খাদ্য কেন্দ্ৰসমূহৰ যোগেদি ৯৬ লাখ উপকৃত ব্যক্তিক পুষ্টিকৰ খাদ্য যোগান

ধৰা হয়। ইয়াৰ বাবদ ১৯৮৭-৮৮ চনত মুঠ ২২১ লাখ টকা খৰছ কৰা হয়। তাৰ ভিতৰত পৰিয়াল পৰিকল্পনা শিতানত সাধাৰণ অঞ্চলবোৰত অনুসূচীত অঞ্চলত তলত দিয়া ধৰণে খৰছ কৰা হয়।

পৰিকল্পনা ( PLAN )

(ক) সাধাৰণ অঞ্চল ( General Areas ) ১৯১.০০ লাখ।

(খ) ষষ্ঠ অনুসূচীত অঞ্চল ( 6th Schedule Areas ) ৬.০০ লাখ।

(২) অপৰিকল্পনা ( NON-PLAN )

(ক) সাধাৰণ অঞ্চল ( General Areas ) ১০৮.৫০ লাখ।

(খ) ষষ্ঠ অনুসূচীত অঞ্চল ( 6th Schedule Areas ) ১২.৮১ লাখ।

মুঠ— ১৯৭.৩১ লাখ।

(৩) উপকৃত ব্যাক্তিক আৰু খাদ্য কেন্দ্ৰৰ স্থান বাচনি:

খাদ্য কেন্দ্ৰসমূহৰ স্থান সাধাৰণতে খণ্ড উন্নয়ন বিষয়াই স্থানীয় গাওঁ পঞ্চায়তৰ সভাপতি আদিৰ অনুমোদন সাপেক্ষে নিৰ্দ্ধাৰণ কৰে। এই স্থান নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত সমাজৰ পিচ পৰা, আৰ্থিক বিষয়ত পিচপৰা শিশু আৰু মাতৃক লোৱা হয়। প্ৰতিটো খাদ্য কেন্দ্ৰত ১০০ জনকৈ উপকৃত ব্যক্তিক পুষ্টিকৰ খাদ্য যোগান ধৰা হয়। তাৰ ভিতৰত ৯০ টা ০—৬ বছৰীয়া শিশু আৰু ১০ গৰাকী প্ৰসুতি/গৰ্ভৱতী মাতৃ/কেন্দ্ৰসমূহ স্থানীয় মহিলা সমিতিৰ দ্বাৰা চলোৱা হয়। ৰাজ্যিক পুষ্টিসাধন বিষয়াৰ অনুমোদন অনুসৰি বিশেষ পুষ্টিকৰ খাদ্য আঁচনিৰ খাদ্য তালিকা প্ৰস্তৃত কৰা হয়। সেইমতে খাদ্য কেন্দ্ৰসমূহত সপ্তাহত ৫ দিন খিচিৰি, চিৰা-গুৰ যোগান ধৰা হয়। খাদ্য তালিকা খন স্থানীয়ভাৱে আহৰণ কৰা খাদ্য সামগ্ৰীৰ দ্বাৰা প্ৰস্তুত কৰা হয়।

এই আঁচনিত মাহে ২৫ দিনকৈ বছৰটোত ৩০০ দিন পুষ্টিকৰ খাদ্য যোগান ধৰিবলৈ চেষ্টা কৰা হয়।

খাদ্য কেন্দ্ৰসমূহ চোৱা চিতা কৰিবলৈ খণ্ড উন্নয়ন বিষয়া আৰু উন্নয়ন খণ্ডৰ আন বিষয়া যেনে— মহিলা সম্প্ৰসাৰণ বিষয়া, পঞ্চায়ত সম্প্ৰসাৰণ বিষয়া, গ্ৰাম-সেৱক, গ্ৰাম সেবিকা আদিক দায়িত্ব দিয়া হয়। ইয়াৰ উপৰিও মহকুমা পৰি-

কল্পনা বিষয়া সকলেও সময়ে সময়ে কেন্দ্রসমূহ পৰিদৰ্শন কৰে। স্থানীয় প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহৰ চিকিৎসক সকলে কেন্দ্ৰসমূহত সময়ে সময়ে শিশু সকলৰ স্বাস্থ্য পৰীক্ষা কৰে।

প্ৰতি গৰাকী প্ৰস্তুতি/গৰ্ভাৱতী মাতৃক শৰিপূৰক পুষ্টিকৰ আঁচনিৰ জৰিয়তে খাদ্য যোগান ধৰা হৈছে। এনেকৈয়ে ১৯৮৮-৮৯ বছৰটোৰ দৰেই ২,৯৬,০০০ জন শিশু আৰু ১৭,১০০ গৰাকী প্ৰস্তুতি/গৰ্ভাৱতী মাতৃক এনে খাদ্যৰ যোগান ধৰিবলৈ ব্যৱস্থা কৰা হৈছে। সমূহীয়া উন্নয়ন আঁচনি সমূহৰ সিমিত পুঁজিৰে, এই বিভাগে বিভিন্ন গ্ৰাম্য অঞ্চলত আলি-পদূলি বন্ধা, ক্ষুদ্ৰ জলসিঞ্চন আঁচনি ইত্যাদি ৰূপায়িত কৰি আহিছে।

ঠিক এনেকৈয়ে অনুসূচীত জাতিৰ সংযোগী আঁচনিৰ ( Schedule caste component plan ) অধিনত অনুসুচীত জাতিৰ লোকে বাস কৰা গাওঁ অঞ্চলত ক্ষুদ্ৰ জলসিঞ্চন আঁচনি ৰূপায়িত কৰা হয়। ১৯৮৭-৮৮ চনত এই শিতানত ওপৰত উল্লেখিত কামসমূহ সম্পন্ন কৰোতে মুঠ ৩৮ লাখ টকা ব্যয় হয়।

জনজাতীয় অঞ্চলৰ উপ-পৰিকল্পনাৰ ( Tribal Sub-plan ) অধীনত কেচা ৰাস্তা নিৰ্ম্মাণ কৰা, আৰু ক্ষুদ্ৰ জলসিঞ্চন নলা ঘাইকৈ জনজাতীয় লোকে বাস কৰা অঞ্চল নিৰ্ম্মান কৰা হয়।

ব্যৱহাৰিক পুষ্টি সাধন আঁচনিৰ ( Applied Nutrition Programme ) অধীনত ৩০ টা উন্নয়ন খণ্ডত ফল-মূলৰ বাগিছা কৰা, হাঁহ-কুকুৰা আৰু ছাগলী পালন আদি কাৰ্যৰ বাবে আৰ্থিক অনুদান দিয়া হয়। এই বিলাক কামৰ বাবে ইং ১৯৮৭-৮৮ বিত্তীয় বছৰটোত মুঠ ৫·০০ লাখ টকাৰ আৰ্থিক সাহাৰ্য্য আগবঢ়োৱা হয়। এই গোট সমূহত উৎপাদিত পঞ্চাচ শতাংশ বস্তু নিৰ্বাচিত খাদ্য কেন্দ্ৰসমূহত শিশু আৰু প্ৰসূতী/গৰ্ভাৱতী মাতৃক খুউৱাৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনিৰ যোগেদি ৩০০ খন মহিলা সমিতি আৰু ১৩৫ টা যুৱক মণ্ডল উপকৃত হৈছে। মহিলা সমিতিৰ সদস্যা আৰু যুৱক মণ্ডলৰ সভ্য সকলৰ আত্ম নিয়োগৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে আৰ্থিক সাহায্যৰ উপৰিও তাঁত শাল, চিলাই কল আৰু উল গোঠা মেচিন আদিও যোগান বিনামূলীয়াকৈ দিয়া হৈছে। এই শিতানত উক্ত আঁচনিৰ যোগেদি যোৱা বিত্তীয় বছৰটোত মুঠ ৪·৯০ লাখ টকা খৰছ কৰা হয়। ইয়াৰ উপৰিও ৬০,০০০ টকাৰ ব্যয়ত ২০০ গৰাকী মহিলা সমিতিৰ সদস্যাক আৰু ৪৪ জন উন্নয়ন খণ্ড পৰ্য্যায়ৰ বিষয়াক পুষ্টি, স্বাস্থ্য-ৰক্ষা, পৰিয়াল কল্যাণ, কৃষি, পশু পালন আদি বিষয়ত প্ৰশিক্ষণ দিয়া হয়।

ৰাষ্ট্ৰীয় উন্নত চোকা আঁচনিৰ ( National Programme on Implemented Chulla ) যোগেদি ইং ১৯৮৭-৮৮ বিত্তীয় বছৰটোত মুঠ ১৬·০০ লাখ টকাৰ আঁচনি লোৱা হয়। বৰ্ত্তমানলৈকে এই আঁচনিৰ যোগেদি ৫০ টা উন্নয়ন খণ্ডত ১০০০ গৰাকী গাঁৱৰ দুখীয়া তিয়াৰী আৰু মহিলাক উন্নত চৌকা নিৰ্ম্মাণৰ প্ৰশিক্ষণ দিয়া হয়। ইয়াৰ দ্বাৰা তেওঁলোকৰ আংশিক আত্মা সংস্থাপনৰ ব্যৱস্থা হয়। এই আঁচনিৰ জৰিয়তে গাওঁ সমূহত প্ৰভুত প্ৰভাৱ বিস্তাৰ কৰিছে। কিয়নো এই উন্নত চৌকাই একালে ইন্ধনৰ মিতব্যয়ীতা ৰক্ষা কৰিছে আৰু অন্যহাতেদি পাৰি-পাৰ্শ্বিকতা বোধ কৰা কাৰ্য্যক সীমিতভাবে হলেও সহায় কৰিছে। ইং ১৯৮৭-৮৮ চনত মুঠ লক্ষ্য আছিল ২০,০০০ ( বিশ হাজাৰ ) চৌকা। কিন্তু বৰ্তমানে এই লক্ষ্যৰ বিপৰীতে ৮৫০০ টা চৌকাহে বহুওঁৱা হৈছে। নিৰ্দ্ধাৰিত লক্ষ্যত উপানত হব নোৱাৰৰ মূল কাৰণ হৈছে যোৱা বছৰটোত হোৱা প্ৰাকৃতিক দুৰ্যোগ আৰু আৱশ্যকীয় চৰকাৰী আৰ্থিক অনুদান পলমকৈ পোৱা। ইং ১৯৮৮-৮৯ চনত এই লক্ষ্য ২৩,০০০ চৌকাত নিৰ্দ্ধাৰণ কৰা হৈছে।

ইয়াৰ উপৰিও ঘেঁহু ভিত্তিক পৰিপূৰক আঁচনি ( Wheat Base Nutrition Programme ) অধিনত গাঁৱ শিশু আৰু গৰ্ভৱতী/প্ৰসূতী মহিলাক পুষ্টিকৰ আহাৰ খুউৱাৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনিৰ যোগেদি যোৱা বিত্তীয় বছৰত ১৭,১০০ শিশু আৰু গৰ্ভাৱতী/প্ৰসূতী মহিলা উপকৃত হৈছে। যোৱা বিত্তীয় বছৰত এই আঁচনিৰ অধিনত ১·১০ লাখ টকা ব্যয় কৰা হয়। এই সম্পূৰ্ণ ব্যয় কেন্দ্ৰীয় চৰকাৰে বহন কৰে, আৰু এই আঁচনি উন্নয়ন খণ্ডৰ যোগেদি ৰূপায়ণ কৰা হয়।

ইং ১৯৮৬-৮৭/১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰটোত বাৰ্ষিক পৰিকল্পনা অনুদানৰ পৰা সৰ্বমুঠ ৭১ টা উন্নয়ন খণ্ডলৈ নতুন জীপ গাড়ীৰ যোগান ধৰা হ'ল। ১৯৮৬-৮৭ চনৰ পুঁজিৰে আৰু অধিক গাড়ী কিনিব নোৱাৰৰ কাৰণে ১৯৮৭-৮৮ চনৰ পুঁজিৰ পৰা নতুন ৩৯ খনমান গাড়ী কিনাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাহিৰেও গ্ৰামোন্নয়ন বিভাগৰ পৰা ২৫ খনমান খণ্ড উন্নয়ন বিলাকলৈ দিয়া হৈছে। ইয়াকে ধৰিলে প্ৰত্যেক উন্নয়ন খণ্ডত একোখনকৈ ড্ৰাইভাৰ সহ গাড়ীৰ যোগান ধৰা হব। এই প্ৰক্ৰিয়া এক দুই মাহৰ ভিতৰতে সম্পূৰ্ণ কৰিব পৰা যাব। ইয়াৰ উপৰিও ১৭ খন মিনি ট্ৰাক ক্ৰয় কৰা হৈছে আৰু জিলাৰ উপায়ুক্ত সকলৰ তত্বাবধানত ৰখা হৈছে। ইয়াৰ দ্বাৰা গ্ৰাম্য উন্নয়নৰ পক্ৰিয়াসমূহ খৰটকীয়া কৰাত সহায় হব। আৰু এই বিত্তীয় বছৰটোত ১০ খন নতুন জীপ গাড়ী কিনি

১০ টা নতুন উন্নয়ন খণ্ডলৈ যোগান ধৰিবলৈ হাতত লোৱা হৈছে।

ইয়াৰ উপৰিও জেষ্ঠ উন্নয়ন বিষয়াৰ আবাস গৃহ নিৰ্মাণৰ বাবদ ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰত সৰ্বমুঠ ৩৬০ লাখ টকা গড়কাপ্তানী বিভাগৰ যোগেদি খৰছ কৰা হৈছে। বাকী থকা আবাস গৃহ নিৰ্মাণৰ বাবেও চলিত বিত্তীয় বছৰত ৪৫০ লাখ টকা বাজেটত ধাৰ্য কৰা হৈছে। এই বছৰৰ ভিতৰতে বাকী থকা আবাস গৃহসমূহৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হব।

ইয়াৰ উপৰিও পঞ্চায়ত বিভাগৰ অধীনত ৭ টা প্ৰশিক্ষণ কেন্দ্ৰ আছে। এই কেন্দ্ৰসমূহৰ যোগেদি বিভিন্ন পৰ্যায়ৰ চৰকাৰী চাকৰিয়াল সকলক বিভিন্ন দিশত প্ৰশিক্ষণৰ সা-সুবিধা আগবঢ়োৱাৰ উপৰিও পঞ্চায়ত কৰ্মী সকলকো আৱশ্যকীয় প্ৰশিক্ষণ দিয়া হয়। এই সংক্ৰান্তত বছৰি প্ৰায় ১৫.০০ লাখ টকা খৰচ কৰা হয়।

অসমৰ উন্নয়ন খণ্ডসমূহৰ পুনৰ গঠনৰ সিদ্ধান্ত মৰ্মে যোৱা বিত্তীয় বছৰটোৰ ভিতৰত ১০ টা সাধাৰণ অঞ্চলত আৰু ২ টা পাৰ্বত্য অঞ্চলত উন্নয়ন খণ্ড নতুনকৈ স্থাপন কৰাৰ অধিসূচনা ইতিমধ্যে জাৰি কৰা হৈছে। ইয়াৰ ভিতৰত ৮ টাৰ আধাৰশিলা স্থাপন কাৰ্যও সম্পন্ন কৰা হৈছে আৰু গড়কাপ্তানী বিভাগে নিৰ্মাণৰ কাম আৰম্ভ কৰিছে।

এই বিভাগটোৱে বিত্তীয় ভাৱে দুৰ্বল গাওঁ পঞ্চায়ত সমূহক আৰ্থিক সাহাৰ্য্য আগবঢ়াই আহিছে। ১৯৮৭-৮৮ বিত্তীয় বছৰত সৰ্বমুঠ ৭১৪ খন এনে গাওঁ পঞ্চায়তক আৰ্থিক সাহাৰ্য্য আগবঢ়োৱা হৈছে। এনে ধৰণৰ সাহাৰ্যৰ পৰিমান ৯.৫০ লাখ টকা। গাওঁ পঞ্চায়তসমূহক মহকুমা পৰিষদৰ জৰিয়তে সৰু সৰু আঁচনিসমূহ ৰূপায়ণ কৰিবলৈ দিয়া হয়। মহকুমা পৰিষদ আৰু উন্নয়ন খণ্ডসমূহৰ চৰকাৰি কৰ্মচাৰী সকলৰ দৰমহা আৰু অন্যান্য বানচসমূহৰ ব্যয় বহন কৰিবলৈ ১৯৮৭-৮৮ চনৰ বছৰটোত মুঠ ৪,২০,০০,০০০ টকা ব্যয় কৰা হৈছে। এনে ধন সমূহ মহকুমা পৰিষদসমূহলৈ হস্তান্তৰিত কৰা হয়। পাৰ্বত্য অঞ্চলত থকা এই বিভাগৰ চৰকাৰি কৰ্মচাৰীসকলৰ দৰমহা আৰু বানচৰ বাবদ ১৯৮৭-৮৮ বছৰটোত মুঠ ৫৮,৮৬,১০০ টকা ব্যয় কৰা হয়।

মাননীয় সদস্যসকলৰ অৱগতিৰ কাৰণে থুল-মূলভাৱে এই পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন বিভাগৰ কাৰ্যাবলীৰ সম্পৰ্কে এটা বিৱৰণ দাঙি ধৰিলো। মাননীয় সদস্যসকলে বিভাগীয় কাম-কাজৰ সম্পৰ্কত দেখুৱা আসোৱাহসমূহ দূৰ কৰিবলৈ

যত্নবান হম। তেখেতসকলে আগবঢ়োৱা গঠনমূলক পৰামৰ্শ বিলাকৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু ইয়াক নিশ্চয় কাৰ্যকৰি কৰা হব। ৰাজ্যখন। বৃহত্তৰ স্বাৰ্থৰ খাতিৰত আৰু গাঁৱলীয়া ৰাইজৰ অতি প্ৰয়োজনীয় অসুবিধাসমূহ দূৰীকৰণৰ উদ্দেশ্যেৰে হাতত লব খোজা বিভাগীয় আঁচনিসমূহ কাৰ্যকৰি কৰিবৰ অৰ্থে এই বিভাগটোৱে উত্থাপন কৰা বাজেত গ্ৰাণ্ট যথাযথ ভাবে ৰাখিবলৈ সকলো সদস্যকে কৰ্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ জনালো।

পঞ্চায়ত নিৰ্বাচন এটি গুৰুতৰ বিষয়। ইয়াৰ বাবে ভোটাৰ তালিকা সংশোধন কৰাৰ আৱশ্যক। ভোটাৰ তালিকা সংশোধনৰ সম্পূৰ্ণ হলে পঞ্চায়ত নিৰ্বাচন পাতিব পৰা হব। বাকী গাওঁ পঞ্চায়ত আদিৰ সীমা নিৰ্ধাৰণৰ কাম বহুখিনি আগ বাঢ়িছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যিখিনি পৰামৰ্শ আগ বঢ়াইছে তাৰ কাৰণে তেখেতসকলক মই পুনৰবাৰ ধন্যবাদ জনাইছোঁ। আলোচনাত আমাৰ বিৰোধী দলৰ মাননীয় সদস্যসকলে নিৰ্বাচনৰ ওপৰত বৰ বেছিকৈ জোৰ দিছে। এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। ৰাজ্যখনৰ প্ৰায় চাৰে সাত হেজাৰ গাওঁ পঞ্চায়তৰ নিৰ্বাচন পাতিব লাগিব। ইয়াৰ বাবে ভোটাৰ তালিকা সংশোধন কৰা আৱশ্যক। এই সম্পৰ্কে নিৰ্বাচনী আয়োগক জনোৱা হৈছে। ভোটাৰ তালিকা সংশোধনৰ কাম শেষ হলেই নিৰ্বাচন পাতিব পৰা যাব। ইতিমধ্যে আমি ৰেডিঅ'ৰ বাতৰি যোগে গম পোৱা মতে ৪ এপ্ৰিলৰ পৰাই ভোটাৰ তালিকা সংশোধনৰ কাম আৰম্ভ কৰাৰ কথা আছিল।

শ্ৰীআব্দুল মোক্তাদিৰ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী গৰাকীয়ে এই বিষয়ে অলপ বুজাই দিব নেকি?

শ্ৰীচন্দ্ৰ আৰক্ষৰা (পঞ্চায়ত মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ে কৈছোৱেই। ইয়াৰ পিছত মাননীয় সদস্য শ্ৰীদেবেশ্বৰ বৰা ডাঙৰীয়া আৰু শ্ৰীভবেন নাৰ্জাৰী ডাঙৰীয়াই যি পৰামৰ্শ দিছে সেইবিলাক অতি মূল্যবান পৰামৰ্শ আৰু এই বিষয়ে আমি চাম।

Sri Altaf Hossain Mazumdar : These are wrong information given. We must point out that this relates to DRDA and not to Panchayat.

শ্ৰীচন্দ্ৰ আবন্ধৰা ( পঞ্চায়ত মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, বি, এল, চি, চিত

( সদনত হুলস্থূল হয়— একো শুনা নেযাব )

মাননীয় অধ্যক্ষ : ডি, আৰ, ডি, এত কিবা আছে নেকি ? Order, order, let the Minister complete his statement.

( সদনত আকৌ হুলস্থুল লাগে )

শ্ৰীচন্দ্ৰ আবন্ধৰা ( পঞ্চায়ত মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, একো একোখন গাওঁ পঞ্চায়তত মাত্ৰ ৩।৪ জনতকৈ অধিক কৰ্মচাৰী নেলাগে। কিন্তু আগৰ চৰকাৰে এই কৰ্মচাৰীৰ সংখ্যা ৭/৮ জনকৈ কৰিলে। আমি এই সংক্ৰান্তত গোটেই তথ্য পাতি বিলাক সংগ্ৰহ কৰি আছো আৰু সেইমতেই লবলগীয়া ব্যৱস্থাবিলাক লবলৈ চেষ্টা কৰিছো আৰু কৰিম। পঞ্চায়ত বিলাকৰ আৰ্থিক দিশ অলপ টনকিয়াল কৰিব পৰা যায়নেকি এইবিলাক কথা আমি চাই আছো। কাম বিলাক কৰোতে ইকনমিক ভায়াবিলিটিৰ দিশটো যাতে 'হেম্পাৰ' নহয় সেই কথাটোৰ প্ৰতি নজৰ ৰাখিহে আনুসংগিক কামবিলাক কৰা হব। আমাৰ মাননীয় সদস্যসকলে দিয়া পৰামৰ্শ বিলাক বাস্তব্যায়িত কৰিবলৈ যিমান টকাৰ প্ৰয়োজন আছিল তাৰ তুলনাত আজি আমি বিছৰা টকা অলপ কমহে হৈছে। গতিকেই মাননীয় সদস্যসকলে আজি কৰ্ত্তন প্ৰস্তাব আনিছে সেই প্ৰস্তাব উঠাই লবলৈ মই তেখেতসকলক টানি অনুৰোধ কৰিছো।

Mr Speaker : Now I put the question to the movers of cut Motions. First, Hon'ble Member, Shri Aminul Islam, will you like to withraw your Cut Motion.

Shri Aminul Islam : Sir, I beg leave... ( interrupted ).

Shri Charan Narzary : Mr Speaker, sir, all the movers of Cut Motions on this Grant as well as all members of the opposition have arrived at a concensus to demand for a Division on this Grant.

( Voices— Not now, not now )

Mr Speaker : Not now ? Under what circumstances it can be ? There will be no point of Division if the Cut Motions are withdrawn. Now I will put the question to

the Hon'ble Member, Shri Aminul Islam. Will you like to withdraw your Cut Motion ?

Shri Aminul Islam : Sir, I beg leave to withdraw the Cut Motion moved by me.

Mr Speaker : Is it the pleasure of the House to grant him leave to withdraw the Cut Motion ?

( Voices— yes yes )

Mr Speaker : The leave is granted; the Cut Motion is withdrawn. Next, Hon'ble Member, Sri Muktar Hussain, will you withdraw your Cut Motion.

শ্ৰীমুক্তাৰ হুচেইন : ডুখীত মহোদয়, মই কৰ্তন প্ৰস্তাৱ উঠাই ল'ব নোৱাৰো ।

Mr Speaker : Then I put the Cut Motion before the House. The Motion is that the total provision of Rs. 21,73, 91, 000 under Grant No. 56 in respect of "Rural Development (Panchayat)" at pages No 1 – 37 of Volume II Part XX of the Budget be reduced to Rs. 1.00 i.e., the amount of the whole Grant of Rs 21, 73, 91, 000 do stand reduced to Rs. 1.00.

(voices from Opposition Benches-Ayes have it, Ayes have it. voices from treasury Benches – Noes have it, Noes have it.)

Mr Speaker : Order, order, I again put the Cut Motion before the House. The Motion is that the total provision of Rs. 21, 73, 91, 000 under Grant No. 56 in respect of "Rural Development ( Panchayat )" at pages No. 1 – 37 at Volume II Part XX of the Budget be reduced to Rs. 1.00 i.e., the amount of the whole grant of Rs. 21, 73, 91, 000 do stand reduced to Rs. 1.00. Those who are in favour of it say ayes, those who are against it say noes.

( Voices from Oppos tion Benches – Ayes have it, Ayes have it. Voices from Treasury Benches – Noes have it, Noes have it. )

– Division Bell was pressed –

Mr Speaker : Again I put the Motion before the House now. The Motion is that the total provision of Rs. 21,73,91,000 under Grant No. 56 in respect of "Rural Development (Panchayat )" at pages No. 1 – 37 of the volume II Part XX of the Budget be reduced to Rs. 1.00 i. e., the amount of the whole Grant of Rs. 21,73,91,000 do stand reduced to Rs. 1.00.

( The House was divided and a Division was pressed )

Mr. Speaker : Now I declare the result of the division.

Ayes – 37

Noes – 43

The cut motion is lost.

Now Hon'ble Member Shri Amrit Lal Basumatari. Will you withdraw your cut motion ?

শ্ৰীঅমৃতলাল বসুমতাৰী : অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই ল'ব নোৱাৰো।

Mr. Speaker : The motion is that a sum of Rs. 21,73,91,000 under Grant No. 56 in respect of "Rural Development (Panchayat)" at pages 1-37 of volume II part XX of the Budget be reduced by Rs. 100,00 i. e. the amount of whole grant of Rs. 21,73,91,000 do stand reduced by Rs. 100.00

The cut motion is lost by voice votes.

Mr. Speaker ; Now Hon'ble Member Shri Charan Narzary.

Shri Charan Narzary : Mr. Speaker, I am sorry, I Cannot withdarw the Cut motion.

Mr. Speaker : I put the cut motion. The motion is that the total provision of Rs. 21,73,91,000 under Grant No. 56 in respect of "Rural Development (Panchayat)" at pages 1—37 of Volume II, part XX of the Budget be reduced Rs. 1.00 i. e. the amount of the whole grant of Rs. 21,73,91,000 do stand reduced to Rs. 1.00

The cut motion is lost.

Now I put the main motion. The motion is that a sum of Rs. 16,30,43,000 be granted to the Minister-in-charge to complete the sum of Rs. 21,73,91,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1989 for the administration of Panchayat and Rural Development.

The motion is passed and the grant is passed.

Shri Golak Rajbanshi : Sir, we have demanded for a division and we insist on this. (Voices)

Mr. Speaker : All right. I put motion again. The motion is that a sum of Rs. 16,30,43,000 be granted to the Minister-in-charge to complete the sum of Rs. 21,73,91,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1989 for the administration of Panchayat and Rural Development.

( Division Bell rang )

I put the motion again that a sum of Rs. 16,30,43,000 be granted to the Minister-in-charge to complete the sum of Rs. 21,73,91,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1989 for the administration of Panchayat and Rural Development.

( The House divided )

Mr. Speaker : I declare the result of the Division –

Ayes – 45

Noes- 38

The Motion is passed and the Grant No. 56 is passed. Now, we take up Grant No.57.

Hon'ble Speaker : Now, grant No. 57

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদনক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ১৯৮৯ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "গ্ৰাম্য উন্নয়ন" সম্পৰ্কীয় শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিবলগীয়া ৪১,৬১,৮৫,০০০ পৰিমাণৰ টকা সম্পূৰ্ণ কৰাৰ অৰ্থে ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৩১,২১,৩৮,০০০ টকা মঞ্জুৰ কৰা হওঁক।

Hon'ble Speaker : Now Cut Motion will be moved by Hon'ble member Aminul Islam.

Shri Aminul Islam : Sir, I beg to move that the total provision of Rs. 41,61,85,000, under grant No. 57 in respect of "Rural Development" at pages 38—67 of Volume-II, Part XX be reduced to Rs. 1.00, i.e. the amount of the whole grant of Rs. 41,61,85,000, do stand reduced to Rs. 1.00.

Hon'ble Speaker : Now Hon'ble member Shri B. K. Basumatari

Shri B. K. Basumatari : Hon'ble Speaker, Sir, I beg to move that the total provision of Rs. 41,61,85,000, under Grant No. 57 in respect of "Rural Development" at pages 38 –67 of Volume II, part XX of the Budget be reduced to Rs.1.00, i.e. the amount of the whole grant of Rs. 41.61, 85,000, do stand reduced to Rs. 1.00.

Hon'ble Speaker : Now Hon'ble member Shri Mosir Uddin Sheikh

শ্ৰীমচিৰউদ্দিন সেখ : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খুজো যে ১৯৮৮-৮৯ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ বিংশ অংশৰ ৩৭—৬৭ পৃষ্ঠাত থকা গ্ৰাম্য উন্নয়ন শিতানৰ ৫৭ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ ৪১,৬১,৮৫,০০০ টকা এশ টকালৈ হ্ৰাস কৰা হওঁক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৪১,৬১,৮৫,০০০ টকা এশ টকালৈ হ্ৰাস কৰা হওঁক ।

Hon'ble Speaker : Now. Hon'ble member Shri Maziruddin Ahmed.

Shri Maziruddin Ahmed : Hon'ble Speaker, Sir, I beg to move that the total provision of Rs. 41,61,85,000, under Grant No. 57 in respect of "Rural Development" at pages 38–67 of Volume II Part XX of the Budget be reduced to Rs. 1.00 i.e. the amount of the whole grant of Rs. 41,61,85,000 do stand reduced to Rs.1.00.

Hon'ble Speaker : Now, Hon'ble Member Shri Amritlal Basumatari.

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খুজো যে ১৯৮৮-৮৯ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ বিংশ অংশৰ ৩৭—৬৭ পৃষ্ঠাত থকা গ্ৰাম্য উন্নয়ন শিতানৰ ৫৭ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ ৪১,৬১,৮৫,০০০ টকা এশ টকালৈ হ্ৰাস কৰা হওঁক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৪১,৬১,৮৫,০০০ টকা এশ টকালৈ হ্ৰাস কৰা হওঁক

Hon'ble Speaker : Now, Hon'ble member Shri Hemen Das.

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰোঁ যে ১৯৮৮-৮৯ চনৰ বাজেট মঞ্জুৰীৰ দাবীৰ দ্বিতীয় খণ্ডৰ বিংশ অংশৰ ৩৭—৩৮ পৃষ্ঠাত থকা গ্ৰাম্য উন্নয়ন শিতানৰ ৫৭ নং মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা দাবীৰ ৪১,৬১,৮৫,০০ টকা এশ টকালৈ হ্ৰাস কৰা হওঁক অৰ্থাৎ সমুদায় মঞ্জুৰীৰ ৪১,৬১,৮৫,০০০ টকা এশ টকালৈ হ্ৰাস কৰা হওঁক।

Hon'ble Speaker : Now Hon'ble member Shri Aminul Islam.

*শ্ৰীআমিনুল ইছলাম : মাননীয় অধ্যক্ষ ডাঙৰীয়া, গ্ৰামোন্নয়ন বিভাগত অনা কৰ্ত্তন প্ৰস্তাৱক সমৰ্থন কৰি মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। গ্ৰামোন্নয়নৰ মূলতে গাওঁ অঞ্চলৰ উন্নতি লক্ষ্য কৰিব লাগে। গাওঁ অঞ্চলৰ উন্নতিৰ প্ৰতি দৃষ্টি ৰাখি ৰাজ্য চৰকাৰে কাম কৰি যাব লাগে। যিখন দেশত একশজন মানুহৰ ভিতৰত ৯০ জন মানুহে গাওঁত বাস কৰে, সেইখন দেশত গাওঁ অঞ্চলৰ উন্নতি নহয়। গাওঁ অঞ্চল যদি পিচ পৰি থাকে, তেতিয়া হ'লে দেশখনৰ উন্নতি হ'ব নোৱাৰে। গতিকে চৰকাৰে যি নীতি গ্ৰহণ কৰিছে সেই মতে কাম হব লাগে। এই ক্ষেত্ৰত সৰ্বভাৰতীয় দৃষ্টি ভংগী লোৱা হৈছে। গ্ৰামোন্নয়নৰ ক্ষেত্ৰত যিবিলাক পৰিকল্পনা কাৰ্য্যকৰী হব ধৰিছে এই পৰিকল্পনা সমূহৰ কেতবোৰ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আৰু ৰাজ্য চৰকাৰ কেন্দ্ৰীয় চৰকাৰৰ যৌথ ধনৰ দ্বাৰা হয়। যিবিলাক আঁচনিত কেন্দ্ৰীয় চৰকাৰৰ ধনৰ প্ৰয়োজন হয় সেইবিলাক আঁচনি সৰ্বভাৰতীয় ভিত্তিত কৰিবৰ কাৰণে বাস্তৱ ক্ষেত্ৰত অসুবিধা হৈছে।

অধ্যক্ষ ডাঙৰীয়া, মই কব বিচাৰিছো যে ভাৰতবৰ্ষৰ জলবায়ু একে নহয়। পূৱ ভাৰতৰ জলবায়ুৰ লগত পশ্চিম ভাৰতৰ জলবায়ু নিমিলে। ঠিক তেনেকৈ উত্তৰ ভাৰতৰ জলবায়ুৰ লগত দক্ষিণ ভাৰতৰ জলবায়ু নিমিলে। গতিকে সৰ্ব-ভাৰতীয় ভিত্তিত যি পৰিকল্পনা গ্ৰহণ কৰা হৈছে এই পৰিকল্পনাৰ ধন বছৰত কেতবোৰ ৰাজ্যক উন্নয়ন কৰিবলৈ দিছে। কেতবোৰ ৰাজ্যই উন্নয়ন কৰিব পাৰিব পাৰে, কিন্তু অসমৰ নিচিনা ৰাজ্য এথনে নোৱাৰে। কাৰণ কেন্দ্ৰৰ দ্বাৰা মঞ্জুৰীকৃত ধন ওৰ্কিং ছিজিনৰ আগতে আহি নেপায়। গতিকে সেই বছৰত কৰাটো সম্ভৱ নহয়। সেই কাৰণে চৰকাৰে জলবায়ুৰ ওপৰত ভিত্তি কৰি যিবিলাক ৰাজ্যত ৬ মাহৰ কাৰণে কৰিব পৰা নহয়, সেইবিলাক ৰাজ্যত পৰিকল্পনাৰ ধন যাতে আগতে দিয়াৰ ব্যৱস্থা কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি সেই ধনখিনি যাতে প্ৰকৃতাৰ্থত ব্যৱহাৰ কৰিব পৰা যায় তাৰ কাৰণে মই অনুৰোধ জনাইছো। আমি দেখিবলৈ পাইছো যে যোৱা দুই বছৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা ধন আহি পোৱা নাই। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে যাতে ধন আগতে পঠায় তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ ডাঙৰীয়া, এই বিভাগটো মহান উদ্দেশ্য লৈ গঠন কৰা হৈছে। কিন্তু এই বিভাগে দায়িত্ব পালন কৰিব পৰা নাই। ইয়াৰ কাৰণে বিভাগক

* Speech not corrected

জগৰীয়া কৰিলে নহব। ইয়াৰ কাৰণে আমি জগৰীয়া কৰিব লাগিব চৰকাৰৰ নীতিক। এই বিভাগটো উপযুক্ত বিভাগ হিচাবে গঢ়ি তুলিবলৈ চৰকাৰে তেনেকুৱা কোনো নীতি গ্ৰহণ কৰিব পৰা নাই। এই বিভাগৰ জৰিয়তে আমাৰ দেশৰ উন্নতিৰ কথা ভবা হৈছে। কিন্তু প্ৰশাসনৰ ফালৰ পৰা এই বিভাগটো অত্যন্ত দুৰ্বল। মাননীয় উপাধ্যক্ষ মহোদয়, আজি প্ৰশাসনৰ ফালৰ পৰা এই অত্যন্ত দুৰ্বল অথচ ইয়াতেই আজি কোটি কোটি টকা খৰচ কৰি থকা হৈছে। এই বিভাগটোৰ দ্বাৰা আজি এচাম দুৰ্নীতিগ্ৰস্ত কৰ্মচাৰী আৰু এচাম লাভখোৰ ঠিকাদাৰহে উপকৃত হৈছে। যি ধৰণে আজি গ্ৰাম্য উন্নয়ন হব লাগিছিল সি হোৱা নাই। এই বিভাগটোৰ গাঠনি দৃঢ় কৰিব লাগে। গ্ৰাম্য উন্নয়ন বিভাগৰ ডি, আৰ, ডি, এত আজি যথেষ্ট পৰিমাণৰ বা সংখ্যাৰ কৰ্মচাৰী নাই। আজি ব্লক-বোৰত চিনিয়ৰ বিডিঅ' নাই, সম্প্ৰসাৰণ বিষয়া নাই। ইয়াৰ কাম-কাজ চুপাৰভিচন কৰিবলৈ বিষয়া নাই। প্ৰকৃতপক্ষে প্ৰশাসন বোলা কথাটোৱেই ইয়াত নাই। কিন্তু কোটি কোটি টকা এই বিভাগে বছৰি খৰচ কৰিয়েই আছে উন্নয়নৰ নামত। যদি এই বিভাগে কিমান কাম কৰিছে তাৰ তথ্য বিচৰা হয় উপাধ্যক্ষ মহোদয়, মই কব পাৰো শতকৰা ২০ ভাগো কাম হোৱা নাই। আজি কোটি কোটি টকা খণ্ড উন্নয়ন বিভাগক খৰচ কৰিবলৈ দিয়ে এজন বা দুজন জুনিয়ৰ অভিযন্তাৰ যোগেদি। কি কাম কৰিছে, কিমান খৰচ হৈছে, কাম হৈছেনে নাই তাৰ ক্ষতিয়ান লবলৈ কোনো নাই। হিচাপ ৰাখোতা কোনো নাই। আজি অভাবচিয়াৰসকলক ৰাস্তা, স্কুলঘৰ নিৰ্মাণ ইত্যাদি কাম কৰিবলৈ দিয়া হৈছে কিন্তু তেওঁলোকৰ বাবে কোনো যান-বাহন দিয়া হোৱা নাই— অথচ গোটেই ব্লকটোৰ কাম-কাজ তেওঁৰ ওপৰতেই। এজন বা দুজন মানুহে ইমানবোৰ কাম কৰাটো সম্ভৱ নহয়— যান-বাহনৰ অবিহনে। মাননীয় উপাধ্যক্ষ মহোদয়, এই খিনিতে আৰু এটা কব বিচাৰিছো আজি এই বিভাগে যিবোৰ স্কুলঘৰ নিৰ্মাণ কৰিছে তাত অতি নিম্নখাপৰ ইটা ব্যৱহাৰ কৰিছে— যিবোৰ আচলতে ঘৰ বনোৱাৰ কাৰণে ব্যৱহাৰ কৰা নহয়। চিমেণ্টৰ ক্ষেত্ৰতো একেই অৱস্থা বেয়া চিমেণ্ট ব্যৱহাৰ কৰিছে। কিন্তু এইবোৰ চাবলৈ, পৰিদৰ্শন কৰিবলৈ বিভাগত কোনো নাই। সেয়ে মই পৰামৰ্শ দিছো যে এই বিভাগটোৰ প্ৰশাসনীয় গাঠনি দৃঢ় কৰিব লাগে। প্ৰত্যেক ব্লকত এটা মনিটৰিং চেল খুলিব লাগে স্বাধীনভাৱে, ইয়াৰ বাবে ডি. আৰ. ডি, এৰ কৰ্ম্মচাৰী ৰাখিব নেলাগে— বেলেগ কৰ্ম্মচাৰী ৰাখিব লাগে।

